


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা




দ্বাদশ বছৰ ■ সংখ্যা ২৯৮ ■ গুৱাহাটী ■ মঙলবাৰ, ৭ জুন, ২০২২, ২৩ জেঠ, ১৯৪৪ শক    RNP/GH/248/2114-2017    গুৱাহাটী সংস্কৰণ    ■ e-paper : www.dainandinbartagroup.in    ■ মূল্য ঃ ১০.০০ টকা    ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 298 Dainandin Barta ■ Guwahati, Tuesday ■ 7 June, 2022    ■ RNI REGD. NO. ASSASS/2010/39449    Total Pages =12 ■ Rs. 10.00 Only


## আজি মেট্ৰিকৰ ফলাফল

### ১৪টা ৱেবছাইটত ওলাব ৪ লক্ষাধিক শিক্ষাৰ্থীৰ তথ্য

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৬ জুন ঃ** অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল কাইলৈ অৰ্থাৎ ৭ জুন তাৰিখে পুৱা দহ বজাত ঘোষণা কৰিব। ইতিমধ্যে ৰাজ্য মুখ্যমন্ত্ৰীয়ে টুইটাৰৰ জৰিয়তে দুদিনৰ পূৰ্বে এই তথ্য সদৰী কৰিছে। ফলাফল ঘোষণা কৰাৰ পিছতে শিক্ষাৰ্থীয়ে ডিজিটেল মাৰ্কশ্বিট আহৰণ কৰিব পাৰিব। উল্লেখ্য যে অসম চৰকাৰ আৰু ছেবাৰ লগতে অন্যান্য ৱেবছাইটসহ মুঠ ১৪টা ৱেবছাইটৰ জৰিয়তে এই ফলাফলসমূহ আহৰণ কৰিবলৈ সক্ষম হ'ব। ■ ৮ পৃষ্ঠাত



*গুৱাহাটীত শিক্ষাৰ্থীৰ ভেকচিন লোৱাৰ সময়ৰ ছবি*

নাজিৰা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অঘটন

## হঠাৎ ঢলি পৰিল কেইবাগৰাকী ছাত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৬ জুন ঃ** নাজিৰা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি হঠাৎ ঢলি পৰিল তিনিগৰাকীকৈ ছাত্ৰী। বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ তিনিগৰাকীকৈ ছাত্ৰী জেছমিন বেগম, চুমচুমি গগৈ, চুলতানা আহমেদ পাঠদান হৈ থকাৰ সময়তে হঠাৎ ঢলি পৰে। ততাতৈয়াকৈ নাজিৰা মহকুমা চিকিৎসালয়ত ছাত্ৰী ■ ৮ পৃষ্ঠাত



## ৮৩ স্বনামধন্য ৰমেন বৰুৱালৈ ওপজা দিনৰ ওলগ


নিউ আৰ্ট প্লেয়াৰ্ছৰ আন্তৰিক এসন্ধ্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জুন ঃ** স্বনামধন্য সুৰকাৰ, সঙ্গীত পৰিচালক আৰু নিউ আৰ্ট প্লেয়াৰ্ছৰ জন্মলগ্নৰ পৰাই জড়িত অন্যতম জ্যেষ্ঠ সদস্য ৰমেন বৰুৱাৰ ওপজা দিন উপলক্ষে ৬ জুনত (সোমবাৰ) সংঘৰ নৱনিৰ্মিত ভৱনত সদস্যসকলে আন্তৰিক এসন্ধ্যাৰ আয়োজন কৰে। ৮৩সংখ্যক ■ ৮ পৃষ্ঠাত

## আমাক ন্যায় লাগে বুকুৰ তেজেৰে লিখা স্মাৰক-পত্ৰ অৰুণাচলৰ মুখ্যমন্ত্ৰীলৈ

### ডিৰাক গেটত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিৰাক সীমান্ত, ৬ জুন ঃ** কলমৰ চিঞাহীৰে নহয়; এইবাৰ বুকুৰ তেজেৰে লিখা স্মাৰক-পত্ৰ প্ৰদান কৰি ন্যায় দাবী কৰিলে অৰুণাচল প্ৰদেশ চৰকাৰৰ মুখ্যমন্ত্ৰীৰ পৰা। এই ঘটনা আন্তঃৰাজ্যিক সীমান্ত অৰুণাচল প্ৰদেশ নামচাই জিলাৰ। আজি পুৱা ৯ বজাৰ পৰা তিনিচুকীয়া জিলাৰ সীমান্তৱৰ্তী আন্তঃৰাজ্যিক সীমান্ত ডিৰাক গেটত ১৫নং ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধ কৰে অৰুণাচল প্ৰদেশৰ সদৌ লেকাং ছাত্ৰ সন্থাই। পুৱাৰে পৰা চাৰি ঘণ্টাৰ বাবে পথ অৱৰোধ কৰা সদৌ লেকাং ছাত্ৰ সন্থাই দাবী কৰে যে, ১৯৭১ চনত উত্তৰ-পূৰ্বাঞ্চলক বিভিন্ন ৰাজ্যলৈ বিভক্ত কৰোঁতে মৰাণ, মটক, দেউৰী, মিছিং, ■ ৮ পৃষ্ঠাত




■ চন্দ্ৰ কুমাৰ বৰুৱা

দৈনন্দিন বাৰ্তা

## দেশদ্ৰোহিতাৰ অন্য পৰিচয় পিএফআই

দেশত ইছলামিক মৌলবাদী সংগঠনৰ অন্যতম চৰ্চিত শীৰ্ষত আছে পপুলাৰ ফ্ৰণ্ট অব ইণ্ডিয়া চমুকৈ পি এফ আই। এই সংগঠনটো এতিয়া দেশবাসীৰ সাৰ্বভৌমত্ব, ধৰ্মীয় আৰু সমাজিক প্ৰভূত্ব আৰু স্বকীয়তাৰ প্ৰতি ভাবুকি হৈ পৰিছে। বিদেশী শত্ৰু ৰাষ্ট্ৰৰ অবাধ সহযোগত পি এফ আই এতিয়া ইছলামিক সংগঠনসমূহক একত্ৰিত কৰি ভাৰত বিৰোধী কাম-কাজত জড়িত কৰা ঠিকাদাৰলৈ ৰূপান্তৰিত হৈছে। অসমৰ শেহতীয়া বটদ্ৰৱা থানাত অগ্নিসংযোগ কৰা কাৰ্য, গৰুখুটি প্ৰকল্প বাধাগ্ৰস্ত কৰিব খোজা কাৰ্য, কা অৰ্থাৎ নাগৰিকত্ব সংশোধনী আইন বাধাগ্ৰস্ত কৰিব খোজা, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণত হিংসাত্মক প্ৰতিবাদ ■ ৮ পৃষ্ঠাত

## বিটিআৰ ৰাজনীতি

### ৰৌণগৌৰা নাৰ্জাৰীৰ বিস্ফোৰণ

বিধায়ক-এমচিএলএসকলো ভিন্ন দিশলৈ কৰিব গতি

অস্তিত্বৰ সংকটত ভোগা বিপিএফ দলে ৰাইজৰ মাজত বিভ্ৰান্তমূলক কথা কৈ আছে ঃ বিজেপিৰ ই এম অৰূপ দে'

# '১২ জুনৰ পিছত বিপিএফেই নাথাকিব'



**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৬ জুন ঃ** 'ককলাবাৰী সমষ্টিৰ উপ-নিৰ্বাচনৰ বাৰ জুনত ফলাফলৰ পিছতেই হাগ্ৰামা মহিলাৰীৰ বিপিএফ দলটোৱেই নাথাকিব। বিপিএফৰ এঘাৰগৰাকী এমচিএলএ আৰু বিধায়কসকলেও বিপিএফ এৰি বিভিন্ন দিশলৈ গতি কৰিব। ককলাবাৰী সমষ্টিৰ উপ-নিৰ্বাচনত ইউপিপিএল, বিজেপি, জিএছপিৰ সন্মিলিত প্ৰাৰ্থী মণ্টু বড়োৱে ৫০ হাজাৰ ভোট লাভ কৰি জয় নিশ্চিত। বিপিএফ দলে ককলাবাৰীত জয়ৰ বাবে উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা নাই। মাত্ৰ দলীয় প্ৰতীকটোহে দেখুৱাইছে। ককলাবাৰীৰ উপ-নিৰ্বাচনত ৰাইজে উন্নয়ন, শান্তি, সমন্বয়ৰ স্বাৰ্থতেই ইউপিপিএলৰ মনোনীত তথা ইউপিপিএল, বিজেপি, জিএছপিৰ ■ ৮ পৃষ্ঠাত

## বিপিএফ ত্যাগ সাধাৰণ সম্পাদক প্ৰবীণ বড়োৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৬ জুন ঃ** বিটিচিৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাতে বিপিএফ দলত মোক্ষম আঘাত হানি দলটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ■ ৮ পৃষ্ঠাত

কোন প্ৰবীণ বড়ো ? কোন প্ৰবীণ বড়োক মই চিনি নাপাওঁ

## মেল্লা প্ৰবীণ বড়ো আছে ঃ মহিলাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ৬ জুন ঃ** ককলাবাৰী সমষ্টিৰ উপ-নিৰ্বাচনৰ আজি অন্তিম দিনৰ প্ৰচাৰ অভিযানৰ অন্ত পৰে। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত মিত্ৰজোঁটৰ লগতে বিপিএফ দলেও জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। পুৱা বাইক ৰেলীৰে নিৰ্বাচনী প্ৰচাৰ চলায় বিপিএফ কৰ্মীয়ে। নিৰ্বাচনী প্ৰচাৰৰ অন্তত বিপিএফ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে সংবাদ মাধ্যমৰ আগত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰে। বিপিএফৰ প্ৰবীণ বড়োৰ দলত্যাগ সন্দৰ্ভত হাগ্ৰামা মহিলাৰীয়ে বিস্ফোৰক মন্তব্য প্ৰদান কৰে। 'কোন প্ৰবীণ বড়ো? কোনো প্ৰবীণ বড়োক মই চিনি নাপাওঁ, মেল্লা প্ৰবীণ বড়ো আছে' বুলি তাচ্ছিল্য ■ ৮ পৃষ্ঠাত



## অচিৰেই দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৬ জুন ঃ** অসমৰ অন্যতম ভূমিপুত্ৰ দেউৰী জনগোষ্ঠীৰ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অচিৰেই অনুষ্ঠিত হ'ব। কিছু দিনৰ পূৰ্বে ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে চলিত জুন মাহৰ ভিতৰতে পৰিষদৰ নিৰ্বাচন সম্পূৰ্ণ হ'ব। অৱশ্যে চলিত মাহত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন আছে আৰু এই নিৰ্বাচনৰ পিছতহে দেউৰী পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে ৰাজ্যিক নিৰ্বাচন আয়োগে ভোটাৰ তালিকা প্ৰস্তুত কৰিছে। কিছুদিনৰ পূৰ্বে ভৈয়াম ■ ৮ পৃষ্ঠাত

## বিশ্বনাথত অসম চাহ মজদুৰ সংঘৰ শক্তিশালী নেতাক হত্যা

### গ্ৰেপ্তাৰ দুই হত্যাকাৰী ঃ কঠোৰ শাস্তিৰ দাবী দল-সংগঠনৰ



*কাৰ্বি আংলঙত অন্তিম দিনা নিৰ্বাচনী প্ৰচাৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ*

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৬ জুন ঃ** বিশ্বনাথৰ বিহালী ৰঙাগড়ত সংঘটিত হৈছে এক হত্যাকাণ্ডৰ ঘটনা। ৰঙাগড় চাহ বাগিচাত এটা হত্যাকাণ্ড সংঘটিত হয়। দেওবাৰে নিশা প্ৰায় ৮ মান বজাত এই হত্যাকাণ্ড সংঘটিত হয়। জানিব পৰা মতে বিহালী সমষ্টিৰ বৰগাং আৰক্ষী চকী অন্তৰ্গত ৰঙাগড় চাহ বাগিচাৰ ৩নং লাইনৰ ■ ৮ পৃষ্ঠাত

## ওৰাঙত ভূমি বিবাদক কেন্দ্ৰ কৰি নিশা গুলীচালনা

হস্তনিৰ্মিত বন্দুকেৰে গুলীচালনা ঃ কথমপি প্ৰাণ ৰক্ষা এজনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৬ জুন ঃ** যোৱানিশা প্ৰায় ১.৩০ মান বজাত ওদালগুৰি জিলাৰ ওৰাং থানাৰ অন্তৰ্গত দেৰ পুখুৰীত সংঘটিত হয় এক গুলীচালনাৰ ঘটনা। ভূমি বিবাদক কেন্দ্ৰ কৰিয়েই এই গুলীচালনাৰ সন্দেহ কৰা হৈছে। প্ৰাপ্ত খবৰ অনুসৰি অঞ্চলটোৰ জামালুদ্দিন নামৰ লোকজনে নিশা শুই থকা অৱস্থাত একেখন গাঁৱৰে মইনুল হক নামৰ ■ ৮ পৃষ্ঠাত

## ৮ জুনৰ পৰিৱৰ্তে ৭ জুনত সীমিত বন্ধ ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জুন ঃ** অসম চৰকাৰে শ্ৰীশ্ৰী কৃষ্ণগুৰুৰ জন্ম দিৱস উপলক্ষে ৮ জুনৰ পৰিবৰ্তে কাইলৈ অৰ্থাৎ ৭ জুনত সীমিত বন্ধ ঘোষণা কৰিছে। পূৰ্বৰ অধিসূচনাত এই সীমিত বন্ধটি ৮জুনত দিয়া হৈছিল।




*গুৱাহাটীত চিপিআই (এম)ৰ প্ৰতিবাদ*

নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত অঘটন

## পাহাৰ খহি এগৰাকী শ্ৰমিক নিহত, দুগৰাকী আহত




*গুৱাহাটীত আপৰ প্ৰতিবাদ*

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৬ জুন ঃ** বিতৰ্কিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত পুনৰ দুৰ্ঘটনা সংঘটিত হৈছে আৰু উক্ত দুৰ্ঘটনাত এগৰাকী শ্ৰমিক নিহত হোৱাৰ লগতে এন এইচ পি চিৰ ■ ৮ পৃষ্ঠাত

## মানকাচৰত বানত বুৰিছে ৩০০ মাছৰ পুখুৰী

হাহাকাৰ মীন পালকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ৬ জুন ঃ** দক্ষিণ শালমাৰা মানকাচাৰ জিলাত আজি দুদিন ধৰি ধাৰাসাৰ মুষলধাৰ বৰষুণৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হয়। জানিব পৰা মতে মানকাচৰৰ গাতে লাগি থকা মেঘালয় ৰাজ্যৰ পশ্চিম গাৰোপাহাৰ জিলাতো ভালেকেইদিন ধৰি নেৰা-নেপেৰা ■ ৮ পৃষ্ঠাত

# দেশত ন'ৰ' ভাইৰাছৰ সংক্ৰমণ

### দুটি শিশু আক্ৰান্ত

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৬ জুন ঃ** ক'ভিডৰ আতংকৰ মাজতে দেশত ন'ৰ' ভাইৰাছৰ সংক্ৰমণ ঘটাৰ কথাই চিন্তিত কৰি তুলিছে কেন্দ্ৰীয় চৰকাৰক। অৱশ্যে এই ভাইৰাছ সিমান প্ৰাণঘাতক নহয় বুলি প্ৰমাণ হৈছে। শেহতীয়াকৈ কেৰালাত দুজনৰ দেহত পোৱা গৈছে ন'ৰ' ভাইৰাছ। ইতিমধ্যে দুটি শিশুৰ দেহত ভাইৰাছটোৰ উপস্থিতি ধৰা পৰিছে। ন'ৰ' ভাইৰাছক লৈ চাৰিওপিনে যথেষ্ট উদ্বেগ বৃদ্ধি পাইছে। বিশেষজ্ঞসকলে জানিবলৈ দিছে যে এই ভাইৰাছটো প্ৰধানকৈ খাদ্য আৰু পানীৰ জৰিয়তে শৰীৰত প্ৰৱেশ কৰে। লগতে ই অত্যন্ত সংক্ৰামক। ৰাজ্যখনত ইতিমধ্যে চূড়ান্ত সতৰ্কতা জাৰি কৰা হৈছে। ন'ৰ' ভাইৰাছত আক্ৰান্ত লোকসকলৰ ক্ষেত্ৰত বমি আৰু ডায়েৰীয়া দেখা দিছে। এই ভাইৰাছৰ দ্বাৰা সংক্ৰমিত লোকসকলে বমি আৰু ডায়েৰীয়াৰ লগতে এদিন বা দুই দিনৰ ভিতৰত পেটৰ বিষ, জ্বৰ, মূৰৰ ■ ৮ পৃষ্ঠাত

## অৰুণাচলৰ পৰা গুজৰাটলৈ সৰবৰাহ ঘৰচীয়া হাতী

নথি-পত্ৰবিহীন ট্ৰাক মালিকক জৰিমনা বিশ্বনাথৰ পৰিবহণ বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৬ জুন ঃ** সোমবাৰে অৰুণাচল প্ৰদেশৰ নামচাইৰ পৰা গুজৰাটৰ এটা মন্দিৰলৈ বন বিভাগে ১০টাকৈ ঘৰচীয়া হাতী ট্ৰাকৰ জৰিয়তে কঢ়িয়াই নি থকা সময়তে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত বৰগাঙত বিশ্বনাথ জিলা পৰিবহণ বিভাগৰ এটা দলে ট্ৰাকসমূহৰ নথি-পত্ৰ পৰীক্ষা কৰে। ১০খনকৈ ট্ৰাকত ■ ৮ পৃষ্ঠাত

গোলাঘাটত বিভিন্ন ধ্বজাবাহী আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা কৃষিমন্ত্ৰীৰ

## খেতিয়কৰ স্বাৰ্থই আমাৰ স্বাৰ্থ, কৃষকসকলক তেওঁলোকৰ প্ৰাপ্যৰ পৰা কোনেও বঞ্চিত কৰিব নোৱাৰে ঃ বৰা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৬ জুন ঃ** গোলাঘাট জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা উন্নয়ন সমিতিৰ বৈঠক অনুষ্ঠিত হয়। উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত কৃষি, পশুপালন আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই অংশ লৈ প্ৰধানমন্ত্ৰী



কিষাণ সন্মান নিধি চমুকৈ পি এম কিষাণ আৰু চৰকাৰৰ বিভিন্ন ধ্বজাবাহী আঁচনিৰ কাম-কাজ তথা অগ্ৰগতিৰ বুজ লয়। তেওঁ আঁচনিসমূহৰ পৰ্যালোচনা কৰি বৈঠকত অংশ লোৱা বিষয়াসকলক উদ্দেশ্যি কয় যে ৰাইজৰ কল্যাণৰ বাবে চৰকাৰে আঁচনি তথা নীতি গ্ৰহণ ■ ৮ পৃষ্ঠাত

ৰৌতা-বৰক'লাত পথ দুৰ্ঘটনা

## ঘটনাস্থলীতে দুই বাইক আৰোহী নিহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ৬ জুন ঃ** বিটিএডিৰ ওদালগুৰি জিলাৰ ৰৌতা চাৰিআলিৰ সমীপৱৰ্তী ভালুকমাৰীৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মাজত যোৱানিশা ভয়াৱহভাৱে মুখামুখিকৈ দুজন বাইক আৰোহীৰ মাজত সংঘৰ্ষ ঘটি ঘটনাস্থলীতে নিহত হোৱা বাইক আৰোহী দুজনৰ মৃতদেহ দুটা আজি আৰক্ষীয়ে ওদালগুৰি জিলা অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা কৰি আনি গৃহস্থক চমজাই দিয়ে। প্ৰাপ্ত তথ্য অনুসৰি ৰৌতা থানাৰ অন্তৰ্গত ভালুকমাৰীত ■ ৮ পৃষ্ঠাত

## বৰপেটাত তিনিদিনীয়া কৰ্মবিৰতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাকাবেতবাৰী, ভক্তৰডোবা, ৬ জুন ঃ** যি সময়ত ৰাজ্যৰ বিভিন্ন পলিটেক্নিক (কাৰিকৰী শিক্ষানুষ্ঠান)সমূহত অংশকালীন প্ৰবক্তাসকলে মেধাৰ ভিত্তিত নিয়োগ লাভ কৰি পলিটেক্নিকত শক্তিশালী ভূমিকা পালন কৰি আহিছে, ঠিক তেনে ■ ৮ পৃষ্ঠাত


হজৰত মহম্মদক লৈ বিতৰ্কিত মন্তব্য

## ভাৰতৰ বিৰুদ্ধে কেইবাখনো ইছলামিক ৰাষ্ট্ৰত তীব্ৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৬ জুন ঃ** হজৰত মহম্মদক লৈ বিজেপি নেতা-নেত্ৰীয়ে কৰা মন্তব্যক লৈ উত্তাল হৈ পৰিছে কাটাৰ, আফগানিস্তান, তেহৰান, পাকিস্তানকে ধৰি বহু ইছলামিক দেশ। তেনে দেশসমূহত ভাৰতৰ বিৰুদ্ধে প্ৰতিবাদী সমদল উলিওৱা হৈছে। কালি বিতৰ্কিত মন্তব্য কৰি দলৰ পৰা নিলম্বিত কৰা হৈছিল বিজেপিৰ মুখপাত্ৰ নূপুৰ শৰ্মা আৰু নবীন জিন্দালক। নূপুৰ শৰ্মাই এটা টেলিভিছন টক শ্ব'ত হজৰত মহম্মদৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰাৰ পিছতে কানপুৰত হিংসাত্মক ঘটনা সংঘটিত হৈছিল। এই হিংসাত্মক ঘটনাত ৪০জনৰো অধিক লোক গুৰুতৰভাৱে আহত হৈছিল। মহম্মদক লৈ বিজেপি নেতাৰ বিতৰ্কিত মন্তব্যৰ ■ ৮ পৃষ্ঠাত

## চিলাবন্ধাত পুৰুষ, লক্ষীপুৰত মহিলাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৬ জুন ঃ** ৰাজ্যত কিছু দিন ধৰি অধিক বৃষ্টিপাতৰ ফলত বিভিন্ন ঠাইত কৃত্ৰিম বানৰ সৃষ্টি কৰাৰ মাজতে বিশ্বনাথ জিলাৰ ইটাখোলাৰ সমীপৰ হোকাজান চিলাবন্ধাত যোৱা দুদিন ধৰি মুষলধাৰে হোৱা বৰষুণৰ ফলত হোৱা বাঢ়নী পানীয়ে কালি সমাজকৰ্মী শংকৰ গড়াইতৰ (৪০) প্ৰাণ কাঢ়ি নিয়ে। পৰিয়ালবৰ্গই জানিবলৈ দিয়া অনুসৰি এটা কণমানি পুত্ৰ সন্তানৰ বাপেকী শংকৰে ইটাখোলাৰ সাপ্তাহিক দিকৰাই বজাৰৰ পৰা ■ ৮ পৃষ্ঠাত

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
৭ জুন, ২০২২ ■ মঙ্গলবাৰ ■ গুৱাহাটী ■ ২৩ জেঠ, ১৯৪৪ শক


## নগাঁও জিলাত আজিৰে পৰা আৰম্ভ ‘হৰ ঘৰ দস্তক ২.০’




**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৬ জুন ঃ** ৰাজ্যৰ অন্যান্য জিলাৰ দৰে নগাঁও জিলাতো আজিৰ পৰা ২১ জুনলৈ ঘৰে ঘৰে গৈ ক’ভিড প্ৰতিষেধক প্ৰদান অভিযান ‘হৰ ঘৰ দস্তক ২.০’ ৰূপায়ণ কৰা হ’ব। আজি নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিবৰেই নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ‘হৰ ঘৰ দস্তক ২.০’ৰ শুভাৰম্ভ কৰে। শুভ উদ্বোধনী সভাত নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডঃ অৰূপজ্যোতি মহন্তই এই অভিযান সন্দৰ্ভত বিতংভাৱে ব্যাখ্যা আগবঢ়ায় । তেওঁ জানিবলৈ দিয়ে যে ‘হৰ ঘৰ দস্তক ২.০’ অভিযানৰ অধীনত ঘৰে ঘৰে গৈ চিকিৎসক-স্বাস্থ্যকৰ্মীৰ দলে প্ৰতিষেধক প্ৰদান কৰিব বুলি জানিবলৈ দিয়ে। অৱশ্যে দুটা সুকীয়া মোবাইল নম্বৰ ব্যৱহাৰ কৰি প্ৰতিষেধক গ্ৰহণ কৰা, ফোন হেৰুওৱা, অন্য ঠাইৰ পৰা আহি বা অন্য ঠাইলৈ গৈ প্ৰতিষেধক লোৱা, বাহিৰৰ পৰা অহা শ্ৰমিক, মৃত্যু হোৱা লোক আদিৰ নাম কৰ্তন কৰিলে প্ৰতিষেধক লোৱাৰ সময় উকলি যোৱা লোকৰ সংখ্যা যথেষ্ট হ্ৰাস পাব বুলি তেওঁ উল্লেখ কৰে । তেওঁ কয় যে যিসকল লোকে এতিয়াও প্ৰথম পালি প্ৰতিষেধক ল’বলৈ বাকী আছে তেওঁলোককো এই অভিযানৰ অধীনত চিনাক্ত কৰি প্ৰতিষেধক প্ৰদান কৰা হ’ব । উল্লেখযোগ্য যে অহা ৬ তাৰিখৰ পৰা প্ৰথমে বিদ্যালয়সমূহত প্ৰতিষেধক প্ৰদান অভিযান তীব্ৰতৰ কৰিব। উল্লেখযোগ্য যে এই অভিযান সফল কৰাৰ বাবে আশা, অংগনৱাড়ী কৰ্মী, পঞ্চায়ত প্ৰতিনিধি আৰু গাঁওবুঢ়াসকলক লগত লৈ ঘৰে ঘৰে গৈ প্ৰতিষেধক ল’বলৈ সৈমান কৰাব লাগিব, লগতে চাহ বাগিচাসমূহত প্ৰতিষেধক প্ৰদানৰ হাৰ বৃদ্ধি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে । সভাত অতিৰিক্ত উপায়ুক্ত (টিকাকৰণ) দেৱযানী বৰা, অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) প্ৰশান্ত বৰুৱা, জিলা টিকাকৰণ বিষয়া ডঃ মুকুট ডেকাৰ লগতে বহুকেইজন স্বাস্থ্যকৰ্মীয়ে অংশগ্ৰহণ কৰে।

### লখিমপুৰত নীতি-বহিৰ্ভূতভাৱে ৰাইন বাৰ স্থাপনৰ অনুমতি আবকাৰী বিভাগৰ

# আবকাৰী বিষয়া চক্ৰধৰ বেজক নিলম্বনৰ দাবী যুৱ-ছাত্ৰ পৰিষদৰ, উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ৬ জুন ঃ** লখিমপুৰত নীতি-বহিৰ্ভূতভাৱে আবকাৰী বিভাগে ৰাইন বাৰ স্থাপনৰ বাবে অনুমতি প্ৰদান কৰাৰ প্ৰসংগত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ লখিমপুৰ জিলা সমিতিয়ে আজি জিলা উপায়ুক্তক এক স্মাৰকপত্ৰ প্ৰদান কৰে ।পৰিষদৰ অভিযোগ- লখিমপুৰ জিলা সদৰ চক্ৰ আবকাৰী পৰিদৰ্শক চক্ৰধৰ বেজ নামৰ বিষয়াগৰাকীয়ে অসম চৰকাৰৰ আবকাৰী আইন উলংঘা কৰি লখিমপুৰ জিলাখনৰ বিভিন্ন অঞ্চলত ৰাইন বাৰৰ অনুমতি প্ৰদান কৰা দেখিবলৈ পোৱা গৈছে। লখিমপুৰ জিলা সদৰ চক্ৰৰ অধীনত থকা দলহাত তিনিআলিৰ ৰাইন বাৰৰ স্বত্বাধিকাৰী জয়ন্ত বৰুৱাক যি অনুমতি প্ৰদান কৰিছিল সেই ক্ষেত্ৰত অসম চৰকাৰৰ আবকাৰী আইন উলংঘা হৈছে। সেই স্থানত পূৰ্বৰ কোনো ৰেষ্টুৰেণ্ট চলি থকা নাছিল। ইয়াৰ পিছতো চক্ৰধৰ বেজ নামৰ বিষয়াগৰাকীয়ে ৰাইন বাৰৰ অনুমতি প্ৰদান কৰাৰ পাছত স্বত্বাধিকাৰী জয়ন্ত বৰুৱাই নিজৰ ইচ্ছা অনুসৰি কেৱল টিনৰ চালিৰে দুটা সৰু কোঠা নিৰ্মাণ কৰি প্ৰথমৰ পৰা আজি পৰ্যন্ত আবকাৰী আইন উলংঘা কৰি আবকাৰী বিষয়াগৰাকীৰ নেতৃত্বত ৰাইন বাৰখন চলাই থকা দেখিবলৈ পোৱা গৈছে। ৰাইন বাৰখন স্থাপনৰ পূৰ্বে স্বত্বাধিকাৰী জয়ন্ত বৰুৱাই আবকাৰী বিভাগক অনুমতিৰ বাবে যিসমূহ নথিপত্ৰ আৰু ফটো প্ৰদান কৰিছিল সেই সকলোবোৰৰ ওপৰত আমি তদন্তৰ দাবী কৰিছোঁ বুলি জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে দাবী জনাইছে । অন্যহাতে লখিমপুৰ বাইপাছত নতুনকৈ নিৰ্মাণ হৈ থকা দুখনকৈ ৰেষ্টুৰেণ্টত এই আবকাৰী বিষয়াগৰাকীয়ে দুখনকৈ ৰাইন বাৰৰ অনুমতি প্ৰদান কৰিবলৈ ওলাইছে। যিটো স্থানত পূৰ্বে কোনো ৰেষ্টুৰেণ্ট দেখিবলৈ পোৱা নগৈছিল। এইক্ষেত্ৰত নিশ্চিতভাৱে ধনৰ লেনদেন হোৱাৰ অভিযোগ তোলে পৰিষদে । উল্লেখযোগ্য যে জিলাখনৰ বিভিন্ন অঞ্চলত এতিয়াও এইজন আবকাৰী বিষয়াৰ অধীনত অবৈধভাৱে মদৰ আড্ডা চলি থকা দেখিবলৈ পোৱা যায় বুলি উক্ত সদৰ চক্ৰ আবকাৰী পৰিদৰ্শক চক্ৰধৰ বেজ নামৰ বিষয়াগৰাকীক আবকাৰী আইন উলংঘা কৰাৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে চাকৰিৰ পৰা নিলম্বনৰ দাবী জনায় যুৱ-ছাত্ৰ পৰিষদে।

## কাৰ্বি আংলং জিলাৰ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰৰ সমাপ্ত

### বিশাল ৰেলীৰে ১ নং দোৱাৰ-আমলাত বিজেপিৰ প্ৰভাত তাৰ’ক তীব্ৰ প্ৰত্যাহ্বান কংগ্ৰেছৰ বিজয় টেৰণৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ৬ জুন ঃ** কাৰ্বি আংলং জিলাৰ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ আজি প্ৰচাৰৰ সামৰণি পৰে ।প্ৰতিটো দলে পৰিষদৰ ২৬ টা সমষ্টিত আজি নিৰ্বাচনী ৰেলী উলিয়াই নিজৰ সমৰ্থকসহ নিজৰ পক্ষে বতাহ বলাবলৈ চেষ্টা কৰে ।পৰিষদৰ ১ নং দোৱাৰ-আমলা সমষ্টিত পুৱা বিজেপিৰ প্ৰভাত চন্দ্ৰ তাৰ’ৰে সমষ্টিটোৰ ডালিমবাৰীৰ পৰা ভকচং বজাগাঁও হৈ বৈঠালাংছ’লৈ দুই শতাধিক মটৰচাইকেল আৰু প্ৰায় অৰ্ধশতাধিক সৰু-বৰ গাড়ীৰে এক বিশাল ৰেলী উলিয়াই সমষ্টিটোত এক নিবাৰ্চনী চমক দিয়ে । অন্যহাতে কংগ্ৰেছৰ প্ৰাৰ্থী বিজয় টেৰণে সমষ্টিটোৰ বৈঠালাংছ’ৰ পৰা ৰজাগাঁও ভকচং হৈ ডালিমবাৰীলৈ চাৰি শতাধিক মটৰচাইকেল আৰু শতাধিক গাড়ীৰে অন্য এক বিশাল ৰেলী উলিয়াই সমষ্টিটোত নিজৰ পক্ষে বলাবলৈ চেষ্টা কৰে ।বিজেপিৰ তুলনাত কংগ্ৰেছৰ ৰেলীত গাড়ী আৰু মানুহৰ সংখ্যা বৃদ্ধি হোৱা ঘটনাটোৱে বিজেপিৰ প্ৰাৰ্থীগৰাকীক শ’লঠেকত পেলাইছে । ২৩,৭২০ জন ভোটাৰ থকা সমষ্টিটোত কাৰ্বি ভোটাৰৰ সংখ্যা ১২,৫০০জন আৰু অনাকাৰ্বি ভোটাৰৰ সংখ্যা ১১,২২০ জন ।সমষ্টিটোত অনাকাৰ্বিৰ ভোটাৰৰ ভিতৰত তিৱা ভোটাৰ ৬,৩৮০ জন, অসমীয়া আৰু বঙালী ভোটাৰ ১,৫০০ জন, বড়ো ভোটাৰ ৯০০ আৰু নেপালী ভোটাৰ ৭৫০ জন। ইয়াৰে আজিৰ ৰেলীত তিৱা জনগোষ্ঠীৰ অধিকাংশ লোকে অংশগ্ৰহণ কৰাৰ লগতে বড়ো, কাৰ্বি লোকে অংশগ্ৰহণ কৰি বিজেপি দলৰ ৰেলীক চেৰ পেলোৱাত নিৰ্বাচনী ফলাফল ওলট-পালট হোৱাৰ সম্ভাৱনা বেছি আছে বুলি সমষ্টিটোত আলোচনা হৈছে।

## অসম আন্দোলনৰ সক্ৰিয় কৰ্মী শৰৎ খাটনিয়াৰৰ পৰলোকপ্ৰাপ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৬ জুন ঃ** অসম আন্দোলনৰ সক্ৰিয় কৰ্মী শৰৎ খাটনিয়াৰে আজি পুৱা শেষ নিশ্বাস ত্যাগ কৰে ।৬১ বছৰ বয়সত মৃত্যুক সাবটি লোৱা খাটনিয়াৰৰ মৃত্যুত শোকৰ ছাঁ পৰিছে নগাঁৱত ।প্ৰায় ডেৰ বছৰ কাল মধুমেহ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল খাটনিয়াৰ। উল্লেখযোগ্য যে আজি পুৱা ৪-৩০ বজাত মৃত্যুক সাবটি লোৱা প্ৰয়াত শৰৎ খাটনিয়াৰ সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ লগত জড়িত আছিল ।পতঞ্জলি যোগপীঠৰ নগাঁও জিলা সমিতিৰে জড়িত খাটনিয়াৰৰ নশ্বৰ দেহ মধুপুৰ শ্মশানত সৎকাৰ কৰা হয়। মৃত্যুৰ সময়ত খাটনিয়াৰে শিক্ষয়িত্ৰী পত্নী, পুত্ৰ, কন্যাক এৰি থৈ গৈছে । প্ৰয়াত শৰৎ খাটনিয়াৰ নগাঁও চহৰৰ ভূঞাপট্টিৰ নিৱাসী আছিল।

### বঙাইগাঁৱত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী সন্থাৰ অৰাজকতা

# যোগীঘোপাৰ কৰেয়া পাহাৰৰ সংৰক্ষিত ভূমিত অবাধ খনন

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ৬ জুন ঃ** বঙাইগাঁও জিলাত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে যোগীঘোপাৰ কৰেয়া পাহাৰত প্ৰাক্তন সৈনিকৰ বাবে সংৰক্ষিত ভূমিত নিৰ্মাণকাৰী সন্থাই অবাধ গতিত খনন কাৰ্য চলোৱাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে । জানিব পৰা মতে ১৯৬১ চনতে ভাৰত চৰকাৰে প্ৰাক্তন সৈনিকৰ কল্যাণৰ হকে যোগীঘোপাৰ কৰেয়া পাহাৰ অঞ্চলত ১ হাজাৰ ৪শ ২ বিঘা ভূমি সংৰক্ষণ কৰি ৰাখিছিল । ইয়াৰে কিছু অংশ ভূমি প্ৰাক্তন সৈনিকৰ নামত আবণ্টিত হয় যদিও সিংহভাগেই পাছলৈও সংৰক্ষিত হৈ থাকে । কিন্তু বঙাইগাঁও জিলাত চাৰিলেনযুক্ত পথ নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ পাছতে নিৰ্মাণকাৰী সংস্থাৰ চকু পৰে সংৰক্ষিত হৈ থকা বনাঞ্চল আদিত । উল্লেখ্য যে বঙাইগাঁৱৰ হাপাচাৰাৰ পৰা যোগীঘোপালৈ নিৰ্মীয়মাণ চাৰিলেনযুক্ত পথৰ তুলুঙীয়া-যোগীঘোপা অংশ নিৰ্মাণৰ দায়িত্ব লাভ কৰে নিৰ্মাণকাৰী সংস্থা ক্ৰমে আৰ পি চি আৰু আৰ এছ বি আয়ে । সেয়ে পথ নিৰ্মাণৰ বাবে আৰ এছ বি আই নামৰ সংস্থাটোৱে চকু দিয়ে যুগ যুগ ধৰি সংৰক্ষণ হৈ থকা তথা জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ পাহাৰ, জলাশয় আদিত । এনে অৱস্থাত নিৰ্মাণকাৰী সংস্থা আৰ এছ বি আইৰ শেনদৃষ্টিৰ পৰা সাৰি নগ’ল প্ৰাক্তন সৈনিকৰ বাবে সংৰক্ষণ হৈ থকা কৰেয়া পাহাৰ । অভিযোগ মতে পূৰ্বৰ উপায়ুক্ত ডঃ এম এছ লক্ষ্মীপ্ৰিয়াৰ সময়ত পাহাৰখনত খনন চলোৱাৰ বাবে নিৰ্মাণকাৰী সংস্থা আৰ এছ বি আইক অনুমতি দিয়ে । উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা অনুমতি লাভ কৰিয়েই দিনে-নিশাই অবাধ গতিত জেচিবি, ডাম্পাৰেৰে পাহাৰখনত খনন আৰম্ভ কৰে । ইতিমধ্যে পাহাৰখনত ধ্বংসলীলা চলোৱাত অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট হৈছে । এই বিষয়ে অভিযোগ উত্থাপন কৰিছে বিভিন্ন প্ৰকৃতিপ্ৰেমীৰ লগতে দল-সংগঠনে। স্মৰ্তব্য যে আৰ পি চি আৰু আৰ এছ বি আয়ে মাহৰ পাছত মাহ ধৰি পঞ্চায়তৰ পৰা কোনো অনুমতি নোলোৱাকৈয়ে বঙাইগাঁও আই উপত্যকা বন সংমণ্ডলৰ পূৰ্বৰ বন প্ৰাধিকাৰীৰ সেউজ সংকেতত সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ উত্তৰ শালমাৰা পঞ্চায়ত এলেকাত দুটাকৈ ক্ৰেচাৰ মেচিন চলাই থকা বুলি অভিযোগ উত্থাপিত হৈ আহিছিল । বৃষ ৰোপণেৰে গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডত নাম অন্তৰ্ভুক্ত কৰা চৌটাকিৰ বৃষ ৰোপণ স্থলীৰ নিচেই কাষত আৰু জনবসতি এলেকা হোৱা বাবে সংশ্লিষ্ট পঞ্চায়ত সভানেত্ৰীয়ে এন অ’ চি দিয়াত অসন্মতি দিয়ে যদিও সংস্থা দুটাই কৌশলেৰে নীতি-বহিৰ্ভূত এন অ’ চি উলিয়াই লয় । অভিযোগ মতে পঞ্চায়ত সভানেত্ৰীৰ অজ্ঞাতে উপসভানেত্ৰীয়ে পঞ্চায়ত সভানেত্ৰীৰ ছীল ব্যৱহাৰ কৰি এটা নিৰ্মাণকাৰী সংস্থাক এন অ’ চি দিয়ে। এই অভিযোগ ইতিমধ্যে সভানেত্ৰীয়ে উত্তৰ শালমাৰাৰ মহকুমাধিপতিক দাখিল কৰিছে। আনপিনে আন এটা সংস্থাক সংশ্লিষ্ট বিডিঅ’ৰে চৰজমিন তদন্ত নকৰাকৈয়ে কাৰ্যালয়তে বহি এন অ’ চি দিয়া বুলি অভিযোগ উত্থাপিত হৈছে । এই ক্ষেত্ৰত নিৰ্মাণকাৰী সংস্থাৰ সৈতে গোপন বুজাবুজি হোৱা বুলিও সন্দেহ প্ৰকাশ কৰিছে একাংশ লোকে । নিৰ্মাণকাৰী সংস্থাৰ এনে সমগ্ৰ ঘটনা সন্দৰ্ভত বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠকে কেনেদৰে ব্যৱস্থা গ্ৰহণ কৰে পৰৱৰ্তী সেয়া লক্ষণীয় হ’ব।



### সেৰফাংগুৰীৰ গুলীচালনা ঘটনাৰ নতুন মোৰ, ঘটনাৰ স’তে কেএলঅ’ জড়িত

# কোকৰাঝাৰৰ এগৰাকী মডেলসহ ছয়জনক আটক

### কেএলঅ’ৰে সঘনে যোগাযোগ ৰক্ষা কৰাৰ তথ্য লাভৰ পিছতে আটক কৰা হয় মডেলসহ স্বামীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ৬ জুন ঃ** তীব্ৰ চাঞ্চল্য সৃষ্টিকাৰী সেৰফাংগুৰী গুলীচালনাৰ ঘটনাই নতুন মোৰ লৈছে । সেৰফাংগুৰী ঘটনাত নিষিদ্ধ ঘোষিত সংগঠন কেএলঅ’ৰ নাম সাঙোৰ খাই পৰিছে । ব্যৱসায়ী সুনীল মণ্ডলৰ গুলীচালনাৰ ঘটনাৰ সবিশেষ তথ্য ইতিমধ্যে আৰক্ষীৰ হাতত আহি পৰিছে । কোকৰাঝাৰ আৰক্ষীয়ে কেএলঅ’ক পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে সহায় কৰা তথা নিষিদ্ধ ঘোষিত সংগঠনটোৰে সঘনে যোগাযোগ ৰখাৰ অভিযোগত এগৰাকী মডেলকে ধৰি ছজনক আটক কৰিছে। উল্লেখ্য যে সেৰফাংগুৰীৰ নাৰাবাৰীত ব্যৱসায়ী সুনীল মণ্ডলৰ ওপৰত গুলীচালনাৰ ঘটনা সংঘটিত হোৱাৰ পিছতে আৰক্ষীয়ে কালি, অৰ্থাৎ শনিবাৰে নিশাৰ ভাগতে উত্তম ৰায় আৰু মৃদুল ৰায়ক আটক কৰিছিল । ৰবিবাৰে আৰক্ষীয়ে পুনৰায় গৌৰ চন্দ্ৰ ৰায় (নাৰাবাৰী, ৩৮), নিৰ্মল দাস (চৰাইখোলা, ৩২), কোকৰাঝাৰৰ এগৰাকী মডেল আৰু তাইৰ স্বামীক আটক কৰিছে । উল্লেখ্য যে গৌৰ চন্দ্ৰৰ ককায়েক নীতু ৰায় এগৰাকী কেএলঅ’ৰ সদস্য আৰু ব্যৱসায়ী সুনীল মণ্ডলৰ গুলীচালনাৰ ঘটনাত নীতু ৰায় জড়িত আছিল বুলি আৰক্ষীয়ে তথ্য লাভ কৰিছে । আনহাতে গৌৰ চন্দ্ৰ ৰায়ে ঘটনাৰ দিনা পৰিৱেশ, পৰিস্থিতি আৰু স্থান সন্দৰ্ভত নীতু ৰায়ক অৱগত কৰি আছিল ।ইফালে সমগ্ৰ ঘটনাটো কেএলঅ’ৰ দুৰ্ধৰ্ষ সদস্য পাৰ্থ প্ৰতিম বৰ্মন ওৰফে বাপ্পা ওৰফে পাভেলৰ নিৰ্দেশনাত সংঘটিত হৈছিল বুলি আৰক্ষীয়ে তথ্য লাভ কৰিছে । কেএলঅ’ৰ দুৰ্ধৰ্ষ সদস্য পাৰ্থ প্ৰতিম বৰ্মন ওৰফে বাপ্পা ওৰফে পাভেলৰ স’তে সঘনে যোগাযোগ ৰাখিছিল চৰাইখোলা নিৱাসী তথা প্ৰাক্তন কেএলঅ’ নিৰ্মল দাসে । আৰক্ষীয়ে এনে নিশ্চিত তথ্য লাভ কৰাৰ পিছতে প্ৰাক্তন কেএলঅ’ নিৰ্মল দাসক আটক কৰিছে । ইপিনে কেএলঅ’ৰ দুৰ্ধৰ্ষ সদস্য পাৰ্থ প্ৰতিম বৰ্মন ওৰফে বাপ্পা ওৰফে পাভেলে নিজৰ ভনীয়েক তথা কোকৰাঝাৰৰ মডেল আৰু ভনীজোঁৱাই তথা কোকৰাঝাৰৰ এগৰাকী ব্যৱসায়ীৰে সঘনে যোগাযোগ ৰক্ষা কৰাৰ তথ্য লাভ কৰি আৰক্ষীয়ে দম্পতীটোকো আটক কৰা বুলি জানিব পৰা গৈছে । আৰক্ষীয়ে ঘটনা সংক্ৰান্তত ইতিমধ্যে মডেলসহ ছজনক আটক কৰাত কোকৰাঝাৰত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে । ইপিনে আৰক্ষীয়ে ছজনক আটক কৰাৰ লগতে কোকৰাঝাৰ সদৰ থানাত এক গোচৰ (নং২৩/২০২২)ৰ ভিত্তিত ভাৰতীয় দণ্ডবিধি আইনৰ ১২০বি/১২১এ/ ১২২/ ৩২৩/ ৩০৭/ ৩৮৪/ ৩৮৭ আৰু আৰডব্লিউ ২৭/ (১এ)/ ২৭ (১বি)ৰ লগতে ইউএপি এক্টৰ অধীনত গোচৰ ৰজু কৰিছে । আৰক্ষীয়ে অতিশীঘ্ৰে সমস্ত অপৰাধী চক্ৰটোক উৎখাত কৰিবলৈ সক্ষম হ’ব বুলি আশা প্ৰকাশ কৰিছে।

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত শতাধিক চাহ বাগিচাৰ চাহৰ সোৱাদ পৰীক্ষাত অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৬ জুন ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ত চাহৰ সোৱাদ পৰীক্ষা ! আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহৰ গুণগত মান যাতে হ্ৰাস নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি চাহৰ মান নিৰূপণৰ বাবে অনুষ্ঠিত টি টেষ্টিং (Tea Testing) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চাহ, কৃষি অধ্যয়ন কেন্দ্ৰ আৰু পাৰ্কন ইণ্ডিয়া লিমিটেডৰ যুটীয়া প্ৰচেষ্টাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত চাহৰ সোৱাদ পৰীক্ষা কাৰ্যসূচীত উজনি অসমৰ তথা ৰাজ্যৰ বিভিন্ন শতাধিক চাহ কোম্পানীৰবাগিচাসমূহে অংশ গ্ৰহণ কৰে। বৰ্তমান বৃহৎ চাহ বাগিচাবোৰত পুৰণি চাহগছৰ পৰা উৎপাদন কৰা চাহৰ গুণগত মান নিম্নগামী হোৱাৰ অভিযোগ উত্থাপিত হৈ অহাৰ লগতে ৰাসায়নিক সাৰ ব্যৱহাৰ, কীটনাশকৰ প্ৰয়োগ আদিৰ ফলতো ইয়াৰ গুণগত মান হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি দ্বিতীয়বাৰৰ বাবে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত চাহৰ সোৱাদ পৰীক্ষাৰ এক কাৰ্যসূচী সম্পন্ন হয় । আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহৰ গুণগত মান যাতে হ্ৰাস নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি চাহৰ মান নিৰূপণৰ বাবে অনুষ্ঠিত Tea Testing কাৰ্যসূচীত উজনি অসমৰ তথা ৰাজ্যৰ বিভিন্ন চাহ কোম্পানীৰ এশখনৰো অধিক চাহ বাগিচাই অংশগ্ৰহণ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চাহ, কৃষি অধ্যয়ন কেন্দ্ৰ আৰু পাৰ্কন ইণ্ডিয়া লিমিটডৰ যুটীয়া প্ৰচেষ্টাত ডিব্ৰুগড় বিশ্ববিদ্যায়ত চাহৰ সোৱাদ পৰীক্ষা কাৰ্যসূচীত চাহৰ মান নিৰূপণকাৰী সংস্থা ‘পাৰ্কন ইণ্ডিয়া প্ৰাইভেট লিমিটেড’ কলিকতাৰ বিশিষ্ট পৰীক্ষক প্ৰসূন ৰায় চৌধুৰী, গুৱাহাটীৰ সুৰজিৎ ফুকন, কুনাল কেবিন, ডিব্ৰুগড়ৰ অমিতাভ ফুকন উপস্থিত থাকি অসমৰ বিভিন্ন প্ৰান্তৰ চাহ বাগিচাৰ পৰা অহা চাহৰ গুণগত মান পৰীক্ষা কৰে। লগতে বাগিচা কৰ্তৃপক্ষসমূহক চাহৰ মান ৰক্ষা সন্দৰ্ভতো পৰামৰ্শ দিয়ে। আজি চাহৰ সোৱাদ পৰীক্ষাত গুণগত মান ধৰি ৰাখিবলৈ সকলো বাগিচাই চেষ্টা অব্যাহত ৰাখিছে যদিও ইয়াৰে ভিতৰত দেহা চাহ বাগিচা, গেলেকী চাহ বাগিচা, কৰঙনি চাহ বাগিচা, টিংখাং চাহ বাগিচা, দিচাম চাহ বাগিচা, কমৰবন্ধ চাহ বাগিচাই গুণাগুণ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। আজি চাহৰ সোৱাদ পৰীক্ষাত বটলিফ ফেক্টৰীও অংশ গ্ৰহণ কৰে। কাৰ্যসূচীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চাহ আৰু কৃষি অধ্যয়ন কেন্দ্ৰৰ অধ্যয়নত ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। বিশ্ববিদ্যালয়ত দ্বিতীয়বাৰৰ বাবে আৰম্ভ হোৱা এই গুৰুত্বপূৰ্ণ পদক্ষেপ আৰু এই প্ৰচেষ্টাই বহুতো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কৰ্মসংস্থাপন পোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।


## মৈৰাবাৰী আদৰ্শ বিদ্যালয়ত অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা ড° ননী গোপাল মহন্ত




**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৬ জুন ঃ** সোমবাৰে মৈৰাবাৰী আদৰ্শ বিদ্যালয়ত অসম চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা বিশিষ্ট সাহিত্যিক ড° ননী গোপাল মহন্তই পৰিদৰ্শন কৰে। উপদেষ্টাগৰাকীয়ে বিদ্যালয় পৰিদৰ্শন কৰাৰ সময়ত মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, জিলা প্ৰাথমিক শিক্ষা বিষয়া বুলি গগৈ ভূঞা, লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু লাহৰীঘাট খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে সংগ দিয়ে। মৈৰাবাৰীৰ নিচিনা এখন অতি ভিতৰুৱা গাঁৱত অৱস্থিত বিদ্যালয়খনৰ শৈক্ষিক-সাংস্কৃতিক পৰিৱেশ অধ্যয়ন কৰি উপদেষ্টাগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। শিক্ষাৰ গুণগত মান উন্নত কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন প্ৰচেষ্টা চলাই নিয়াৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লোৱা সবল পদক্ষেপৰ শলাগ জনাই উপদেষ্টাগৰাকীয়ে সাংবাদিকৰ আগত কয়— মুখ্যমন্ত্ৰীয়ে পিছপৰা অঞ্চলত বিশেষকৈ সংখ্যালঘু এলেকাত শিক্ষাৰ সৰ্বাংগীণ উন্নতিৰ ক্ষেত্ৰত সমানে কাম কৰি আহিছে। আজি উপদেষ্টাগৰাকীয়ে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত ভাব বিনিময় কৰাৰ লগতে বিদ্যালয়খনৰ প্ৰত্যেকটো কোঠালিৰ পৰিৱেশৰ বুজ লয়। উল্লেখযোগ্য, বিশ্ব পৰিৱেশ দিৱসৰ দিনা অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ দ্বাৰা বাছনি কৰা অসমৰ ৫খন বিদ্যালয়ৰ ভিতৰত মৈৰাবাৰী আদৰ্শ বিদ্যালয়খন প্ৰথম স্থান লাভ কৰাত উপদেষ্টাগৰাকীয়ে বিদ্যালয়খনৰ অধ্যক্ষগৰাকীক ধন্যবাদ জ্ঞাপন কৰিছে। ইপিনে আজি সদৌ অসম প্ৰাথমিক টেট্ উত্তীৰ্ণ শিক্ষক সমাজে চাৰিটা দাবী জনাই উপদেষ্টাগৰাকীৰ হাতত এখনি স্মাৰক-পত্ৰ প্ৰদান কৰে।

## দৃষ্টিহীন লোকৰ বাবে নিজৰ চকুযুৰি দান কৰিলে মৰাণৰ চাৰি হৃদয়ৱান মহিলাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৬ জুন ঃ** অন্ধত্বৰ বাবে বহু লোকে আমাৰ বিনন্দীয়া পৃথিৱীখনৰ ৰং উপভোগ কৰাৰ পৰা বঞ্চিত হৈ আছে। কিন্তু এই অন্ধ লোকসকলক আমি নেত্ৰদানৰ যোগেদি তেওঁলোকৰ জীৱনলৈ পোহৰ কঢ়িয়াই নিব পাৰো । বহু হৃদয়ৱান লোকে চকু দান কৰি বহুতৰ জীৱন পোহৰাই তুলিছে ।এনে এক মহান কাম কৰি মহানুভৱতাৰ পৰিচয় দিলে মৰাণৰ চাৰি হৃদয়ৱান মহিলাই। অখিল ভাৰতীয় মহিলা সন্মিলনৰ উদ্যোগত মৰাণৰ চাৰিগৰাকী মহিলাই দান কৰিলে নিজৰ চকু । ডিব্ৰুগড় জিলা মৰাণৰ কুশল নগৰত অনুষ্ঠিত এক অনুষ্ঠানত কৰবী সোণোৱাল, কুসুম মিতাল, ৰেখা বেৰীয়া, নয়না পাচাৰি নামৰ মহিলা কেইগৰাকীয়ে চকু দান কৰা প্ৰমাণপত্ৰত চহী কৰি এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে । নিজৰ চকু দান কৰি কৰবী সোণোৱালে কয় যে তেওঁ মৰাণত থকা অন্ধ বিদ্যালয়লৈ গৈছিল আৰু তাত থকা অন্ধ ছাত্ৰ-ছাত্ৰী সকলক দেখি এই সিদ্ধান্ত লয়। আৰু সকলো হৃদয়ৱান লোকক নিজৰ চকুহাল দান দি অন্ধসকলৰ জীৱন পোহৰাই তুলিবলৈ আহ্বান জনায় কৰবী সোণোৱালে। এই মহান মহিলা কেইগৰাকীৰ মহাপ্ৰয়াণৰ পাছত চাৰিজন অন্ধ লোকে দেখিব পাব সুন্দৰ পৃথিৱীখন। এই অনুষ্ঠানত অখিল ভাৰতীয় মহিলা সন্মিলনৰ জ্যেষ্ঠ নেত্ৰী লতা টুডী আগৰৱালা, সম্পাদিকা সীমা টুডী আগৰৱালাৰ লগতে বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।




## বঙাইগাঁৱত ‘হৰ ঘৰ দস্তক ২.০ অভিযান’ৰ শুভাৰম্ভণি কৰিলে বিধায়ক ফণীভূষণ চৌধুৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৬ জুন ঃ** ৰাজ্যৰ সকলো ক’ভিড-১৯ টিকাকৰণৰ বাবে যোগ্য ব্যক্তিৰ ১০০ শতাংশ টিকাকৰণ সম্পূৰ্ণ কৰিবলৈ ৰাজ্য চৰকাৰে ‘হৰ ঘৰ দস্তক ২.০’ অভিযান আৰম্ভ কৰিছে। এই অভিযান সোমবাৰে অসমৰ আন আন জিলাৰ লগতে বঙাইগাঁও জিলাতো শুভাৰম্ভণি কৰা হয় । বঙাইগাঁও জিলাত এই অভিযানৰ শুভাৰম্ভণি কৰে বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰীয়ে। এই উদ্দেশ্যে বঙাইগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আয়োজিত শুভাৰম্ভণী অনুষ্ঠানত বিধায়ক ফণীভূষণ চৌধুৰীৰ লগতে বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠক, অতিৰিক্ত উপায়ুক্ত শ্যামল ক্ষেত্ৰ গগৈ, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডা: পৰেশ কুমাৰ ৰয়, জিলা টিকাকৰণ বিষয়া ডা: পুষ্পেন্দু দাস, জিলা আঁচনি প্ৰবন্ধক কৰুণা ব্ৰহ্ম, জিলা মিডিয়া এক্সপাৰ্ট জ্যোতিষা শইকীয়া, জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া বিনু ৰাণী ৰাজবংশী, মহকুমা চিকিৎসা তথা স্বাস্থ্য বিষয়া ডা: মহিবুল ইছলাম, খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ আন আন চিকিৎসকসকল আৰু নাৰ্চ সমন্বিতে অন্যান্য স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে । বঙাইগাঁও জিলাত শুভাৰম্ভ কৰা ‘হৰ ঘৰ দস্তক ২.০ অভিযান’ৰ আৰম্ভণিতে বিধায়ক ফণীভূষণ চৌধুৰীয়ে কোভিডৰ প্ৰতিকাৰমূলক পালি টিকা গ্ৰহণ কৰে। ইপিনে অনুষ্ঠানত ভাষণ প্ৰসংগত বিধায়কগৰাকীয়ে কয় যে যদিও কোভিডৰ প্ৰকোপ কমিছে তথাপি আমি কোভিডৰ প্ৰতিষেধক টিকা তিনিও পালিয়েই লোৱা উচিত। এই ক্ষেত্ৰত সাংবাদিকসকলৰ গুৰু দায়িত্ব আছে বুলি কয় বিধায়কগৰাকীয়ে । কিয়নো কোভিডৰ টিকাৰ প্ৰয়োজনীয়তাৰ বিষয়ত সাংবাদিকসকলেই সৰ্বসাধাৰণ ৰাইজক সজাগ কৰিব লাগিব। তদুপৰি এ এন এম নাৰ্চ আৰু আশাকৰ্মীসকলে কোভিডৰ প্ৰতিকাৰমূলক পালি টিকা বা ১২ বছৰৰ উৰ্ধ্বৰ ল’ৰা-ছোৱালীৰ প্ৰথম পালি বা দ্বিতীয় পালি টিকা ল’বৰ বাবে তেওঁলোকক উৎসাহিত কৰিব লাগিব। এই অভিযানৰ অধীনত স্বাস্থ্যকৰ্মী বা সমাজৰ আগশাৰীৰ লোক, ১২ৰ উৰ্ধ্বৰ ল’ৰা-ছোৱালী (প্ৰথম বা দ্বিতীয় পালি টিকা ল’বলৈ বাকী থকা), ১৮ বছৰৰ পৰা ৫৯ বছৰ বয়সৰ লোক (টিকা ল’বলৈ বাকী থকা) আৰু ৬০ বছৰৰ উৰ্ধ্বৰ লোকসকলক কোভিডৰ প্ৰতিকাৰমূলক পালি টিকা দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আনহাতে অনুষ্ঠানত উপস্থিত থাকি জিলা উপায়ুক্ত নৱদ্বীপ পাঠকে স্বাস্থ্যকৰ্মীসকলক বয়স অনুসৰি কোভিড টিকাৰ প্ৰথম পালি বা দ্বিতীয় পালি বা কোভিডৰ তৃতীয় পালি টিকা ঘৰে ঘৰে দিবলৈ যোৱাৰ সম্পৰ্কত স্বাস্থ্যকৰ্মীসকলক পৰিকল্পনা যুগুত কৰি ল’বলৈ আহ্বান জনায়। ৬ জুনৰ পৰা ২০ জুনলৈ পযেকজোৰা অভিযান সফল কৰিবলৈ সৰ্বান্তঃকৰণেৰে কাম কৰিবলৈ স্বাস্থ্যকৰ্মীসকলক আহ্বান জনায় উপায়ুক্তগৰাকীয়ে। কোভিড টিকাৰ ‘হৰ ঘৰ দস্তক ২.০ অভিযান’ শুভাৰম্ভণী অনুষ্ঠানত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকেও বক্তব্য ৰাখে আৰু উপস্থিত সকলোকে ধন্যবাদ জনায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা টিকাকৰণ বিষয়া পুষ্পেন্দু দাসে। উল্লেখ্য যে এই অভিযানৰ অধীনত কোভিড-১৯ টিকাকৰণৰ বাবে যোগ্য হিতাধিকাৰীক অনুপ্ৰাণিত কৰিবলৈ স্বাস্থ্য কৰ্মীসকল ঘৰে ঘৰে যাব।



দৈনন্দিন বাৰ্তা
সম্পাদকীয়
৭ জুন ■ ২০২২ ■ ২৩ জেঠ ■ গুৱাহাটী

## শৈক্ষিক বৰ্ষ আৰু চৰকাৰৰ কৰ্তব্য

স্বাধীনতাৰ পিছৰ পৰাই অসমত শিক্ষা বিভাগত বিভিন্ন আঁচনিৰ কথা সময়ে সময়ে আলোচনা হৈ আহিছে। অথচ কোনো এখন আঁচনিয়ে ফলপ্ৰসু হোৱা পৰিলক্ষিত হোৱা নাই। ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনতো শিক্ষা সম্পৰ্কে বিভিন্ন আলোচনা-বিলোচনা হৈ আহিছে। চৰকাৰখনেও দম্ভ মাৰি বিভিন্ন ধৰণে জনসাধাৰণক মোহিত কৰা পৰিলক্ষিত হৈছে। কিন্তু আচৰিত ধৰণে এয়াই যে ৰাজ্যত নতুন শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ দুমাহ অতিক্ৰম হ'ল যদিও শিক্ষা বিভাগে আজিলৈকে চৰকাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব পৰা নাই অভ্যাসন আৰু মূল্যায়নৰ বহী। ফলত বিদ্যালয়ত শিক্ষকসকলে মূল্যায়ন কৰিব পৰা নাই ছাত্ৰ-ছাত্ৰীৰ। অবশেষত বাধ্য হৈ শিক্ষকসকলেই ছাত্ৰ-ছাত্ৰীক অভ্যাসন আৰু মূল্যায়ন বহী যোগান ধৰিবলৈ চৰকাৰক দাবী জনাবলগীয়া হৈছে। এই ঘটনাই ৰাজ্যৰ চৰকাৰী শিক্ষাৰ স্বৰূপ উদঙাই দিছে। উল্লেখ্য যে যিটো সময়ত দেশৰ ৰাজধানী দিল্লীত আম আদমি পাৰ্টীৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত কেতবোৰ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি ব্যক্তিগত খণ্ডৰ স্কুলৰ পৰা চৰকাৰী স্কুললৈ ছাত্ৰ-ছাত্ৰীৰ ওভতনি যাত্ৰা সম্ভৱ কৰি তুলিছে, সেই সময়ত অসমত ছাত্ৰ-ছাত্ৰীৰ অভাৱত বহু চৰকাৰী স্কুল বন্ধ কৰি দিব লগা হৈছে। বহু স্কুলৰ চামিলকৰণ হৈছে। ৰাজ্যত কলঢোপৰ কলঢোপকৈ যিকেইখন স্কুল জীয়াই আছে, শিক্ষা বিভাগৰ অকৰ্মণ্যতাৰ বাবেই যে সেইকেইখনো অচিৰেই মৃত্যু ঘণ্টা বাজিব। সেয়া স্পষ্ট হৈছে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ৰাজ্যৰ শিক্ষা সচিবলৈ দিয়া এখন স্মাৰক-পত্ৰত অলপতে দিয়া বাৰ্তাত। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে বাৰ্তাটোত ৰাজ্যৰ প্ৰাথমিক শিক্ষা সচিবলৈ প্ৰেৰণ কৰা পত্ৰখনত দুটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। তাৰে এটা হ'ল শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ দুমাহ উকলি যোৱাৰ পিছতো ছাত্ৰ-ছাত্ৰীয়ে অভ্যাসন আৰু মূল্যায়ন বহী লাভ নকৰা আৰু আনটো হ'ল স্কুলসমূহত ছাত্ৰ-ছাত্ৰীৰ প্ৰথম সাময়িক মূল্যায়ন কেতিয়া হ'ব, তাৰ কোনো স্পষ্ট নিৰ্দেশনা নাই। ক'ভিড মহামাৰীয়ে আউল লগোৱা দুটা শিক্ষাবৰ্ষৰ পাছত আৰম্ভ হোৱা নতুন শিক্ষাবৰ্ষৰ দুমাহ উকলি গ'ল। তাৰ পিছতো কোনো স্পষ্ট নিৰ্দেশনা চৰকাৰে দিয়া নাই। চৰকাৰে প্ৰস্তুত কৰা শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথমটো সাময়িক মূল্য হ'ব লাগিছিল ১ জুনৰ পৰা ৯ জুনলৈকে। কিন্তু এই দিশটো আওকাণ কৰি গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ দিন ধাৰ্য কৰাত বিষয়টোত আউল লাগে। যাৰ বাবে বিমোৰত পৰিছে শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক। কিয়নো অভ্যাসন আৰু মূল্যায়ন বহী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে শৈক্ষিক ক্ষেত্ৰখন আগবাঢ়ি যাব।

■ প্ৰসংগ ঃ বিশ্ব পৰিৱেশ দিৱস ■

# বিশ্ব পৰিৱেশ দিৱসৰ সফলতা কেতিয়া

ভূপেন মহন্ত




'এক বৃক্ষ দশ পুত্ৰসম', 'গছ থাকিলেহে মানুহ' আদি বিভিন্ন শ্ল'গান আমি সৰু কালৰে পৰা শুনি অহা কেইটামান পৰিৱেশ বিষয়ক শ্ল'গান। প্ৰতি বছৰে বিশ্ব পৰিৱেশ দিৱস আহিলেই এনেবোৰ শ্ল'গানে চৰকাৰী-বেচৰকাৰী সকলো ফালৰ পৰাই যেন বীৰদৰ্পে আওৰোৱা হয়। বাতৰি কাকতৰ পৃষ্ঠাবোৰ, দূৰদৰ্শনৰ পৰ্দাবোৰ সেউজীয়া হৈ পৰে বিশ্ব পৰিৱেশ দিৱসৰ দিনটো আহিলেই। চৰকাৰী বিজ্ঞাপনেৰে ভৰি পৰে বাতৰি কাকতৰ পৃষ্ঠা, দূৰদৰ্শনৰ পৰ্দা। বিশ্ব পৰিৱেশ দিৱসৰ দিনটোত বিভিন্ন সভাই-সমিতিয়ে ৰজা-প্ৰজা সকলোৰে মুখত স্ফুলিংগৰ দৰে বৰষে পৰিৱেশ নিৰ্মল কৰি ৰখাৰ ওপৰত বিভিন্ন বক্তৃতা। কিন্তু এই দিনটো পাৰ হোৱাৰ পিছতে সকলোবোৰ ফুটুকাৰ ফেন হৈ পৰে। পৰিৱেশ সুৰক্ষাৰ বিষয়টো সকলোৰে আকৌ পূৰ্বৰ দৰেই পাহৰি যায়। অথবা গুৰুত্ব নোহোৱা হৈ পৰে বিষয়টোৰ ওপৰত। পৰিৱেশ সুৰক্ষাৰ বাবে জীৱশ্ৰেষ্ঠ মানুহে বছৰটোৰ ভিতৰত এটা দিনহে বাছি ল'ব লগা হৈছে। ইয়ো এক ভাবিবলগীয়া কথা। বিশ্ব পৰিৱেশ দিৱসৰ দৰে এটা দিন নিৰ্দিষ্ট কৰি আমাৰ চাৰিওফালে থকা পৰিৱেশৰ ওপৰত গুৰুত্ব যি ধৰণে দিওঁ, তাতকৈ আমি প্ৰতিদিনে যদি সকলোৰে আমাৰ পৰিৱেশৰ কথা এবাৰলৈ হ'লেও ভাবিলো হয় তেনেহ'লে এটা দিন নিৰ্দিষ্ট কৰি পৰিৱেশ সুৰক্ষাৰ ওপৰত ভাষণ নিদিলেও হ'ল হয়। সাম্প্ৰতিক কালত পৰিৱেশ সংৰক্ষণ এটা বহুল প্ৰচাৰিত বিষয়। প্ৰাকৃতিক ভাৰসাম্য অটুট ৰাখি এক সুন্দৰ বৰ্তমান আৰু ভৱিষ্যৎ উপভোগ কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মক সুৰক্ষিত আৰু সুন্দৰ মনৰ অধিকাৰী কৰি তুলিবলৈ পৰিৱেশ সংৰক্ষণ অতীৱ প্ৰয়োজনীয়।

কিন্তু পৃথিৱীৰ জলবায়ুৰ দ্ৰুত পৰিৱৰ্তনেই আজি যেন জ্বলন্ত সমস্যা হৈ পৰিছে। মানুহে ইন্ধন আদি ব্যৱহাৰ কৰাৰ ফলত ধোঁৱা, বাষ্প আদিয়ে বায়ু মণ্ডলত ডাঠ আৱৰণৰ সৃষ্টি কৰে, ফলত বায়ু মণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বাঢ়ে আৰু ইয়াৰ ফলত সূৰ্যৰ পৰা বিকিৰণ হোৱা ৰশ্মি কাৰ্বন-ডাই-অক্সাইডৰ তৰপ ভেদ কৰি ওলাই যাবলৈ সক্ষম নহয়। যাৰ ফলত ভয়ানকভাৱে পৰিৱেশৰ উষ্ণতা বৃদ্ধি হৈ পৃথিৱীত জলবায়ু, প্ৰাকৃতিক পৰিৱেশ আদি সকলোৰে ওপৰত প্ৰভাৱ পেলায়। অ'জন স্তৰে অতি বেঙুনীয়া ৰশ্মিৰ বিকিৰণ পৃথিৱীলৈ অহাত বাধা দি সকলোৰে জীৱন নিৰাপদ কৰে। সেই অ'জন স্তৰ ধ্বংস কৰে 'ক্লৰ'ফ্লৰ' কাৰ্বনে। মূলতঃ মানুহৰ এনে পৰিৱেশ বিনষ্টকাৰী কৰ্মৰ বাবে অ'জন স্তৰ ধ্বংস হৈ প্ৰকৃতিলৈ বিপদ কঢ়িয়াই আনিছে। এনেবোৰ প্ৰকৃতিধ্বংসী কাৰ্যৰ পৰা মানুহক বিৰত ৰাখিবৰ বাবেই ১৯৭৪ চনৰ ৫ জুনৰ পৰাই ৰাষ্ট্ৰসংঘৰ আহ্বানত সমগ্ৰ বিশ্বতে বিশ্ব পৰিৱেশ দিৱস (World Environment Day) পালন কৰি অহা হৈছে। মানুহৰ বাসস্থান এই পৃথিৱীত ক্ৰমে ক্ৰমে প্ৰৱলতৰ হৈ উঠা পৰিৱেশজনিত সমস্যা, খাদ্য সামগ্ৰী অপচয় আৰু লোকচান, গোলকীয় উষ্ণতা বৃদ্ধি আদি সমস্যাবোৰ সমাধানেই এই দিৱসৰ উদ্দেশ্য। এনেবোৰ উদ্দেশ্যকে প্ৰতি বছৰে ঢাক-ঢোল বজাই চৰকাৰী পক্ষই হওক বা বেচৰকাৰী পক্ষই হওক কৈ আহিছে সভাই-সমিতিয়ে। নেতা-মন্ত্ৰী, বিশিষ্ট ব্যক্তিসকলে কেমেৰাৰ সন্মুখত বিভিন্ন প'জ দি একোটা গছপুলিও ৰোপণ কৰি আহিছে। বিভিন্ন লেতেৰা পৰিৱেশলৈ পালি-পহৰীয়াসহ গৈ এখন ফটো তুলি বাতৰি কাকত বা টিভিত প্ৰচাৰো কৰিছে পৰিৱেশ নিকাকৰণ বিভিন্ন ধৰণৰ শ্ল'গান দি। কিন্তু পৰিৱেশ দিৱসৰ পিছদিনাৰে পৰা ৰুই থৈ অহা গছপুলিটো ছাগলীয়েই খালে নে গৰুৱেই খালে নে মৰিয়েই গ'ল তাৰ খবৰ কোনেও নাৰাখে। হয়তো প্ৰয়োজনবোধো নকৰে। ফলত বিশ্ব পৰিৱেশ দিৱসৰ দিনা বৰ ধুম-ধামেৰে ৰুই থৈ অহা গছপুলিবোৰৰ পৰৱৰ্তী সময়ত দহ শতাংশও জীয়াই নাথাকে। বছৰৰ ৩৬৫ দিনৰ মাত্ৰ এটা দিনত এটা গছপুলি ৰুই বা লেতেৰা ঠাইৰ এটা লেতেৰা পলিথিন আঁতৰালেই বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য শেষ নহয়। এই বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য সকলোৰে ভালদৰে অনুধাৱন কৰিব পৰা হ'লে উচ্ছেদিত ডলু চাহ বাগিচাত পুনৰ চাহ গছৰ পুলি ৰোপণ কৰি শ্ৰমিকে প্ৰতিবাদ কৰিব লগা নহ'ল হয়। চাৰিলেনযুক্ত পথ নিৰ্মাণৰ নামত কিমান গছ কাটি তহিলং কৰা হ'ল তাৰ হিচাপ নাই। আজি পাহাৰৰ মাটি অনিয়ন্ত্ৰিতভাৱে কাটি ধ্বংস কৰাৰ ফলত, পাহাৰত গছ-গছনি কাটি খাস্তাং কৰাৰ ফলত যি ধৰণৰ পৰিৱেশৰ ওপৰত প্ৰভাৱ পৰিছে, সেই কথা ভাবিলে পৰৱৰ্তী সময়ৰ এখন ভয় লগা প্ৰতিচ্ছবি সন্মুখলৈ আহে। আমাৰ চকুৰ সন্মুখতেই বিভিন্ন জীৱ-জন্তু, চৰাই-চিৰিকটি, মাছ-কাছ, আনকি আপুৰুগীয়া গছ-বিৰিখো ক্ৰমে বিলুপ্তি হ'বলৈ ধৰিছে। প্ৰকৃতিৰ ওপৰত মানুহৰ এনে অবাধ অত্যাচাৰৰ ফলতে আজি আমি নানা ধৰণৰ ৰোগত ভুগিব লগাত পৰিছো। নতুন নতুন বিভিন্ন ৰোগে আমাক নিতৌ খেদি ফুৰিছে। বিশুদ্ধ খোৱাপানীৰ অভাৱ হৈছে। য'তে ত'তে আৱৰ্জনা, পেলনীয়া সামগ্ৰী আদি পেলোৱাৰ ফলত বায়ু প্ৰদূষণ হৈছে। ইয়াৰ ফলতো মানুহ শ্বাস-প্ৰশ্বাসজনিত ৰোগত ভোগাৰ লগতে বিভিন্ন মাৰাত্মক ৰোগৰ প্ৰাদুৰ্ভাৱ হ'বলৈ ধৰিছে। ফলত আটাইতকৈ দুখ লগা কথাটোৱেই হৈছে জীৱ শ্ৰেষ্ঠ বুলি আত্মগৌৰৱত ওফন্দি থকা, প্ৰাকৃতিক সম্পদৰ মোল নুবুজা ক্ৰিয়া-কলাপত জড়িত মানুহৰ বাবেই আজি চালে চকু জুৰোৱা, মন আপ্লুত কৰা সৌন্দৰ্য, বিস্ময়কৰ ধৰাখনৰ অৱস্থা তথৈবচ হৈছে। দিনে দিনে বাঢ়ি অহা জনসংখ্যা, সেউজ বনাঞ্চল বা অৰণ্য ধ্বংস কৰি অহাৰ ফলত পৰিৱেশৰ দ্ৰুতগতিত বিনষ্ট হৈ আহিছে। এই পৰিৱৰ্তনীয় ধ্বংসৰ প্ৰক্ৰিয়া ৰোধ কৰাৰ বাবে ২০০০ চনতে পেৰিচত ৰাষ্ট্ৰসংঘৰ এখন বৈঠকত আবেদন জনোৱা হৈছিল। আৰু এনেদৰে আজি পৰ্যন্ত প্ৰতি বছৰে পৰিৱেশৰ ওপৰত বিভিন্ন আলোচনা কৰি পৰিৱেশ ৰক্ষাৰ ওপৰত বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰি অহা হৈছে যদিও কিন্তু আজি পৰ্যন্ত প্ৰকৃতিৰ ওপৰত ধ্বংস কাৰ্য চলিয়েই আহিছে। হয়তো ভৱিষ্যতলৈও চলি যাব। বছৰৰ এটা দিনত পৰিৱেশ সজাগতা বা সংৰক্ষণৰ ওপৰত সভা-সমিতি পাতি গছপুলি ৰুই কেতিয়াও বায়ু প্ৰদূষণ ৰোধ কৰিব পৰা নাযায় অথবা পৰিৱেশৰো কোনো পৰিৱৰ্তন সম্ভৱ হয়।

এজাক বৰষুণ দিলেই আন চহৰৰ কথা বাদেই দিলো। গুৱাহাটী মহানগৰীখন যেনেদৰে গেলা-পচা বস্তু, প্লাষ্টিক আদি আৱৰ্জনাৰে ভৰি পৰে। নলা-নৰ্দমা, জাবৰ-জোঁথৰৰ ফলত এক কদৰ্যময় ৰূপ লয়। পানী ওলাই যাব নোৱাৰি দিনে দিনে কৃত্ৰিম বানৰ সৃষ্টি হৈ আহিছে। তথাপি আমি এইক্ষেত্ৰত সজাগতা সৃষ্টি কৰিব পৰা নাই বা সজাগ হোৱা নাই। ইয়াৰ আৰু এটা উল্লেখযোগ্য দিশ হ'ল গুৱাহাটীৰ ভিতৰতে থকা বিভিন্ন জলাশয়বোৰ পুতি পেলোৱা হৈছে বিভিন্ন অজুহাতত। গতিকে গুৱাহাটীৰ পৰিৱেশ কদৰ্যময় হোৱাটো একো অস্বাভাৱিক কথা নহয়। তদুপৰি অনিয়ন্ত্ৰিতভাৱে পাহাৰ খনন কৰি আৰু য'তে-ত'তে অ-বিজ্ঞানসন্মতভাৱে তৈয়াৰ কৰা অট্টালিকাসমূহৰ বাবেও পৰিৱেশ প্ৰদূষিত হ'বলৈ ধৰিছে আৰু বায়ুমণ্ডল দূষিত হৈ গৈ আছে। আৰু কিমান দিনলৈ আমি পৰিৱেশ সজাগতাৰ বাবে সভা-সমিতি পাতি থাকিম। বছৰত এটা দিনত এটা গছপুলি ৰুই ফটো উঠাতকৈ নিয়মীয়াভাৱে গছপুলি ৰোৱা, জধে-মধে গছ-গছনি কটাৰ পৰা বিৰত থকা, নতুন নতুন জলাশয় আদি সৃষ্টি কৰা, আৱৰ্জনা মুক্ত কৰা আদি কাৰ্যত নিয়োজিত হ'লেহে আমাৰ পৰিৱেশ দূষিত হোৱাৰ পৰা ৰক্ষা পৰিব। জধে-মধে গছ-গছনি কটাৰ ফলত আজি গোলকীয় উষ্ণতা দিনে দিনে বৃদ্ধি পাবলৈ ধৰিছে। সেয়ে আমি সকলো ধ্বংস কাৰ্যৰ পৰা বিৰত থাকি পৃথিৱীখন সেউজ- সুন্দৰ কৰি গঢ়ি তোলাৰ বাবে যত্ন কৰিবৰ হ'ল। নহ'লে আমি নিজে খন্দা খালত এদিন নিজেই পৰি নিঃশেষ হৈ যাব লাগিব। গছপুলি ৰুলেই নহয়। পুলিটোৰ পৰা এডাল পূৰ্ণাংগ গছলৈ ৰূপান্তৰিত নোহোৱা পৰ্যন্ত আমি সেই পুলিটো সুৰক্ষিত কৰি, প্ৰতিপালন কৰি ৰাখিব লাগিব। নহ'লে অভাৱনীয় হাৰত হ্ৰাস পাই অহা বনাঞ্চলে এক ভয়াৱহ ছবি কঢ়িয়াই আনিছে। বন ধ্বংসৰ ক্ষেত্ৰত দেশৰ ভিতৰতে শীৰ্ষত আছে অসম। ২০০১-২০২০ চনৰ ভিতৰত অসমত ২,৬৯,০০০ হেক্টৰ বনাঞ্চল ধ্বংস হৈছে। ভয়াৱহভাৱে এইদৰে বনাঞ্চলৰ পৰিমাণ হ্ৰাস হৈ অহাৰ কাৰণ হিচাপে চিহ্নিত হৈছে মূলতঃ অবাধ বেদখল, বনাঞ্চলৰ ভূমিত হোৱা অনিয়ন্ত্ৰিত নিৰ্মাণ কাৰ্য, গছ-গছনি কাটি তহিলং কৰা আদি। গছপুলি ৰোপণৰ শ্ল'গান আওৰাই অহাৰ সময়তে ২০ বছৰত অসমত ২,৬৯,০০০ হেক্টৰ বনাঞ্চল ধ্বংস হোৱাটো অতি উদ্বেগজনক বিষয়। মনত ৰাখিব লাগিব যে পৃথিৱীখনৰ গৰাকী আমি নহয়। ইয়াৰ প্ৰকৃত গৰাকী হ'ল প্ৰকৃতি। সেয়ে এখন সুন্দৰ পৃথিৱীৰ সপোন দেখাটো তেতিয়াহে সম্ভৱ হ'ব, যদিহে আমি যিকোনো ত্যাগৰ বিনিময়ত প্ৰকৃতিৰ ধ্বংস যজ্ঞ ৰোধ কৰিব পাৰো। প্ৰকৃতি ৰুষ্ট হ'ব লাগিলে আমাৰ যে কেতিয়াও নিস্তাৰ নাই ই ধুৰূপ। আকৌ ক'লো গছ থাকিলেহে মানুহ থাকিব।

ফোন ঃ ৭৮৯৬১-৩৭২৬৪



## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### মছজিদত শিৱলিংগ বিচাৰিছে কিয় ?

এই প্ৰশ্ন ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ চমুকৈ আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱতৰ। উদাৰতাৰ পৰিচয় দি মন্দিৰ পুনৰুদ্ধাৰ আন্দোলনকাৰীৰ উদ্দেশ্যে আৰ এছ এছপ্ৰধান মোহন ভাগৱতৰ প্ৰশ্ন মছজিদত শিৱলিং বিচাৰিছে কিয় ? মন্দিৰ-মছজিদক লৈ ভাৰতবৰ্ষত চলি থকা বিতৰ্কত এইবাৰ মুখ মেলিলে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভাগৱতে। বৃহস্পতিবাৰে সন্ধিয়া নাগপুৰস্থিত সংঘৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক অনুষ্ঠানত মন্দিৰ পুনৰুদ্ধাৰ আন্দোলনত নামি পৰা হিন্দুত্ববাদী সংগঠনৰ উদ্দেশ্যি মোহন ভাগৱতে কয় যে, ইতিহাস আমি সকলোৱেই জানো, পিছে ঐতিহাসিক ভুলৰ প্ৰতিশোধ জানো এতিয়া লোৱা উচিত ? বিদেশী শক্তি আৰু শত্ৰুবোৰে ভাৰতত আহি আমাৰ বহু মন্দিৰ ধ্বংস কৰিছে এয়া সত্য, কিন্তু তাৰ কাৰণে আজি মুছলমানসকলক কাঠগড়াত থিয় কৰোৱাটো জানো সমীচীন হ'ব ? ভাৰতৰ উগ্ৰ হিন্দুত্ববাদী সোঁপন্থী সংগঠনবোৰে আজি কিছুদিন ধৰি দেশৰ বিভিন্ন মুছলমান স্থাপত্য, বিশেষকৈ মছজিদক লৈ নতুনকৈ বিতৰ্কৰ সূচনা কৰিছে। ইতিমধ্যে বিষয়টো আদালতৰ মজিয়া পাইছেগৈ। যোৱা মাহত বাৰানসীৰ জ্ঞানবাপী মছজিদ আৰু মথুৰাৰ শ্বাহী ঈদগাহ মছজিদৰ বিৰুদ্ধে স্থানীয় আদালতত গোচৰ ৰুজু হৈছিল। বাৰানসীত ৪গৰাকী মহিলাই জ্ঞানবাপী মছজিদৰ চোতালত গৌৰী দেৱীৰ মূৰ্তি পূজা কৰাৰ অনুমতি বিচাৰি আদালতত আৱেদন দাখিল কৰিছে। গোচৰ অনুসৰি হিন্দুত্ববাদী কৰ্মীসকলে দাবী কৰিছে যে, আদালতৰ নিৰ্দেশত এক সমীক্ষাৰ সময়ত শিৱ লিংগ উদ্ধাৰ কৰা হৈছিল। সেয়ে শিৱলিংগ পূজা কৰিবলৈ অনুমতি বিচাৰি আৱেদন জনাইছে। সেই দাবীত কেইবাটাও পৃথক পৃথক গোচৰ ৰুজু হৈছে। আনহাতে, মথুৰাৰ হিন্দুত্ববাদী কৰ্মীসকলে দাবী কৰিছে যে, যি ভূমিত শ্বাহী ঈদগাহ মছজিদ নিৰ্মাণ কৰা হৈছিল সেই ভূমি ভগৱান শ্ৰীকৃষ্ণৰ প্ৰকৃত জন্মস্থান। তাতো পূজা কৰাৰ অনুমতি দিব লাগে বুলিও দাবী জনায়। কেৱল এই দুটা মছজিদেই নহয়, ৰাজস্থানৰ আজমীৰৰ দৰগাহ শ্বৰীফ আৰু দিল্লীৰ কুতুবমিনাৰকো একাংশ তথাকথিত হিন্দুত্ববাদী সংগঠনে হিন্দু মন্দিৰৰ অংশ হিচাপে দাবী কৰিছে। বুধবাৰে এই তালিকাত সংযোজন কৰা হয় লক্ষ্ণৌৰ আন এটা পৱিত্ৰ মছজিদ। অৱশ্যে আৰএছএছৰ সৰ্বোচ্চ নেতা মোহন ভাগৱতে এনে দাবীৰ সৈতে বিতৰ্ক আৰু গোচৰৰ কোনো সম্পৰ্ক নাই বুলি কৈছে। এই আন্দোলন বা পদক্ষেপক সংঘ পৰিয়ালে কেতিয়াও সমৰ্থন নকৰে।

মোহন ভাগৱতে লগতে কয় যে, 'এটা বিশেষ পৰিস্থিতিত আমি অযোধ্যাৰ ৰাম জন্মভূমি আন্দোলনৰ সৈতে জড়িত আছিলো। ২০১৯ চনৰ ৯ নৱেম্বৰত, যিদিনা উচ্চতম ন্যায়ালয়ত অযোধ্যা গোচৰৰ ৰায় ঘোষণা কৰা হৈছিল, সেইদিনা আমি স্পষ্ট কৰি দিছিলো যে, আৰএছএছে আৰু এনে কোনো দাবী বা বিতৰ্কত জড়িত নহ'ব। তেওঁৰ মতে, বাবৰি মছজিদ আৰু ৰাম জন্মভূমি সংক্ৰান্তত আদালতৰ ৰায়টোৱেই শেষ শব্দ। তেওঁ পুনৰাই এই প্ৰশ্ন উত্থাপন কৰি কয় যে, কোনে সংঘাতৰ সৃষ্টি কৰিছে, কিয় প্ৰতিদিনে এটা এটাকৈ সংঘাত সৃষ্টি কৰিছে ? ইছলাম এটা বিদেশী ধৰ্ম হ'ব পাৰে, কিন্তু ভাৰতীয় মুছলমানসকল বিদেশী নহয়। কেইমাহমান পূৰ্বে এক অনুষ্ঠানত ভাগৱতে কৈছিল যে, যিসকলে মুছলমানক হিন্দুস্তান এৰি যাবলৈ মৌখিকভাৱে কৈছিল তেওঁলোক দেশপ্ৰেমিক হিন্দু নহয়। ইফালে, দুদিন পূৰ্বে ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কৈছিল যে, অযোধ্যাত ৰাম জন্মভূমি পুনৰুদ্ধাৰৰ আন্দোলনতহে বিজেপি জড়িত হৈ আছিল, অন্য কোনো মন্দিৰ-মছজিদ বিবাদৰ লগত বিজেপিৰ কোনো সম্পৰ্ক নাই। ইয়াৰ পৰা মোহন ভাগৱতৰ উদাৰতাৰ পৰিচয় প্ৰকাশ পোৱাই নহয় আচলতে এয়া যে, আৰএছএছ তথা বিজেপিৰ মুজ মোদ্দা নহয় তাকো প্ৰতিপন্ন হয়। একাংশ হিংসাকুৰীয়া, ঈৰ্ষাপৰায়ণ কট্টৰপন্থী অতি ধৰ্মান্ধ লোকে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ লগতে সৰ্বধৰ্ম সমন্বয়ৰ দেশ ভাৰতবৰ্ষক বিশ্ব দৰবাৰত কালিমালিপ্ত কৰাৰ এক গভীৰ ষড়যন্ত্ৰ কৰি আছে। আগন্তুক লোকসভা নিৰ্বাচনক ঘেৰি নতুন নতুন বিবাদ সৃষ্টি কৰি দেশৰ গৰিমা, স্বাভিমান ভূ-লুণ্ঠিত কৰাৰ লগতে বিজেপি চৰকাৰখনক বদনামী কৰি নিৰ্বাচনী বৈতৰণী পাৰ হ'ব বিচৰা সাম্প্ৰদায়িক অপশক্তিৰ এয়া এক ৰণকৌশলহে মাথোঁ।—

■ জুলহাছ আলী আহমেদ
ফোন ঃ ৯৭০৬৬-৬৬১৯২

# বিশ্ব পৰিৱেশ দিৱস - কিছু প্ৰাসংগিক চিন্তা

■ হিমাংশু ৰঞ্জন ভূঞা

পাঁচ জুন — সমগ্ৰ বিশ্বই এই বিশেষ দিনটো পৰিৱেশ দিৱস হিচাপে পালন কৰে। আমাৰ ৰাজ্যখনতো প্ৰতি বছৰে ৫ জুন আহে, চৰকাৰী-বেচৰকাৰী পৃষ্ঠপোষতাত অতি জাক জমকতাৰে পৰিৱেশ দিৱসৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। পৰিৱেশ সুৰক্ষাৰ সেই একেবোৰ শ্ল'গান আওৰোৱা হয়। তাৰ পাছত...? প্ৰশ্ন হৈছে, পৰিৱেশ সুৰক্ষাৰ বাবে বছৰৰ এই নিৰ্দিষ্ট দিনটোৱেই পৰ্যাপ্তনে ? আমি পাৰিছোনে সঁচা অৰ্থত পৰিৱেশৰ তিলমানো সুৰক্ষা কৰিব? নে ভয়াৱহভাৱে অৱনমিত হৈ গৈহে আছে আমাৰ পৰিৱেশ? আনৰ কথা বাদ, আমাৰ সকলোৰে ওপজাভূমি এই অসমখন প্ৰাকৃতিক সম্পদৰে পৰিপূৰ্ণ চহকী বুলি আমি গৌৰৱৰ ধ্বজা বহন কৰি আছো। কিন্তু বৰ্তমান পৰিৱেশ-পৰিস্থিতি কি পৰ্যায়লৈ গতি কৰিছে সেয়া নিশ্চয় আকৌ নতুনকৈ ক'ব নালাগে। আমি প্ৰতিজনেই হয়তো মন কৰিছো গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে নামি অহা দুৰ্যোগৰ সমান্তৰালকৈ গছ -গছনিৰ অভাৱৰ বাবে আমাৰ পৰিৱেশৰ চৌদিশে অতি শেহতীয়াভাৱে আহি পৰা পাৰিপাৰ্শ্বিক পৰিৱৰ্তনৰ কথা। কিয় হৈছে- এইবোৰ? এবাৰ কিন্তু সকলোৰে দকৈ অনুধাৱন কৰাৰ সময় আহি পৰিছে।

আমি নিজক নিজে প্ৰশ্ন কৰো আহক— আমি ৰাজ্যখনৰ বা দেশখনৰ প্ৰতিজন সচেতন নাগৰিক আমাৰ পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত কিমান দায়বদ্ধ? ৰাস্তাত সমদল কৰি, আন্দোলন কৰি, অসম বন্ধ দি চৰকাৰক কুকুৰে কাঁইট নোখোৱাকৈ সমালোচনা কৰি পাৰিছো নে গছ কটা বন্ধ কৰিব ? চাৰিলেনযুক্ত পথ নিৰ্মাণ কৰিবলৈ ৰাস্তাৰ কাষৰ গছবোৰ কাটি পেলোৱা হ'ল। ৰাস্তা নিৰ্মাণ হ'ল। কিন্তু পূৰ্বৰ গছবোৰ কাটি পেলোৱাৰ পাছত নতুন ৰাস্তাৰ কাষত কেইটা গছপুলি ৰোপণ কৰা হ'ল— খবৰ ৰাখিছোনে আমি? আন কথা বাদেই দিছো, বিভিন্ন সামাজিক সংগঠন, পৰিৱেশ সংক্ৰান্তীয় অনুষ্ঠান আদিয়ে মাজে-সময়ে বিভিন্ন অঞ্চলত গছপুলি ৰোপণ কৰে। কিন্তু গছপুলিটো ৰোপণ কৰাৰ পাছত পুলিটো কিমান দিনলৈ অক্ষত অৱস্থাত থাকে, আমি এবাৰ ভাবি চাইছোনে? সততে চকুত পৰে, এনে বহু অনুষ্ঠানে কেৱল পুলিটো ৰোপণ কৰিয়েই দায়িত্ব সামৰে। পৰৱৰ্তী সময়ত, তাক প্ৰতিপালন কৰাৰ প্ৰতি যেন উদাসীন হৈ পৰা দেখা যায়। ফলত অতি কম দিনতে এই গছপুলিবোৰ সেই স্থানৰ পৰা নোহোৱা হয় বা প্ৰতিপালনৰ অভাৱত মৰি যায়। গতিকে এইক্ষেত্ৰত সংশ্লিষ্ট সকলো অলপ সচেতন হোৱা দৰকাৰ। পৰিৱেশ প্ৰদূষণ বা অৱক্ষয়ৰ দিশত এক ভয়াৱহ সমস্যাৰূপে দেখা দিছে প্লাষ্টিকজনিত সমস্যাই। আমি সকলোৰে প্লাষ্টিকৰ ভয়াৱহতা সম্পৰ্কে কম বেছি পৰিমাণে জ্ঞাত। চৰকাৰেও মাজে-সময়ে প্লাষ্টিক বৰ্জনৰ বিভিন্ন আইনগত ব্যৱস্থা হাতত লৈ পলিথিনৰ মোনা বা তেনে ধৰণৰ প্লাষ্টিকজাতীয় পেকেট বন্ধ কৰাৰ প্ৰচেষ্টা কৰে যদিও আজিলৈকে কোনো ধৰণৰ সুফল লাভ কৰা নাই। চৰকাৰে বা প্ৰশাসনে জাননী জাৰি কৰাৰ দুদিনমানলৈকে পলিথিনৰ মোনা বজাৰ-সমাৰ, দোকান, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ পৰা নোহোৱা হয় যদিও কিছুদিনৰ পাছতেই পুনৰ সকলোতে সহজলভ্য হৈ পৰা দেখা যায় পলিথিনজাতীয় মোনা। প্ৰশাসনৰ জাননীৰ পাছতে জনসাধাৰণো দুদিন মানৰ বাবে সজাগ হৈ বজাৰ কৰিবলৈ ঘৰৰ পৰা মোনাখন লৈ যায়, কিন্তু দুদিনৰ পাছতে সকলো একেই হৈ পৰে। পলিথিনৰ বিভিন্ন মোনা, চিপ্‌ছৰ পেকেট, গুট্‌খা বা পাণ মছলাৰ প্লাষ্টিকৰ পেকেটবোৰে কিদৰে আমাৰ পৰিৱেশৰ অৱক্ষয়ত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে, সেয়া সকলোৱে জানো, কিন্তু দেখি-শুনিও চকু-কাণ বন্ধ কৰি ৰাখো আমি সচেতনসকলেই। আমাৰ ঘৰ বা ব্যৱসায়িক প্ৰতিষ্ঠানত সমূহত পৰি থকা চিপছ বা গুট্‌খাৰ



পেকেটবোৰ জ্বলাই ধ্বংস কৰাৰ পৰিৱৰ্তে সেইবোৰ আমি পথৰ কাষৰ নলা-নৰ্দমালৈ প্ৰতিদিনে ঠেলি দিওঁ। তাৰ পৰিণতিত আমিয়েই সন্মুখীন হ'বলগীয়া হয় কৃত্ৰিম বানৰ দৰে আহুকলীয়া পৰিস্থিতিৰ। তদুপৰি সেই প্লাষ্টিকৰ বেগ বা পলিথিনবোৰ বছৰৰ পাছত বছৰ গেলি-পচি মাটিৰ সৈতে মিহলি হৈ নাযায় আৰু সেইবোৰে ক্ৰমান্বয়ে মাটিৰ উৰ্বৰাশক্তি বিনাশ কৰে। এই সকলোবোৰ দিশৰ কথাই আমি প্ৰতিজনে জানো, বুজি পাওঁ, কিন্তু পলিথিন বৰ্জনৰ ক্ষেত্ৰত উদাসীন হৈ থাকো। তদুপৰি বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণ, বিভিন্ন উদ্যোগ, কল-কাৰখানাৰ বৰ্জিত আৱৰ্জনা আৰু সেইবোৰৰ বিষাক্ত দ্ৰব্যই আমাৰ পৰিৱেশৰ কিছুমান জীৱ-জন্তু, পশু-পক্ষীৰ জীৱনলৈ চৰম বিপদ কঢ়িয়াই আনিছে। আজি মোবাইল, ইণ্টাৰনেটৰ বহুল প্ৰচাৰ-প্ৰসাৰে মানুহৰ জীৱন সমৃদ্ধ কৰিছে সঁচা কিন্তু ইয়াৰ বাবে ঠায়ে ঠায়ে নিৰ্মাণ কৰা টাৱাৰসমূহৰ পৰা অহৰহ নিৰ্গত হাই ৰেডিয়েচনৰ নেটৱৰ্কৰ বাবেই বহু গছ-গছনিত ফল নধৰা হোৱা বা বহু প্ৰজাতিৰ চৰাই-চিৰিকটি বিলুপ্তিৰ গৰাহলৈ যোৱা কথাবোৰ সম্প্ৰতি বিভিন্ন মহলত চৰ্চিত হৈছে। মন কৰিলে দেখা পাব, আগতে পুৰা-গধূলি আমাৰ গ্ৰামাঞ্চলসমূহত দেখা পোৱা ভালেমান চৰাই এতিয়া নোহোৱাৰ দৰেই হৈছে। বিশেষকৈ শেন, শগুণ, কাউৰী, ঘৰচিৰিকা আদি চৰাইবোৰ আজি কিছু বছৰ আগলৈকে অসমৰ প্ৰায় প্ৰতিটো অঞ্চলতে প্ৰচুৰ পৰিমাণে আছিল। কিন্তু যোৱা কেইটামান বছৰৰ পৰা এইসমূহ চৰাই কমি গ'ল, বহু ঠাইত দেখিবলৈকে নোহোৱাৰ দৰে হ'ল।— এইবোৰ একো-একোটা সৰু-সুৰা উদাহৰণহে মাত্ৰ। পৰিৱেশজনিত সমস্যা সৃষ্টি কৰা বিভিন্ন কাৰক বা উপাদানবোৰৰ ক্ষেত্ৰত আমি সচেতন হোৱাৰ পৰিৱৰ্তে নীৰৱ দৰ্শকৰ ভূমিকাতহে অৱতীৰ্ণ হৈ আহিছো। ফলত ক্ৰমশঃ পৃথিৱীখনৰ পাৰিপাৰ্শ্বিক অৱক্ষয়ে আজি এক ভয়াৱহ ৰূপ ধাৰণ কৰি প্ৰতিটো জীৱলৈ চৰম সংকট কঢ়িয়াই আনিছে। সমাজৰ প্ৰতিগৰাকী ব্যক্তি নিজৰ চৌপাশৰ পৰিৱেশৰ প্ৰতিটো উপাদান সম্পৰ্কে যদি সময় থাকোতেই সচেতন আৰু সজাগ নহয়, তেন্তে অতি কম দিনতে পৰিস্থিতি ভয়াৱহ হৈ পৰিব।

আজি পৰিৱেশ সংক্ৰান্তীয় সজাগতাৰ বাবে অতীৱ প্ৰয়োজনীয় এটা দিশ হৈছে, আমি প্ৰতিগৰাকীয়েই নিজৰ নিজৰ সন্তানসকলক আমাৰ চৌপাশৰ বিনন্দীয়া পৃথিৱীখনৰ সৈতে চিনাকি কৰাই দিয়াৰ উপৰি পৰিৱেশৰ প্ৰত্যেকটো উপাদান সম্পৰ্কত তেওঁলোকক যথাযথ জ্ঞান প্ৰদান কৰা। অকণমান ভাবি চাওঁ আহকচোন, আমি নিজৰ সন্তানক পাঠ্যপুথি আৰু বন্ধ কোঠালিৰ পঢ়া মেজৰ কাষৰ পৰা নতুবা মোবাইলৰ ৰঙীণ পৃথিৱীখনৰ পৰা আঁতৰাই খন্তেক পৰিৱেশৰ সৈতে সহবাস কৰিবলৈ দিছো জানো? বতৰৰ ফলমূল, নিজৰ বাৰীৰ ঢাপৰ গছকেইজোপাৰ সৈতে কাহানিবা পৰিচয় কৰাই দিছোনে? পুৰা কিচিৰ মিচিৰ শব্দৰে ঘৰৰ চোতালত পৰি থকা চৰাইকেইটা চিনাকি কৰাই দিছোনে? গঁড় হত্যা কি? বা কোনে কৰে- কেইজন উঠি অহা ছাত্ৰ-ছাত্ৰীয়ে জানে সেয়াও সন্দেহৰ আৱৰ্তত। এইবোৰ সৰু সৰু দুটামান উদাহৰণহে। মুঠতে আমি যিমানেই যি নকওঁ, যিদিনালৈকে আমি নিজে সচেতন নহওঁ, আমাৰ অনুজসকলক, উঠি অহা চামক পৰিৱেশৰ সৈতে ব্যৱহাৰিকভাৱে সহবাস কৰিবলৈ দি পৰিৱেশৰ জ্ঞান দিব নোৱাৰো, প্ৰতিগৰাকী মানুহ আন্তৰিকভাৱে পৰিৱেশৰ সৈতে একাত্ম হ'ব নোৱাৰো, তেতিয়ালৈকে পৰিৱেশ সুৰক্ষা কেৱল কাগজে- কলমেহে হৈ থাকিব । আহক, আজিৰ দিনটোত সংকল্পবদ্ধ হওঁ— কোনোবাই কৰে বা নকৰে নালাগে আমি প্ৰতিগৰাকী সচেতন নাগৰিক মনে-প্ৰাণে সজাগ আৰু দায়বদ্ধ হওঁ- আমাৰ চৌপাশৰ পৰিৱেশ, প্ৰাকৃতিক তথা প্ৰতিটো বনজ সম্পদ সুৰক্ষিত কৰি ৰখাৰ । যিমান সম্ভৱ অন্ততঃ নিজা উদ্যোগত সঘনাই নিজৰ ঘৰত, চুবুৰিত, গাঁৱত পৰিৱেশ নিকাকৰণৰ ব্যৱস্থা কৰাৰ। তদুপৰি নিজৰ সন্তানক প্ৰকৃতিৰ সৈতে, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ সৈতে যিমান পাৰি একাত্ম হোৱাৰ সুযোগ দিয়াৰ। সিহঁতবোৰৰ সৈতে আমি মানুহেনো কি দৰে সংলগ্ন হৈ থাকো তাক ব্যৱহাৰিক আৰু যথাযথভাৱে শিকোৱা। আজি সিহঁতে সেই জ্ঞান সৰু অৱস্থাতে আহৰণ কৰি ল'লেহে কাইলৈ নিজে দায়বদ্ধ আৰু সচেতন হ'ব পাৰিব। আকৌ কাইলৈ এই জীৱ-জন্তু, চৰাই থাকিলেহে আপোনাৰ-মোৰ সন্তানসকলো থাকিব । কাৰণ আমি সৰুৰে পৰাই পাই আহিছো প্ৰকৃতিৰ প্ৰতিটো জীৱ জীৱন ধাৰণৰ বাবে পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল।

নিজৰ সন্তানৰ জন্মদিনত আন নকৰিলেও তেওঁৰ নিজৰ হাতেৰে ঘৰতে হওক, বিদ্যালয়তে হওক বা আন কোনো ৰাজহুৱা স্থানতে হওক এডালকৈ ভাল গছৰ পুলি ৰোপণ কৰোৱাৰ ব্যৱস্থা কৰকচোন। গছপুলি ৰোপণৰ দৰে মহৎ কাৰ্য সমাপন কৰি তেওঁৰ মনত গছৰ প্ৰতি, প্ৰকৃতিৰ প্ৰতি আগ্ৰহ আৰু দায়বদ্ধতাৰ মনোভাব শিশু অৱস্থাৰ পৰাই জাগ্ৰত কৰাৰ চেষ্টা কৰক। এনেদৰে যদি প্ৰকৃতিৰ প্ৰতি গছ-গছনি, জীৱ-জন্তুৰ প্ৰতি আমি নিজক আৰু আমাৰ সন্তানসকলক সৰুৰ পৰা দায়বদ্ধ কৰি তুলিব পাৰো, অনাগত দিনত প্ৰাকৃতিক সম্পদ, বনজ সম্পদ আৰু প্ৰাকৃতিক ভাৰসাম্য কিছু হ'লেও ৰক্ষা পৰিব বুলি আশা কৰিব পাৰি। পুনৰ সকলোলৈকে আহ্বান— আহক আজিৰ দিনটোত অন্ততঃ আমি মানসিকভাৱে প্ৰস্তুত হওঁ, সংকল্প লওঁ, ভৱিষ্যৎ প্ৰজন্মৰ স্বাৰ্থত আমাৰ চৌপাশৰ বিনন্দীয়া পৰিৱেশ আৰু গছ-গছনি, জীৱ-জন্তু সুৰক্ষিত কৰাৰ। তেতিয়াহে পৰিৱেশ দিৱস উদ্‌যাপনৰ সাৰ্থকতা থাকিব।

# মুঠ এক লাখ চাকৰিত এক লাখ নিবনুৱাই নিযুক্তি পোৱাটো সম্ভৱ নে ?

■ পিংকু ডেকা

বৰ্তমান সময়ৰ ৰাজ্য চৰকাৰে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি মৰ্মে ৰাজ্যখনৰ শিক্ষিত নিবনুৱাসকলৰ বাবে মুঠ এক লাখ চৰকাৰী চাকৰি প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰি ইতিমধ্যে কেইবা হাজাৰৰো অধিক শিক্ষিত নিবনুৱাক মেধাৰ ভিত্তিত অসমৰ বিভিন্ন বিভাগসমূহত নিযুক্তি প্ৰদান কৰিছে। এই নিযুক্তি পোৱা প্ৰাৰ্থীসকলৰ ভিতৰত প্ৰায়খিনিয়েই টে'ট উত্তীৰ্ণ প্ৰাৰ্থীৰ যি নেকি শিক্ষকতা পদত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বাহিৰেও অন্যান্য বিভাগ যেনে— গৃহ বিভাগৰ অন্তৰ্গত পুলিচ কনিষ্টবল তথা সমপৰ্যায়ৰ আন আন পদসমূহতো ইতিমধ্যে নিযুক্তি প্ৰদান কৰিছে। আকৌ স্বাস্থ্য বিভাগৰ কিছু কিছু পদতো ইতিমধ্যে নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ সক্ষম হৈছে। এইদৰে ৰাজ্যৰ বিভিন্ন বিভাগত মুঠ এক লাখ চাকৰিৰ ভিতৰত মোটামুটিকৈ তিনি ভাগৰ এক অংশ চাকৰিত ইতিমধ্যে ৰাজ্যৰ শিক্ষিত নিবনুৱাক নিয়োগ কৰিবলৈ সক্ষম হৈছে। এইদৰে আংশিক আংশিকভাৱে আৰু দুটা বা তিনিটা মোটা নিযুক্তিৰ জৰিয়তে হয়তো চৰকাৰে এক লাখ চাকৰি নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰসৰ হ'ব। কিন্তু এনেকৈ আংশিকভাৱে বা কিস্তি কিস্তিকৈ মুঠ এক লাখ চাকৰিত মুঠ এক লাখ শিক্ষিত নিবনুৱাক প্ৰকৃত অৰ্থত সংস্থাপন কৰাটো সম্ভৱপৰ হ'ব নে? ইয়াৰ উত্তৰ— অসম্ভৱ। মুঠ এক লাখ চাকৰি এইদৰে তিনিটা-চাৰিটা অংশত ভাগ কৰি এনেকৈ আংশিকভাৱে বা কিস্তি হিচাপে মুঠ এক লাখ নিবনুৱাক সংস্থাপন কৰাটো অসম্ভৱ। কিয়নো- মুঠ এক লাখ চাকৰিৰ প্ৰথম অংশত বা প্ৰথম কিস্তিত নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলেই আকৌ দ্বিতীয় অংশ বা দ্বিতীয় কিস্তিৰ চাকৰিৰ বাবে অনুষ্ঠিত নিযুক্তিৰ পৰীক্ষাসমূহত অৱতীৰ্ণ তথা উত্তীৰ্ণ হৈ পুনঃ নিযুক্তি লাভ কৰিবলৈ সক্ষম হ'ব। এইদৰে আকৌ তৃতীয় অংশ বা তৃতীয় কিস্তিৰ চাকৰি নিযুক্তিৰ বাবে অনুষ্ঠিত পৰীক্ষাসমূহত প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত ইতিমধ্যে নিযুক্তি লাভ কৰি থকা বহু প্ৰাৰ্থীয়ে নিশ্চিতভাৱে অৱতীৰ্ণ তথা উত্তীৰ্ণ হ'বলৈ সক্ষম হ'ব আৰু এই নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ হৈ আকৌ পুনঃ নিযুক্তি পাবলৈ সক্ষম হ'ব। এইদৰে চাকৰি কৰি থকা একো একোজন প্ৰাৰ্থীয়েই বিভিন্ন সময়ত এই এক লাখ চাকৰিৰ বাবে অনুষ্ঠিত বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ তথা উত্তীৰ্ণ হৈ বাৰে বাৰে নিযুক্তি লাভ কৰিবলৈ সক্ষম হ'ব আৰু যাৰ জৰিয়তে চাকৰি পোৱা প্ৰাৰ্থীসকলেই বিভিন্ন বিভাগৰ চাকৰিৰ সোৱাদ লাভ কৰি চাকৰি সলাই সলাই ঘূৰি ফুৰিব আৰু প্ৰকৃত নিবনুৱাক নিযুক্তিৰ পৰা দূৰত ৰাখিব। আকৌ এই এক লাখ চাকৰিৰেই অন্তৰ্গত ইতিমধ্যে নিযুক্তি পোৱা বহুতো প্ৰাৰ্থীয়ে সমপৰ্যায়ৰ অন্য বিভাগৰ নিযুক্তিৰ পৰীক্ষাত পুনঃ অৱতীৰ্ণ তথা উত্তীৰ্ণ হৈ মেৰিত লিষ্টত নাম অহাৰ পিছত সেই চাকৰিত যোগদান নকৰা বহুতো উদাহৰণ বিভিন্ন সময়ত আমি নিজেই দেখি আহিছো। ইয়াৰ জৰিয়তে ৰাজ্যৰ একো একোজন নিবনুৱাৰ পেটত থিয় গুৰি মৰাৰ নিচিনা নহয় নে বাৰু ? এইক্ষেত্ৰত আমাৰ আত্মবিশ্লেষণ প্ৰয়োজনীয়তা হয়তো নুই কৰিব নোৱাৰি। আকৌ অলপতে অসম আৰক্ষীৰ কনিষ্টবল পদত মুঠ 6,662 জন, APRO পদত 813 জন, Fire and emergenchy ত 788 জন ,Gurdsman ত 754 জন,Sub inspector communication (APRO)ত 83জন আৰু Platoon commanderত 40জন প্ৰাৰ্থীয়ে ইতিমধ্যে নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। এইসকল নিযুক্তিপ্ৰাপ্তৰ বেছিখিনি প্ৰাৰ্থীয়েই আকৌ 626টা এছ আই পদৰ বাবেও লিখিত পৰীক্ষাত অৱতীৰ্ণ হৈছে। যদি এইসকল প্ৰাৰ্থীয়ে আকৌ এই এছ আই পদত উত্তীৰ্ণ হয় তেনেহ'লে তেওঁলোকে সদ্যনিযুক্ত পদসমূহ এৰি এই এছ আই পদত পুনঃ নিযুক্তি লাভ কৰিব। এইদৰে এক লাখ চাকৰিৰ অন্তৰ্ভুক্ত ইতিমধ্যে নিযুক্তিপ্ৰাপ্ত একাংশ প্ৰাৰ্থীয়ে বিভিন্ন বিভাগৰ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ তথা উত্তীৰ্ণ হৈ বাৰে বাৰে নিযুক্তি লাভ কৰি একাংশ নিবনুৱা প্ৰাৰ্থীৰ বাবে চাপ সৃষ্টি কৰি আহিব আৰু যাৰ বাবেই চাকৰি পোৱা প্ৰাৰ্থীখিনিৰ ভিতৰতেই চাকৰি পাই থাকি অন্য নিবনুৱাক এক লাখ চাকৰিত অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিব। যাৰ বাবে মুঠ এক লাখ চাকৰিত মুঠ এক লাখ নিবনুৱাৰ যে সংস্থাপন নাপাব সেইতো খাটাং হৈ পৰিব। সেয়েহে মুখ্যমন্ত্ৰী মহোদয়ে এই গোটেই বিষয়টো হস্তক্ষেপ কৰি তাৎক্ষণিকভাৱে এক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে, লগতে এই নিযুক্তি ব্যৱস্থাত মেধাৰ দ্বিতীয় এখন তালিকাৰ প্ৰয়োজনীয়তাৰ বিষয়েও কিছু চিন্তা চৰ্চা কৰিব লাগে।

ফোন ঃ ৬০০১৯-৩৫৩২৮

# ৰাজ্যৰ ভিন্ন প্ৰান্তত বিশ্ব পৰিৱেশ দিৱস পালন

## বুৰুঙ্গা বাজাৰ হাইস্কুলত আমছুৰ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ৬ জুন ঃ** পাঁচ জুন অৰ্থাৎ বিশ্ব পৰিৱেশ দিৱসৰ দিনাখন 'সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন' চমুকৈ আমছুৰ হোজাই জিলা সমিতিৰ নিৰ্দেশ অনুসৰি বুৰুঙ্গাতলী আঞ্চলিক আমছু সমিতিয়ে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। বুৰুঙ্গাতলী আঞ্চলিক আমছুৰ সভাপতি নুৰ আহমেদৰ নেতৃত্বত অনুষ্ঠুপীয়াকৈ আয়োজন কৰা গছপুলি ৰোপণ কাৰ্যসূচীত উপস্থিত থাকে হোজাই জিলা আমছু সমিতিৰ সক্ৰিয় সদস্য ইমদাদুৰ ৰহমানৰ লগতে আঞ্চলিক আমছুৰ বহু বিষয়ববীয়া। বুৰুঙ্গা বাজাৰ হাইস্কুলত অনুষ্ঠিত আমছুৰ উক্ত কাৰ্যসূচীত সংগ দিয়ে স্কুলখনৰ শিক্ষকসকলৰ সমানে বিদ্যালয়খনৰ নৱ-গঠিত ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াই। উল্লেখ্য যে, 'Only One Earth' নামকৰণেৰে এইবাৰ আয়োজিত হোৱা বিশ্ব পৰিৱেশ দিৱসত চৰকাৰী নীতি-নিয়ম মানি দিনজোৰা কাৰ্যসূচীৰে বুৰুঙ্গা বাজাৰ হাইস্কুলত শিক্ষক আৰু শিক্ষাৰ্থীৰ উপস্থিতিত বিশ্ব পৰিৱেশ দিৱস পালন কৰা পৰিলক্ষিত হৈছে। ইপিনে বুৰুঙ্গা বাজাৰ হাইস্কুলৰ অধ্যক্ষই বিশ্ব পৰিৱেশ দিৱস সন্দৰ্ভত দীঘলীয়া ভাষণ প্ৰদান কৰে। তদুপৰি বুৰুঙ্গাতলী আঞ্চলিক আমছুৰ সভাপতিয়ে আঁত ধৰি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি কয় যে গোলকীয় উষ্ণতা বৃদ্ধি, উদ্যোগীকৰণৰ ফলত হোৱা বায়ু প্ৰদূষণৰ লগতে জনসংখ্যা বৃদ্ধিৰ বাবে জীৱকুলে ব্যাপক হাৰত গছ-গছনি ধ্বংস কাৰ্য অবাধে চলাইছে যাৰ ফলত প্ৰদূষণকে ধৰি অক্সিজেনৰ নাটনি হৈছে। ইতিমধ্যে ক'ভিড-১৯-এ বিশ্বত ভয়ংকৰ ৰূপ লোৱাৰ সময়ত অক্সিজেনৰ অভাৱৰ বাবে জীৱকুলে মৃত্যুক সাবটি ল'বলগীয়া হৈছিল। বায়ু প্ৰদূষণ ৰোধ কৰাৰ লগতে গছ-গছনি ধ্বংস ৰোধ কৰি সুস্থ পৰিৱেশ অক্ষুণ্ণ ৰাখিবলৈ ভাষণ প্ৰসংগত আঞ্চলিক আমছুৰ সভাপতি নুৰ আহমেদে কয়। খবৰ অনুসৰি, বুৰুঙ্গাতলী আঞ্চলিক আমছুৱে পূৰ্বতে সমাজ সচেতন কৰি তোলাৰ উপৰি অঞ্চলটোৰ শৈক্ষিক দিশত গুৰুত্ব দি কাম কৰি গৈছে। আমছু কৰ্মকৰ্তাৰ এনে কামে অঞ্চলটোৰ ৰাইজৰ পৰা প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে।





## লাহৰীঘাট দাৰুল উলুম ইছলামীয়া মাদ্ৰাছাত গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৬ জুন ঃ** কালি ৪৯সংখ্যক বিশ্ব পৰিৱেশ দিৱস আছিল। ১৯৭৩ চনৰে পৰা বিশ্ব পৰিৱেশ দিৱসৰূপে পালন কৰি আহিছে। মানুহৰ জীৱনত সেউজ আৰু স্বাস্থ্যসন্মত পৰিৱেশৰ গুৰুত্ব সম্পৰ্কত বিশ্ব জুৰি সজাগতা সৃষ্টিয়ে এই দিৱসৰ মূল লক্ষ্য। তাৰ লগত সংগতি ৰাখি আজি মৰিগাঁও জিলাৰ লাহৰীঘাট ইছলামিয়া মাদ্ৰাছাতো ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মৌলানা ফকৰ উদ্দিন, সহঃ শিক্ষক হাফিজ ইনামূল হক আৰু ছাত্ৰসকলে মাদ্ৰাছাৰ চৌহদত গছপুলি ৰোপণ কৰে। কথাতে কয়, এডাল গছ কাটিলে দহডাল গছ ৰুব লাগে।



## ভোগডাঙা গাঁৱত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৬ জুন ঃ** ওম প্ৰকাশ টোডী স্মৃতি উদ্‌যাপন সমিতিৰ উদ্যোগত আজি ধুবুৰী জিলাৰ সীমান্তৱৰ্তী বাংলাদেশৰ অভ্যন্তৰত থকা ভোগডাঙা গাঁৱত আজি গছপুলি ৰোপণ কাৰ্যসূচীৰ মাজেৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। ধুবুৰীৰ পৰা ৪০ কিলোমিটাৰ দূৰত্বত থকা ভোগডাঙা এল পি স্কুল প্ৰাংগণত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ওমপ্ৰকাশ টোডী স্মৃতি উদ্‌যাপন সমিতিৰ সভাপতি প্ৰতীম নিয়োগীয়ে গছপুলি ৰোপণ কাৰ্যসূচীৰ মাজেৰে বিশ্ব পৰিৱেশ দিৱসৰ শুভাৰম্ভ কৰে। প্ৰতিকুল বতৰৰ মাজেৰে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে, লায়নছ ক্লাবৰ সভাপতি সঞ্জয় শেঠীয়া, বিশিষ্ট সমাজকৰ্মী বিনয় ভট্টাচাৰ্য, জ্যেষ্ঠ সাংবাদিক, প্ৰণৱাশিস ৰয়, সাংবাদিক জ্যোতিৰ্ময় চক্ৰৱৰ্তী, সমিতিৰ সম্পাদক ৰবীন্দ্ৰ কুমাৰ টোডী, আৰক্ষী বিষয়া শ্বাহ আলম আজাদ, সীমান্ত সুৰক্ষা বাহিনীৰ সদস্য আৰু গাঁৱৰ ৰাইজসকল। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অনুষ্ঠিত সভাত, ৰাইজক গছ-গছনিৰ সম্পৰ্কে আৰু ইয়াৰ উপকাৰিতা সম্পৰ্কে বহলভাৱে গাঁওবাসীৰ সন্মুখত ব্যাখ্যা কৰে। প্ৰত্যন্ত ভিতৰুৱা এই ধৰণৰ গছপুলি ৰোপণ কাৰ্যসূচী গাঁৱৰ ৰাইজ প্ৰচণ্ড বৰষুণৰ মাজত আহি অংশগ্ৰহণ কৰে।

## মাজবাটত শিশুভিত্তিক স্বেচ্ছাসেৱী অনুষ্ঠান 'প্ৰেৰণা'ৰ উদ্যোগত পৰিৱেশ নিকাকৰণ-গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ৬ জুন ঃ** শিশুৰ শাৰীৰিক-মানসিক আধ্যাত্মিক আৰু সৰ্বাংগীণ বিকাশ সাধনাৰ উদ্দেশ্যে ২০০০ চনৰ ৩ ছেপ্টেম্বৰত ওদালগুৰি জিলাৰ মাজবাটত শিশুভিত্তিক স্বেচ্ছাসেৱী অনুষ্ঠান 'প্ৰেৰণা' নামেৰে এটি স্বেচ্ছাসেৱী অনুষ্ঠান মাজবাটস্থিত কেইগৰাকীমান ব্যক্তিৰ প্ৰচেষ্টাত জন্ম হৈছিল ।'প্ৰেৰণা'ৰ জন্মলগ্নৰে পৰা শিশুসকলৰ লগত জড়িত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি অহাৰ লগতে ৫ জুন তাৰিখে সমগ্ৰ ৰাজ্যৰ লগতে মাজবাটতো বিশ্ব পৰিৱেশ দিৱস পালন কৰি আহিছে ।শিশুভিত্তিক স্বেচ্ছাসেৱী অনুষ্ঠান 'প্ৰেৰণা'ৰ উদ্যোগত ৫ জুন তাৰিখে মাজবাটস্থিত মহিলাপাৰা আদৰ্শ চিকিৎসালয়ত পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপণ কৰা হয়। স্বেচ্ছাসেৱী অনুষ্ঠান 'প্ৰেৰণা'ৰ সম্পাদক দীপক মেধিয়ে আঁত ধৰা উক্ত কাৰ্যসূচীত গছ পুলি ৰোপণৰ শুভাৰম্ভ কৰে চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক হেমন্ত চৌধুৰী আৰু বিপিএম পংকজ কুমাৰ সভাপণ্ডিতে। ইয়াৰ পিছতে স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰেৰণাৰ সভাপতি মুনীন্দ্ৰ কলিতা, উপদেষ্টা অৰবিন্দ ডেকা, নিৰ্মল নাথ, জ্যোতিষ কলিতা, বাপন ৰাভা, ৰামকৰণ গোড়, লোকেন্দ্ৰ নাৰায়ণ শৰ্মা, সদস্য দ্বিপেন বৰা, যতীন নাথ, পৰেশ বৰ্মন, পংকজ লহকৰ, দিলীপ উপাধ্যায়, নৰেন আইমা, সহকাৰী সম্পাদক দিব্যজ্যোতি চুণ্ডি আৰু সাংবাদিক যতীন নাথৰ লগতে কেইবাগৰাকী স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰেৰণাৰ সদস্য আৰু শুভাকাংক্ষী চিকিৎসালয়ৰ চৌহদত বিভিন্ন ধৰণৰ ফুল গছ আৰু মহানিম, এজাৰ, আমলখি, বকুল, ৰাধাচূড়া, কৃষ্ণচূড়া আদিৰ লগতে বিভিন্ন বতৰৰ ফলৰ পুলি ৰোপণ কৰে।




## কৰৈয়নী প্ৰাঃ বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ৬ জুন ঃ** গোলাঘাট জিলাৰ ৰঙমাটিৰ সমীপৱৰ্তী কৰৈয়নী প্ৰাথমিক বিদ্যালয়ত ব্যতিক্ৰমভাৱে উদ্‌যাপন কৰা হ'ল বিশ্ব পৰিৱেশ দিৱস। গাঁওখনৰ আইতাসকলে ৰোপণ কৰিছে গছপুলি। আইতাসকলক ছাত্ৰ-ছাত্ৰীসকলে প্ৰদান কৰিছে মূল্যৱান গছপুলিকে ধৰি বিশেষ উপহাৰ। তদুপৰি পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰকাশ কৰা হৈছে তিনিখনকৈ প্ৰাচীৰ পত্ৰিকা। ২০২২ বৰ্ষৰ বিশ্ব পৰিৱেশ দিৱসৰ বাণী 'এখনেই মাত্ৰ পৃথিৱী'ক লৈ অলংকৰণ কৰা হৈছে প্ৰাচীৰ পত্ৰিকাকেইখন। কণ কণ ছাত্ৰ-ছাত্ৰীৰ হাতৰ চাপ দি, পৰিৱেশ সজাগতামূলক বিভিন্ন চিত্ৰ, শ্ল'গান সুন্দৰ ৰূপত উপস্থাপন কৰিছে প্ৰাচীৰ পত্ৰিকাখনত। তদুপৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকসকলৰ সহযোগত প্ৰস্তুত কৰিছে পৰিৱেশ সম্পৰ্কীয় বিভিন্ন প্ৰকল্প। শিক্ষক-শিক্ষাৰ্থীয়ে পৰিৱেশন কৰিছে পৰিৱেশ সম্পৰ্কীয় সমৱেত সংগীতো। বিদ্যালয়খনৰ লগত জড়িত স্থানীয় ৰাইজ, মাতৃগোট, পৰিচালনা সমিতিৰ উপস্থিতিত অনুষ্ঠিত কৰা বিশ্ব পৰিৱেশ দিৱসক লৈ আনন্দিত ছাত্ৰ-ছাত্ৰীসকল।



## গোৱালপাৰা ৰম্ভুদাৰাত মিছন বিৰুবালাৰ মুখ্য কাৰ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৬ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি গোৱালপাৰা জিলাৰ ৰম্ভুদাৰাস্থ মিছন বিৰুবালাৰ মুখ্য কাৰ্যালয়ত বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱস। কাৰ্যসূচীৰ পাতনিতে পদ্মশ্ৰী ড° বিৰুবালা ৰাভাই গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অন্ধ বিশ্বাস, কু-সংস্কাৰ আৰু সামাজিক ন্যায়ৰ ওপৰত যুদ্ধ ঘোষণা কৰা সামাজিক সংস্থা 'মিছন বীৰুবালা'ৰ ক'ৰ কমিটীৰ লগতে ৰম্ভুদাৰা অঞ্চলটোৰ মহিলা সমিতিকে ধৰি কিছুসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰে এই কাৰ্যসূচীত। দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, 'গছ থাকিলেহে মানুহ থাকিব' শীৰ্ষক আলোচনা-চক্ৰ, আকস্মিক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে হেলেন ৰাভা বসুমতাৰী, উপদেষ্টা মিছন বিৰুবালা, দিনেশ দাস, উপ-সভাপতি মামণি শইকীয়া, সম্পাদক মুকুত ৰাভা পাম, সহঃ সম্পাদক ক্ৰমে- অঞ্জলি হাজং, ইন্দিৰা ব্ৰহ্ম, কণিকা ৰাভা, বিত্ত সম্পাদক মৃদুল ৰাভা, প্ৰচাৰ সম্পাদিকা অনামিকা বৰুৱা, সদস্য-সদস্যাসকল ৰম্ভুদ্বাৰা গাঁৱৰ পুৰুষ-মহিলা আৰু ছাত্ৰ-ছাত্ৰীসকলে।

## ওদালগুৰিত বিভিন্ন দল-সংগঠনৰ বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৬ জুন ঃ** ৫ জুনত জিলা আইনী সেৱা প্ৰাধিকৰণ, ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটী, ওদালগুৰি জিলা শাখা আৰু এম আৰ এছ ডি এন জি অ'ৰ উদ্যোগত আৰু খাগ্ৰাবাৰী ৰাইজৰ সহযোগত বিশ্ব পৰিৱেশ দিৱসটি খাগ্ৰাবাৰী গাঁৱত পালন কৰা হয়। এই উপলক্ষে খাগ্ৰাবাৰীত নতুনকৈ নিৰ্মাণ কৰা দলংখনৰ দুয়ো ফালে ১০০ ডাল গছপুলি ৰোপণ কৰাৰ লগতে বেৰ দিয়া হয়। ৰেড ক্ৰছ জিলা শাখাৰ সম্পাদক মিলন দাসে পৰিচালনা কৰা অনুষ্ঠান এজোপা গছপুলি ৰুই শুভ উদ্বোধন কৰে খাগ্ৰাবাৰী গাঁৱৰ সভাপতি কলেন ডেকাই। অনুষ্ঠানটোত ভাৰত চৰকাৰৰ অন্তৰ্গত নেহৰু যুৱ কেন্দ্ৰ ওদালগুৰিৰ সদস্য, খাগ্ৰাবাৰীৰ যুৱ নেতা ৰাজু ডেকাৰ লগতে গাঁৱৰ ৰাইজ উপস্থিত আছিল। ইপিনে ভাৰতীয় ৰেড ক্ৰছ ছ'চাইটী, ওদালগুৰি জিলা শাখাই বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কাৰ্যসূচী বাটাবাৰী, ওদালগুৰিত ৰূপায়ণ কৰে। জিলা শাখাৰ সভাপতি ডালিম বায়নৰ উদ্যোগত আৰু সদস্যসকলৰ সহযোগত ৰাওনাগড় বেপ্তিষ্ট চাৰ্চ, অম্বাগাঁও কেথলিক মিছন, বাতাবাৰী জিলা পালনাম থান আৰু শংকৰদেৱ জাতীয় বিদ্যালয় বাতাবাৰীত গছপুলি ৰোপণ কৰা হয়।




## পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৬ জুন ঃ** ৫ জুন ২০২২ বিশ্ব পৰিৱেশ দিৱস। সেই উপলক্ষে ৫ জুনত ওদালগুৰি জিলাৰ পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ত চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলে বিশ্ব পৰিৱেশ দিৱস বা গছপুলি ৰোপণ কাৰ্যসূচী পালন কৰে। প্ৰতিগৰাকীয়ে এজোপাকৈ গছপুলি ৰোপণ কৰা দেখিবলৈ পোৱা যায়। গছ থাকিলেহে মানুহ থাকিব, জীৱ- জন্তু জীয়াই থাকিব। পৃথিৱীখনক সেউজীয়া কৰি ৰাখিবলৈ আমাৰ সকলোৰে দায়িত্ব আছে। গছপুলি ৰোপণৰ জৰিয়তে গোলকীয় উষ্ণতা, বায়ু প্ৰদূষণ, প্লাষ্টিক প্ৰদূষণ আদি হ্ৰাস কৰিব পৰা যাব বুলি ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰে। গছপুলি ৰোপণ কাৰ্যসূচীত পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়ৰ কৰ্মচাৰী, স্থানীয় ৰাইজৰ তথা স্থানীয় গাঁওবুঢ়া উপস্থিতি থাকে।

## অসম ৰাইফলছৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস-যোগৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৬ জুন ঃ** অসম ৰাইফলছৰ মুখ্য কাৰ্যালয়-২১ৰ অধীনত শোণিতপুৰক লখৰা বি এন আৰু মহাপৰিদৰ্শক অসম ৰাইফলছে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি গছপুলি ৰোপণৰ লগতে যোগ কাৰ্যসূচীৰ আয়োজন কৰে। অনুষ্ঠানৰ সময়ত অশোক গছ, মধুৰীআম আৰু হাতী আপেল মুঠ ১০০টা গছপুলি ৰোপণ কৰে অসম ৰাইফলছৰ তৰফৰ পৰা। যোগাভ্যাসো ইয়াত পৰিচালনা কৰে শোণিতপুৰ আৰু অসমৰ বিশ্বনাথ জিলাৰ লখৰা গেৰিছন, ইটাখোলা, বালিপুখৰী আৰু ঢেকীয়াজুলিৰ বিভিন্ন স্থানত। অনুষ্ঠানটোৰ উদ্দেশ্য আছিল পৰিৱেশ সুৰক্ষিত কৰিবলৈ সকলোকে আৰু স্থানীয় লোকৰ মাজত সজাগতা বৃদ্ধি কৰা আৰু পৰিৱেশ পৰিষ্কাৰ কৰা। আয়োজিত অনুষ্ঠানত মুঠ ১২০জন অসম ৰাইফলছৰ কৰ্মী আৰু অসামৰিক লোকে অংশগ্ৰহণ কৰে। বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন উপলক্ষে ৫ জুন দেওবাৰে অসম ৰাইফলছ মুখ্য কাৰ্যালয় ২১ চেক্টৰ অসম ৰাইফলছ আৰু ইন্সপেক্টৰ জেনেৰেল অসম ৰাইফলছৰ (পূব) অধীনত লখৰা বিএন-এ গছপুলি ৰোপণ অভিযান আৰু যোগৰ আয়োজন কৰিছিল বুলি এক প্ৰেছ বিবৃতি জৰিয়তে জানিবলৈ দিয়ে।



## মাজবাটত বিজেপি যুৱ মৰ্চাৰ গছপুলি ৰোপণ

দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৬ জুন ঃ বিশ্ব-পৰিবেশ দিৱস উপলক্ষে আমি সকলোৰে আমাৰ চৌপাশৰ জৈৱ-বৈচিত্ৰ্যতা আৰু পৰিৱেশ তন্ত্ৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে ৫জুনত মাজবাট জ্ঞান ভাৰতী পাব্লিক স্কুলত ওদালগুৰি জিলা ভাৰতীয় জনতা যুৱ মৰ্চা পাঁচনৈ চেৰফাং মণ্ডলৰ উদ্যোগত গছ পুলি ৰূপন কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে স্থানীয় পাৰিষদ দীপক মৌৰ, মণ্ডল সভাপতি জীৱন ডেকা জিলা সমিতিৰ উপ-সভাপতি তপন চৰকাৰ , মণ্ডল উপ-সভাপতি টিকেন উপাধ্যায় , মণ্ডল যুৱ মৰ্চাৰ প্ৰভাৰী দিলিৰাম ছেত্ৰী সা-সম্পাদক অঞ্জন বৈদ্য ,মহিলা মৰ্চাৰ সভানেত্ৰী অনুপমা তামুলী কে আদি কৰি মণ্ডলৰ সমূহ কাৰ্যকৰ্তা আৰু মণ্ডল যুৱ মৰ্চাৰ সা-সম্পাদক, সম্পাদক, সকলে উপস্থিত থাকে।



## পাঁচনৈ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ৬ জুন ঃ** ৫ জুন বিশ্ব পৰিৱেশ দিৱস। সমগ্ৰ বিশ্বতে পৰিৱেশৰ ভাৰসাম্যতাৰ বাবে আজিৰ দিনটোত সৰ্বাধিক গছপুলি ৰোপণ কৰা হয়। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি শোণিতপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ নিৰ্দেশত ঢেকীয়াজুলিৰ পশ্চিম প্ৰান্তৰ পাঁচনৈ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থায়ো গছপুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰে। অঞ্চলটোৰ বিভিন্ন স্থানত পাঁচনৈ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি তিলক বজগাইৰ নেতৃত্বত আৰু শোণিতপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ আলোচনী সম্পাদক ওম প্ৰকাশ অধিকাৰীৰ সহযোগত শতাধিক গছপুলি ৰোপণ কৰা হয়। উল্লেখ্য যে ইয়াৰ আগতেও পাঁচনৈ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাই অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক কলম, কিতাপ, বহী আদি আগবঢ়াই শিক্ষাৰ ক্ষেত্ৰত উৎসাহ যোগাই আহিছিল। পাঁচনৈ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ এই পদক্ষেপক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

## লামাবাৰী চাহ বাগিচাৰ চিকিৎসালয় চৌহদত ঔষধি ফল-মূলৰ গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লামাবাৰী, ৬ জুন ঃ** বিশ্ব পাৰিপাৰ্শ্বিক দিৱস- আন্তৰ্জাতিক দিৱসসমূহৰ এটা অন্যতম গুৰুত্বপূৰ্ণ দিৱস। যাৰ সৈতে আত্মিক সম্পৰ্ক আছে প্ৰকৃতি, পৰিৱেশ, ভোক আৰু সমস্ত সৃষ্টি জগতৰ। কাৰণ আমি সকলোৱেই নিজৰ ঘৰখন, সমাজখন আৰু চৌপাশটোত এটা সুস্থ, সুন্দৰ পৰিৱেশ অন্তঃকৰণেৰে বিচাৰো। সেই আশাৰেই বিশ্ব পৰিয়ালত আকাংক্ষাৰ মাৰ্জিত পৰিৱেশৰ তাড়নাত পৰিৱেশ দিৱসৰ প্ৰচুৰ প্ৰাসংগিকতা আছে। ইয়াৰ চিৰশাশ্বত উদ্দেশ্যক সাৰ্থক কৰি তুলিবলৈ বিশ্ব পাৰিপাৰ্শ্বিক দিৱস উপলক্ষে ৫ জুন, ২০২২ দিনটোত লামাবাৰী চাহ বাগিচাৰ চিকিৎসালয় চৌহদত জনকল্যাণ বিষয়া জেছিকা গগৈৰ নেতৃত্বত Acting Manager মোৱাতুষী ইমচাং, Senior assistant manager ছুমিৰান পৌড়েল, Factory assistant manager ৰাজীৱ দেউৰী, এম অ' চুজিত কুমাৰ চাক্মা আৰু চিকিৎসালয়ৰ সমূহ কৰ্মচাৰীৰ সহযোগত যথেষ্টসংখ্যক ঔষধি গুণসম্পন্ন গছৰ পুলি আৰু ফল-মূলৰ পুলি ৰোপণ কৰা হয়। যাতে পৰৱৰ্তী কালত চিকিৎসালত চিকিৎসাধীন ৰোগীসকলৰ উপকাৰ সাধন কৰিব পাৰি। বিশ্ব পৰিৱেশ দিৱস লামাবাৰী চাহ বাগিচাত সাৰ্থক হোৱাৰ লগতে সমগ্ৰ বিশ্বৰ প্ৰান্তে প্ৰান্তে সাৰ্থক হোৱাৰ কামনাৰে উপস্থিত দায়িত্বশীল ব্যক্তিসকলে বক্তব্য প্ৰদান কৰি অনুষ্ঠানৰ সামৰণি পৰে।




## বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৫০০ জোপা গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ৬ জুন ঃ** দিনানন্দ শান্তি আশ্ৰম পৰিচালনা সমিতিৰ সৌজন্যত দৰংগিৰিত ৫ জুনত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। গছপুলি ৰোপণ কাৰ্যসূচীৰ সময়ত দীনানন্দ শান্তি আশ্ৰমলৈ যোৱা পথৰ দাঁতিত প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত ৫০০ জোপা গছপুলি ৰোপণ কৰে। গোৱালপাৰা জিলা সনাতন ব্ৰহ্ম সমাজৰ সভাপতি সুভাষ খাখলাৰী, সম্পাদক যজমান বসুমতাৰী, উপদেষ্টা থুলেশ্বৰ কছাৰী আৰু দীনানন্দ শান্তি আশ্ৰম পৰিচালনা সমিতিৰ বিষয়ববীয়াৰ লগতে সমাজৰ শুভাকাংক্ষী ৰাইজৰ সহযোগত কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে।



## বিশ্বনাথ মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন




**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৬ জুন ঃ** বিশ্বনাথৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বিশ্বনাথ মহাবিদ্যালয়ত কালি পুৱাৰে পৰা কেইবালানি কাৰ্যসূচীৰ মাজেৰে দিনজোৰাকৈ বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৯ বজাত মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগে আয়োজন কৰা গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই। গছপুলি ৰোপণ অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-আধ্যাপিকাসকলৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ইয়াৰ পিছতে পুৱা ১০ বজাৰ পৰা অসম প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অধীনৰ বিশ্বনাথ মহাবিদ্যালয়ৰ 'পৰিৱেশ আৰু জলবায়ু কোষে' বিশ্বনাথ ঘাটৰ বিশ্বনাথ প্ৰাথমিক বিদ্যালয়ত গছপুলি ৰোপণৰ লগতে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত সজাগতা সভাৰ আয়োজন কৰে। কোষৰ সমন্বয়ক ড° বিশ্বজিৎ শৰ্মাই সমূহ কাৰ্যসূচীৰ আঁত ধৰে। দুই শতাধিক ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় লোকৰ উপস্থিতিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই উদ্বোধন কৰা সজাগতা সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ এগ্ৰ'নমী বিভাগৰ অধ্যাপক ড° ৰত্ন কিংকৰ গোস্বামী। উদ্বোধনী ভাষণত অধ্যক্ষগৰাকীয়ে বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য সম্পৰ্কে আলোকপাত কৰাৰ লগতে নৱ-প্ৰজন্মক পৰিৱেশ সংৰক্ষণৰ ওপৰত আত্মনিয়োগ কৰি নিজকে সমাজৰ একোগৰাকীকৈ সচেতন ব্যক্তি ৰূপে গঢ় দিবলৈ আহ্বান জনায়। নিৰ্দিষ্ট বক্তাৰ ভাষণ ড° ৰত্ন কিংকৰ গোস্বামীয়ে প্ৰথমেই কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ লগত পৰিৱেশ দিৱসৰ ওপৰত কিছু সময় কথোপকথনেৰে বক্তৃতা আৰম্ভ কৰে। বক্তৃতাত তেওঁ বিশ্ব পৰিৱেশ দিৱসৰ ইতিহাস আৰু পৰিৱেশ সংৰক্ষণত সচেতন ৰাইজে ল'বলগীয়া সজাগতাসমূহৰ পুংখানুপুংখ বিশ্লেষণ আগবঢ়ায়। লগতে ড° গোস্বামীয়ে মহাবিদ্যালয়খনে এনে ধৰণৰ মহান অনুষ্ঠান গ্ৰামাঞ্চলত অনুষ্ঠিত কৰি ৰাইজৰ মাজত পৰিৱেশৰ সজাগতা সৃষ্টিৰ বাবে লোৱা ইতিবাচক পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে। বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ক্ৰমে ড° ৰাহুল শৰ্মা, ড° সুনয়না গোস্বামী, শিবাশ্ৰী হোজাইছা, কাৰ্যালয় অধীক্ষক চিত্তৰঞ্জন কাকতী, বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতি, মাতৃ গোট, গাঁও উন্নয়ন সভা, অভিভাৱক, গাঁও পঞ্চায়তৰ সমূহ সদস্য, বিশিষ্ট বয়োজ্যেষ্ঠ ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সজাগতা সভাখন 'পৰিৱেশ আৰু জলবায়ু কোষ'ৰ সমন্বয়ক ড° বিশ্বজিৎ শৰ্মাৰ শলাগৰ শৰাই অনুষ্ঠানেৰে অন্ত পৰে। বিয়লি ২ বজাৰ পৰা বিশ্বনাথ মহাবিদ্যালয় অভ্যন্তৰীণ মান আৰু নিশ্চিত কোষৰ উদ্যোগত মহাবিদ্যালয় চৌহদত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সমন্বিতে প্ৰায় তিনি শতাধিক লোকৰ উপস্থিতিত এখন পৰিৱেশ সজাগতা সভাৰ অনুষ্ঠিত হয়। অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশ মৰ্মে 'Understanding Carbon di Oxide, Green House Gases and Climate Change' শীৰ্ষক বক্তৃতা অনুষ্ঠানত সমল ব্যক্তিৰ ভাষণ প্ৰদান কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই। কোষৰ সমন্বয়ক ড° নৰেশ ঠাকুৰে আঁত ধৰা অনুষ্ঠানত ড° শৰ্মাই বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য, ইতিহাস আৰু কাৰ্বন-ডাই-অক্সাইড আৰু সেউজ গৃহ গেছসমূহৰ জলবায়ু পৰিৱৰ্তনৰ ওপৰত থকা প্ৰভাৱৰ বিষয়ে বিস্তৃত পৰ্যালোচনা আগবঢ়ায়। বিয়লি ৩ বজাত মহাবিদ্যালয় পৰিয়ালৰ লগতৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বিশ্বনাথ মহাবিদ্যালয়ৰ তিনিগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰী ক্ৰমে তাপ্তীদ্যুতি বৰা, ঋত্বিক জ্যোতি বৰাৰ দ্বাৰা প্ৰকাশিত নয়নজ্যোতি গোৱালা আৰু কুশল শৰ্মাৰ দ্বাৰা সম্পাদিত ক্ৰমে 'পশ্চিমৰ ক'লা মেঘ, নূপুৰ ৰুণজুনত ভূপালী আকাশ আৰু জীৱন আৰু স্বপ্ন নামৰ তিনিখন গ্ৰন্থৰ উন্মোচনী অনুষ্ঠানেৰে মহাবিদ্যালয়খনৰ দিনজোৰা বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীসমূহৰ সফল সমাপ্তি ঘটে।

# বাক্সাৰ পৰিৱেশ কৰ্মী বিজয় চৌধুৰীলৈ ৰাজ্য চৰকাৰৰ 'পৰিৱেশ মিত্ৰ' সন্মান

## মডাৰ্ন ইংলিছ স্কুললৈ 'শ্ৰেষ্ঠ ইক' ক্লাব'ৰ সন্মান






**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ১০ গৰাকী বিশিষ্ট ব্যক্তিলৈ কালি অসম চৰকাৰে প্ৰদান কৰে 'পৰিৱেশ মিত্ৰ' সন্মান । ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগে আগবঢ়োৱা এই সন্মান লাভ কৰি বাক্সা জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে বিশিষ্ট পৰিৱেশ কৰ্মী বিজয় চৌধুৰীয়ে । লগতে পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি শ্ৰেষ্ঠ ইক' ক্লাব হিচাপে সন্মানিত কৰা হৈছে জিলাখনৰে মডাৰ্ন ইংলিছ স্কুলক । উল্লেখ্য যে পৰিৱেশ মিত্ৰ সন্মান লাভ কৰা বিজয় চৌধুৰীয়ে দীৰ্ঘদিন ধৰি জিলাখনত প্ৰকৃতি সংৰক্ষণ আৰু জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ হকে কাম কৰি আহিছে । বিজয় চৌধুৰীয়ে এসময়ত বড়ো বিদ্ৰোহী সংগঠন বিএলটিৰ অবিভক্ত নলবাৰী জিলাৰ প্ৰচাৰ সম্পাদকৰ দায়িত্বত আছিল। কিন্তু ২০০৩ চনত কেন্দ্ৰীয় চৰকাৰৰে শান্তি আলোচনাৰে বিটিচি চুক্তি হোৱাৰ পিছত চৌধুৰীয়ে নিজৰ জীৱন সমৰ্পণ কৰে প্ৰকৃতি সুৰক্ষাৰ কামত । বিগত ১৯ বছৰে চৌধুৰী নিয়োজিত হৈ আছে মানস ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাঘ্ৰ প্ৰকল্পৰ অন্তৰ্গত কেবাখনো সংৰক্ষিত বনাঞ্চলৰ সুৰক্ষা আৰু সংবৰ্ধনৰ কামত । বনজ সম্পদ আৰু প্ৰকৃতি সুৰক্ষাৰ স্বাৰ্থত ২০০৬ চনত বিজয় চৌধুৰীয়ে গঠন কৰে মানাস-চৌচী খংখৰ ইক' ট্যুৰিজিম ছ'চাইটী নামৰ এটা স্বেচ্ছাসেৱী সংস্থা । চৌধুৰীয়ে গঠন কৰা সংস্থাটোত আছে বৰ্তমান ৪২জন সদস্য । বিজয় চৌধুৰীৰ উদ্যোগত সংস্থাটোৱে বিগত সময়ত বাঘ, ভালুক, বিভিন্ন প্ৰজাতিৰ সাপ, বিলুপ্তপ্ৰায় হাড়গিলা, বনৰৌ, ভিন্ন প্ৰজাতিৰ চৰাই, সৰীসৃপ আদি উদ্ধাৰ কৰি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ লগতে বৃহত্তৰ অঞ্চলটোক সেউজীয়া কৰি ৰখাৰ বাবে প্ৰায় ৭ লাখ গছপুলি ৰোপণ কৰে । যাৰ জৰিয়তে জিলাখনৰ ভাৰত-ভূটান সীমান্তত গঢ় লৈ উঠিছে এখন মানৱ সৃষ্ট অৰণ্য। বিশেষকৈ জিলাখনৰ বাতাবাৰী, সুৱণখাটা, বগাজুলি, শুকানজুলি সংৰক্ষিত আৰু দিহিৰা প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলত এসময়ত চলি থকা বেদখল আৰু বন ধ্বংসযজ্ঞ প্ৰতিৰোধ কৰাৰ বাবে চৌধুৰীয়ে নিজকে নিয়োজিত কৰে । মন কৰিবলগীয়া কথা এই যে স্বেচ্ছাসেৱী সংস্থাটোৱে এসময়ত বনজ সম্পদ ধ্বংসত লিপ্ত থকাসকলকো এতিয়া মনোনিৱেশ কৰাইছে প্ৰকৃতি সংৰক্ষণৰ কামত । ১৯৭৩ চনৰ ১ জানুৱাৰীত বৰ্তমানৰ বাক্সা জিলাৰ বৰমাৰ কালজাৰ গাঁৱত জন্ম লাভ কৰা বিজয় চৌধুৰীৰ ঐকান্তিক প্ৰচেষ্টাতে ধ্বংসমুখী বনাঞ্চল কেইখনে ঘূৰাই পাইছে পূৰ্বৰ গৰিমা । যাদৱ পায়েঙৰ পিছত দ্বিতীয়জন 'অৰণ্য মানৱ' ৰূপে বিবেচিত বিজয় চৌধুৰীৰ প্ৰচেষ্টাতে মানস ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাঘ্ৰ প্ৰকল্পৰ অন্তৰ্গত প্ৰায় ১৪ কিলোমিটাৰ এলেকাত বন্ধ হৈ থকা এনিমেল কৰিড'ৰ মুকলি হয়। বিজয় চৌধুৰীৰ নেতৃত্বতে জিলাখনৰ উত্তৰকুছিত গঢ় লৈ উঠে বনভোজস্থলী চৌকী । যি চৌকীৰ অপৰূপ সৌন্দৰ্যই এতিয়া বনভোজকাৰী দলবোৰক হাত বাউলি মাতে । আনহাতে জিলাখনৰ নিকাছীত অৱস্থিত মডাৰ্ন ইংলিছ স্কুললৈ অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগে আগবঢ়াইছে এইবৰ্ষৰ শ্ৰেষ্ঠ ইক' ক্লাবৰ সন্মান । উল্লেখ্য যে বিদ্যালয়খনে প্ৰতিষ্ঠা কালৰে পৰা পৰিৱেশ সজাগতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলকো পৰিৱেশ ৰক্ষাৰ একো একোজন জাগ্ৰত সেনানী ৰূপে গঢ় দিয়াৰ চেষ্টা কৰি আহিছে । ২০১০ চনত স্থাপিত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিদিনে ৰাতিপুৱা প্ৰাৰ্থনাৰ সময়ত গছপুলি ৰোপণ, প্ৰদূষণ নিয়ন্ত্ৰণ আদি প্ৰকৃতি সংৰক্ষণৰ বাবে শপত বাক্য পাঠ কৰোৱা হয়। বিদ্যালয়খনত ছাত্ৰী-ছাত্ৰীসকলক দিয়া হয় কাঠফুলা, কেচুসাঁৰ, ইক' ব্ৰীক আদিৰ উৎপাদনৰ প্ৰশিক্ষণ । জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষিত কৰাই গাঁৱে গাঁৱে গৈ কৰিবলৈ দিয়া হয় খোৱাপানীৰ গুণাগুণৰ পৰীক্ষা । বৰ্তমান প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনত বটানিকেল গাৰ্ডেন, থলুৱা ফল-মূলৰ বাগিচা, মৌ পালনৰ ব্যৱস্থা থকাৰ লগতে, জল সংৰক্ষণৰ ব্যৱস্থা, ঘনচিৰিকা চৰাইৰ সংৰক্ষণৰ বাবে বাহ সাজি দিয়া হৈছে । উল্লেখযোগ্য যে সম্পূৰ্ণৰূপে প্লাষ্টিক বৰ্জিত বিদ্যালয়খনৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকলেও নিজৰ ঘৰখনৰ লগতে অঞ্চলটোৰ পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ স্বাৰ্থত প্লাষ্টিক জাতীয় সামগ্ৰীৰ ব্যৱহাৰ নকৰে । আনকি প্ৰতিঘৰৰ পদুলিত এই বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে চাইনব'ৰ্ড আঁৰি থোৱাৰ ব্যৱস্থা কৰা হৈছে । আনহাতে বিদ্যালয়খনত পৰিৱেশ সম্পৰ্কীয় প্ৰতিটো দিৱস যেনে বিশ্ব পৰিৱেশ দিৱস, অ'জন দিৱস, বিশ্ব জল দিৱস, ভূমি দিৱস, ঘৰচিৰিকা দিৱস, জৈৱ বৈচিত্ৰ্য দিৱস, স্বচ্ছতা পষেক, বিশ্ব বাইচাইকেল দিৱস, আন্তৰ্জাতিক যোগ দিৱস আদি পালন কৰা হয় । নাৰ্চাৰীৰ পৰা দ্বাদশ শ্ৰেণীলৈ থকা বিদ্যালয়খনে ২০১৮ চনত নতুন দিল্লীত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ দ্বাৰা আয়োজিত নেচনেল গ্ৰীণ কৰ্পছ ইক' ক্লাবৰ একক ব্যৱহাৰ্য প্লাষ্টিক বিষয়ত এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠকতো অংশগ্ৰহণ কৰে। ইতিমধ্যে মডাৰ্ন ইংলিছ স্কুলৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ বন আৰু পৰিৱেশ মন্ত্ৰালয়ে ডকুমেণ্টৰীও নিৰ্মাণ কৰিছে । অসম চৰকাৰৰ দ্বাৰা বিশ্ব পৰিৱেশ দিৱসৰ দিনাই পৰিৱেশ সজাগতা সৃষ্টিৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনা বিজয় চৌধুৰী আৰু মডাৰ্ন ইংলিছ স্কুল কৰ্তৃপক্ষলৈ বাক্সা জিলা সাহিত্য সভা, বাক্সা জিলা সাংবাদিক সন্থা, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ বাক্সা জিলা সমিতি, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাক্সা জিলা শাখা, বাস্কা আঞ্চলিক ছাত্ৰ সন্থা, মুছলপুৰ প্ৰেছ ক্লাবকে আদি কৰি বিভিন্ন দল-সংগঠন তথা ব্যক্তিয়ে অভিনন্দন জ্ঞাপন কৰিছে।

# দৰঙৰ লঠাপাৰাত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস। লঠাপাৰা সত্ৰ প্ৰাঙ্গনত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি এখনি সজাগতা সভা অনুষ্ঠিত কৰা হয়। নেহৰু যুৱ কেন্দ্ৰ দৰং জিলাৰ সৌজন্যত আৰু লহৰ আঞ্চলিক সাংস্কৃতিক সন্থা অসমৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠানটি ৰূপায়ণ কৰে । স্থানীয় ৰাইজৰ লগতে নেহৰু যুৱ কেন্দ্ৰ দৰং জিলাৰ সহঃ অনুষ্ঠান বিষয়া এছ কে ভূঞা আৰু কিছু সংখ্যক স্বেচ্ছাসেৱক উপস্থিত থাকে। উল্লেখযোগ্য যে উক্ত অনুষ্ঠানৰ লগত উত্তৰ গুৱাহাটীৰ জনকল্যাণ ছ'চাইটী আৰু সাংস্কৃতিক বিদ্যালয়ে সহযোগিতা আগবঢ়ায়। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অনুষ্ঠিত সজাগতা সভাখনৰ শুভাৰম্ভ কৰা হয় কণ কণ মইনাসকলৰ এটি দিহানামেৰে। উদ্বোধনী ভাষণত ভূপেন কলিতাই স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে পৃথিৱীখনত শান্তি কঢ়িয়াই অনাৰ ক্ষেত্ৰত গছপুলি ৰোপণ কৰাত গুৰুত্ব দিবলৈ সদৰী কৰে। লহৰ আঞ্চলিক সাংস্কৃতিক সন্থা অসমৰ সভাপতি হৰেশ ডেকাই সভাপতি হিচাপে আসন অলংকৃত কৰে। প্লাষ্টিক জাতীয় পদাৰ্থসমূহে অঞ্চলসমূহত অতিমাত্ৰা যে প্ৰদূষণ সৃষ্টি কৰে গতিকে পাৰিলে সেইবিলাকৰ পুনৰ ব্যৱহাৰ কৰিব লাগে বুলি নিৰ্দিষ্ট বক্তা হেমন্ত কুমাৰ ডেকাই সভাসদক আহ্বান জনায়। বিশিষ্ট অতিথিৰ ভাষণত দুনী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী কুইন ডেকাই নিজৰ ঘৰসমূহত মহানিম, তুলসী আৰু কপৌফুলৰ গছ ৰোপণ কৰিব লাগে বুলি দোহাৰে। এক বিশ্ব এক পৰিৱেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত আবাল-বৃদ্ধ-বনিতা সকলো আগবাঢ়ি আহিবলৈ আহ্বান জনায় আমন্ত্ৰিত অতিথি নাগেশ্বৰ চহৰীয়াই। জনকল্যাণ ছ'চাইটী আৰু সাংস্কৃতিক বিদ্যালয়ৰ সভাপতি কুমুদ নাথে চাইকেল চলোৱাৰ অভ্যাসৰ দ্বাৰা ভালেখিনি প্ৰদূষণ হ্ৰাস কৰিব পাৰি বুলি সজোৰে কয়। আনহাতে প্ৰতিষ্ঠিত ব্যৱসায়ী তথা সভাৰ বিশিষ্ট অতিথিৰ ভাষণত হেমন্ত কুমাৰ চহৰীয়াই মানুহে সজাগ সচেতন হৈ কাম কৰিলে এখন প্ৰদূষণমুক্ত পৃথিৱী সৃষ্টি কৰিব পাৰি বুলি সদৰী কৰে । সভাখনত পৰিৱেশন কৰা লিনা কলিতা আৰু মৃদুস্মিতাৰ দশাৱতাৰ নৃত্যৰ লহৰে উপস্থিত ৰাইজক আপ্লুত কৰে। দুৰ্গেশ্বৰ ভূঞা, বাপন কলিতা আৰু লৱ কলিতাই অনুষ্ঠানটি পৰিচালনা কৰাৰ লগতে আঁত ধৰে শিখা ডেকা আৰু সম্পাদক বিহুৰাম কলিতাই।

# বিশ্ব পৰিৱেশ দিৱসত বিটিচিপ্ৰধান প্ৰমোদ বড়োৰ গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ৫ জুন ঃ** কোকৰাঝাৰ জিলাৰ আদাবাৰী পথাৰত দেওবাৰে বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ পৰিৱেশ আৰু বন বিভাগে বিশ্ব পৰিৱেশ দিৱস উদ্যাপন কৰে। এই উপলক্ষে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আনুষ্ঠানিকভাৱে গছপুলি ৰোপণ কৰাৰ পিছত ১৩৫ ইকো টাস্ক ফ'ৰ্চৰ কৰ্ণেল ভেংকটেশ পি, কোকৰাঝাৰৰ আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুবে, বিটিচিৰ মুখ্য বন সংৰক্ষক অনুৰাগ সিঙকে ধৰি আন আন বিশিষ্ট ব্যক্তিসকল যেনে এছ এছ বিৰ ডি আই জি সোনম বোধ আৰু বি টি চিৰ ছেক্ৰেটেৰী নৰেন চন্দ্ৰ বসুমতাৰীয়েও কোকৰাঝাৰ-আদাবাৰী পথাৰত গছপুলি ৰোপণ কৰে। এই সন্দৰ্ভত অনুষ্ঠিত এক অনুষ্ঠানত সমৱেত লোকসকলক সম্বোধন কৰি বিটিচি প্ৰধান প্ৰমোদ বড়োৱে কয়, 'আমি ৰাষ্ট্ৰসংঘৰ 'এখন পৃথিৱী' থিমটো বুজি পোৱা উচিত, কিয়নো এইখনৰ বাহিৰে বিশ্বব্ৰহ্মাণ্ডত আন কোনো পৃথিৱী নাই। ঠিক যেনেদৰে মাছবোৰে পানীত বাস কৰে, তেনেদৰে পৰিৱেশত মানুহেও বাস কৰে। সেয়েহে, যদি পৰিৱেশ প্ৰদূষিত হয়, ই সকলো জীৱিত বস্তুৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে। সেয়েহে, পৰিৱেশ সংৰক্ষণৰ বিষয়ে সজাগ হোৱা আৰু মানুহৰ বাবে অধিক বিপদজনক হোৱাৰ আগতে এক বহনক্ষম পৰিৱেশৰ দিশত কাম কৰিবলৈ সক্ৰিয় হোৱাৰ এইটো সঠিক সময়।' তেওঁ কয় যে জনজাতীয় লোকসকলৰ জীৱনশৈলী অতি পৰিৱেশ-অনুকূল, কিয়নো আমি জনজাতীয় লোকসকলে বাস কৰা অঞ্চলবোৰত এতিয়াও অৰণ্য দেখা পাওঁ। 'কিন্তু এতিয়া উন্নয়নৰ নামত এই সকলো অঞ্চলবোৰত বনাঞ্চল ক্ৰমান্বয়ে হ্ৰাস পাইছে আৰু ই আমাৰ সকলোৰে বাবে এক ডাঙৰ ভাবুকি' —তেওঁ উল্লেখ কৰে। বড়োৱে সকলোকে বন্যপ্ৰাণী, উদ্ভিদ আৰু প্ৰকৃতিৰ প্ৰতি অহিংসা হ'বলৈ আহ্বান জনায় যাতে আমি আমাৰ পৰিৱেশ সুস্থ কৰি ৰাখি সদায় সুস্থ হৈ থাকিব পাৰো। লগতে প্লাষ্টিক জৈৱ-বিঘ্নিত নহয় আৰু প্ৰদূষণ সৃষ্টি কৰে বাবে প্লাষ্টিক ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ তেওঁ সকলোকে আহ্বান জনায়। তেওঁ বড়োলেণ্ড অঞ্চলৰ ১৭জন ব্যক্তি আৰু সংগঠনক বঁটা আৰু প্ৰশংসাপত্ৰ প্ৰদান কৰে, যিসকলে কোনো চৰকাৰী সহায় নোলোৱাকৈ বন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত দৃষ্টান্তমূলক অৱদান আগবঢ়াই আহিছে। তেওঁ ১৩৫ ইকো টাস্ক ফ'ৰ্চ আৰু এছ এছ বিৰ সৈতে বিভিন্ন ঠাইত গছ-গছনি সংৰক্ষণ আৰু ৰোপণৰ ক্ষেত্ৰত অক্লান্ত প্ৰচেষ্টাৰ বাবে তেওঁলোকক ধন্যবাদ জনায়। উক্ত অনুষ্ঠানত মুখ্য বন সংৰক্ষক অনুৰাগ সিং, ১৩৫ ইকো টাস্ক ফ'ৰ্চৰ কৰ্ণেল ভেংকটেশ পি আৰু এছ এছ বিৰ ডি আই জি সোনম বোধেও ভাষণ দিয়ে।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নকছাৰি আঞ্চলিক শাখাৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ৬ জুন ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ নকছাৰি আঞ্চলিক শাখাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘ নকছাৰি আঞ্চলিক সেনাবাহিনী আৰু শিশু আই মাতৃ কল্যাণ শাখাৰ উদ্যোগত, আঞ্চলিক প্ৰসাৰ, প্ৰচাৰ আৰু সংগঠন শাখাৰ ব্যৱস্থাপনাত আৰু নাগিনীজান চাহ বাগিচাৰ ৰাইজৰ সহযোগত ইয়াৰ ৰাজহুৱা প্ৰেক্ষাগৃহত এখনি সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত উপস্থিত থাকে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সহকাৰী সম্পাদক বিশ্বজ্যোতি গগৈ আৰু জিলা প্ৰচাৰ শাখাৰ সভাপতি অমল গুৱালা বাপ, শিক্ষাবিদ ললিত গগৈ আদিবাসী ছাত্ৰ সন্থাৰ উপদেষ্টা ৰাজেন চুড়ী বাপ আৰু নকচাৰিণ্ঠ আঞ্চলিক শাখাৰ বিষয়ববীয়া । সভাত



সভাপতিত্ব কৰে আঞ্চলিক শাখাৰ উপসভাপতি জুৰাম গগৈয়ে। কালি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি এক বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসুচীত গছপুলি ৰোপণ কৰে নাগিনীজান চাহ বাগিচাৰ মুখ্য পৰিচালক আৰু আঞ্চলিক শাখাৰ উপদেষ্টা চুচেন গগৈ বাপে। ইয়াৰ লগতে লগতে নাগিনীজান আদৰ্শ বিদ্যালয়ৰ প্ৰাংগণত আৰু ৰাজহুৱা প্ৰেক্ষাগৃহৰ প্ৰাংগণতো গছপুলি ৰোপণ কৰা হয়। সভাখন আঁত ধৰে আঞ্চলিক শাখাৰ সেৱাবাহিনীৰ অধিনায়ক পলাশ প্ৰতিম বৰাই। উক্ত সভাত আৰু বৃক্ষ ৰোপণ কাৰ্যসূচীত অতিথিবৃন্দৰ লগতে স্থানীয় বহু ব্যক্তিয়ে অংশ গ্ৰহণ কৰি অনুষ্ঠানটিৰ সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত পূৰ্ণ সহযোগিতা আগবঢ়ায়।

# হোজাই জিলা আমছুৰ বিশ্ব পৰিৱেশ দিৱস উদযাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ৬ জুন ঃ** পাঁচ জুনত বিশ্ব পৰিৱেশ দিৱস। এই বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ ইকবাল গোটে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। ব্যতিক্ৰমী ৰূপত বিশ্ব পৰিৱেশ দিৱসৰ দিনা আমছু আৰু নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ যৌথ উদ্যোগত নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ আৰু বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই চিত্ৰাংকণ আৰু বক্তৃতা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদানৰ অন্তত সকলোৱে সমৱেত ৰাষ্ট্ৰীয় সংগীত পাঠ কৰি সেউজ পৰিৱেশ গঢ়াৰ নিমিত্তে বিদ্যালয় চৌহদত বৃক্ষ ৰোপণ কৰা দেখা যায়। ইয়াৰ উপৰি হোজাই জিলা আমছুৱে হোজাই জিলাৰ উত্তৰ ডিমৰুপাৰ মধ্য ইংৰাজী বিদ্যালয় আৰু মৌলানা আজাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বৃক্ষ ৰোপণ কৰে। হোজাই জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰতিবছৰে এনেকৈ ব্যতিক্ৰমী ৰূপত পৰিৱেশ দিৱস পালন কৰা দেখা যায়। হোজাই জিলা আমছুৰ বিষয়ববীয়াসকলে বিদ্যালয়ৰ অডিটৰিয়ামত বিদ্যুৎ চালিত পাংখা দান দিয়ে। আমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ইকবাল হুছেইনে গছেই জীৱন— এইশ্ল'গানেৰে পৰিৱেশ দিৱসৰ দিনা এই বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই কাৰ্যসূচীত নেতৃত্ব প্ৰদান কৰে আমছুৰ হোজাই জিলা সমিতিৰ সভাপতি আৰিফ উদ্দিন, কাৰ্যকৰী সভাপতি নজৰুল হক, সাধাৰণ সম্পাদক লুতফুৰ ৰহমান বৰলস্কৰ, উপ-সভাপতি ছাইফ উদ্দিন, মুখ্য সাংগঠনিক সম্পাদক হিলাল বাৰভূঞা, সহ-সম্পাদক কবিৰ আহমেদ আদি কৰি আমছুৰ নেতৃস্থানীয় ব্যক্তিসকলে। আমছুৰ বিষয়ববীয়াসকলে হোজাই জিলাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানবোৰত গৈ বৃক্ষৰোপণ কৰা দেখা যায়। ছাত্ৰ সংগঠনটোৰ এনে কৰ্মত ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

### কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

# কুইজত বোকাখাতৰ জে ডি এছ জি মহাবিদ্যালয়ৰ প্ৰথম আৰু তৃতীয় শ্ৰেষ্ঠ বঁটা ঃ ৰাজ্যিক বৃক্ষ হোলোং গছ ৰোপণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ৬ জুন ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ও ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ উদ্যোগত উদ্যানখনত কৰ্মৰত প্ৰকৃতি সংগঠন আৰণ্যক, বিশ্ব প্ৰকৃতি নিধি, ভূমি, কৰবেট ফাউণ্ডেচন আৰু ৱাইল্ড লাইফ ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ সহযোগত আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ উদ্‌যাপিত হয় । দুদিনীয়াকৈ আয়োজিত বিশ্ব পৰিৱেশ দিৱসৰ প্ৰথম দিনা ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পক্ষী নিৰীক্ষণ আৰু এনিমেল কৰিড'ৰত চাফাই অভিযানৰ পিছত দ্বিতীয় দিনা মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয় । প্ৰথম দিনা মধ্য অসমত দুষ্প্ৰাপ্য হৈ পৰা অসমৰ ৰাজ্যিক বৃক্ষ হোলোং গছৰ ৫টাকৈ পুলি পাণবাৰী সংৰক্ষিত বনাঞ্চলত ৰোপণো কৰা হয়। কুইজ প্ৰতিযোগিতাত অসমৰ বিভিন্ন স্থানৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু বিদ্যালয়ৰ পৰা অহা মুঠ ২৮টা ছাত্ৰ-ছাত্ৰীৰ দলে অংশ গ্ৰহণ কৰে। বিশিষ্ট কুইজ মাষ্টাৰ নৱজ্যোতি ভৰালীয়ে পৰিচালনা কৰা এই কুইজ প্ৰতিযোগিতাত বোকাখাতৰ জে ডি এছ জি মহাবিদ্যালয়ৰ বিশ্বজিৎ দাস আৰু চিন্ময় মালাকাৰৰ দলে প্ৰথম, গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ পাৰ্থজ্যোতি ভৰদ্বাজ আৰু অনিমেশ ডেকাৰ দলে দ্বিতীয়, জে ডি এছ জি মহাবিদ্যালয়ৰ তন্ময় বৰা আৰু হৃষীকেশ বৰুৱাৰ দল তৃতীয় আৰু দেৰগাঁৱৰ কলম দুৱৰা মহাবিদ্যালয়ৰ নয়নজ্যোতি ফুকন আৰু প্ৰিয়াংশু হাজৰিকাৰ দলটোৱে উদগনিমূলক বঁটা লাভ কৰে । প্ৰতিযোগিতাৰ শেষত কহঁৰাত থকা পৰমানন্দ লাহন প্ৰেক্ষাগৃহত অনুষ্ঠিত বঁটা বিতৰণী সভাত পূব অসম বন্যপ্ৰাণী সংমণ্ডলৰ ডি এফ অ' ৰমেশ কুমাৰ গগৈ, গৱেষণা বিষয়া ৰবীন্দ্ৰ শৰ্মা, কৰবেট ফাউণ্ডেচনৰ উপ-সঞ্চালক ডাঃ নবীন পাণ্ডে, কাজিৰঙাৰ জ্যেষ্ঠ সাংবাদিক নীলপদ্ম শৰ্মা আৰু দেৱাশীষ বৰুৱাৰ লগতে কুইজ মাষ্টাৰ নৱজ্যোতি ভৰালী উপস্থিত থাকে। বোকাখাত প্ৰেছ ক্লাবৰ সম্পাদক উত্তম শইকীয়াই আঁত ধৰা এই অনুষ্ঠানত মানপত্ৰ আৰু বঁটাৰ উপৰি প্ৰথম স্থান পোৱা দলক ১৫ হেজাৰ টকা, দ্বিতীয় দলক ১০ হেজাৰ, তৃতীয় স্থানপ্ৰাপ্ত দলক ৭ হেজাৰ আৰু উদগনি বঁটা পোৱা দলক ৩ হেজাৰ টকাৰ চেকো প্ৰদান কৰা হয়।

# সমগ্ৰ বিশ্বৰ লগতে বঙাইগাঁও জিলাৰ মাণিকপুৰতো বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ৬ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে বঙাইগাঁও জিলাৰ মাণিকপুৰত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত সাজালপাৰা প্ৰাথমিক বিদ্যালয়ত কলি ১১০ জন ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় পৰিচালনা সমিতিৰ অভিভাৱক চিআৰচিচি ইনতাজ আলীৰ উপস্থিতিত গছ পুলি ৰোপণ কৰি পৰিৱেশ দিৱস পালন কৰে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰি পৰিৱেশ ৰক্ষা কৰাৰ বাবে শপত লয় ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলে। গছপুলি ৰোপণ কৰাৰ পিছতে এক ব্যতিক্ৰমী পদযাত্ৰা



উলিয়ায়। গছপুলি ৰোপণ কৰক, পৰিৱেশ ৰক্ষা কৰক, পৰিৱেশ দিৱস পালন কৰক আৰু ছাত্ৰ-ছাত্ৰীক বিদ্যালয়লৈ প্ৰেৰণ কৰক আদি বিভিন্ন শ্লোগানেৰে এক ব্যতিক্ৰমী পদযাত্ৰা উলিয়ায়। কিন্তু সাংবাদিকৰ আগত দুখ প্ৰকাশ কৰি বিদ্যালয়ৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰিছে শিক্ষকে। উপযুক্ত শ্ৰেণীকোঠাৰ অভাৱত বাহিৰতেই পাঠদান কৰিবলগীয়া হৈছে। বিদ্যালয়খনত ১৫০জন ছাত্ৰ-ছাত্ৰীৰ পৰিৱৰ্তে ১ জন শিক্ষক, বিদ্যালয়খনত নাই উপযুক্ত খোৱাপানীৰ সুব্যৱস্থা, অতিশীঘ্ৰেই বিদ্যালয়খনত শিক্ষক নিয়োগৰ বাবে অসম চৰকাৰলৈ কাতৰ আহ্বান প্ৰধান শিক্ষকৰ।

# চানডুবিত বিশ্ব পৰিৱেশ দিৱস পালন বন বিভাগ, বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ৬ জুন ঃ** দক্ষিণ কামৰূপৰ অন্তৰ্গত পৰ্যটনস্থলী চানডুবি বিলৰ পাৰত কালি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনৰ লোহাৰঘাটৰ বনাঞ্চলিক বিষয়া চেমিম আখতাৰৰ সঞ্চালনাত অনুষ্ঠিত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে এখনি সজাগতা সভাও অনুষ্ঠিত কৰা হয়। উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় মেহাত হাছানে। এই উপলক্ষে প্ৰাঞ্জল কুমাৰ ৰাভাই আঁত ধৰা সজাগতা সভাত বৰদুৱাৰ বন সুৰক্ষা সমিতিৰ সভাপতি গোবিন্দ ৰাভাই আনুমানিক ৯০ দশকত বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীয়েই বনদস্যুৰ সৈতে মিতিৰালি পাতি বন ধ্বংস কাৰ্যত লিপ্ত হোৱা ঘটনাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। স্বেচ্ছাসেৱী সংগঠন দ্য গ্ৰীন গ্ৰোৰ নলবাৰীৰ সভাপতি বিশ্বজিত শৰ্মাই প্লাষ্টিকৰ ব্যৱহাৰ, জল দিৱস, ঘনচিৰিকা দিৱস, অক্সিজেনৰ ব্যৱহাৰ, গছপুলিৰ প্ৰয়োজনীয়তা আদিৰ ওপৰত বক্তব্য ৰাখে। চেণ্টাৰ ফৰ ৰুৰেল ডেভেলপমেণ্টৰ বিষয়া বিশ্বজিত বৰুৱা, চানডুবি ট্যুৰিজম ডেভেলপমেণ্ট ছ'চাইটীৰ সভাপতি পক্ষীৰাজ ৰাভা, আৰ্থ ফুলৰ অনীতা বৰা, সঞ্জীৱ সভাপণ্ডিতকে ধৰি বহু সংখ্যক ছাত্ৰ-ছাত্ৰী, বনকৰ্মী, গাঁওবুঢ়া, অঞ্চলৰ সচেতন ৰাইজে এই সজাগতা আৰু বৃক্ষৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি চানডুবি বিলৰ জৈৱ-বৈচিত্ৰ্যৰ ধ্বংস হোৱা, প্ৰকৃতিৰ হোৱা অৱক্ষয়ৰ কাৰ্যত উদ্বেগ প্ৰকাশ কৰে। ছেমিন আখতাৰে চানডুবি অঞ্চলৰ জৈৱ-বৈচিত্ৰ্যলৈ আহি পৰা ভাবুকিৰ বাবে অহৰহ ৰাইজক সজাগ কৰিবলৈ সজাগতা সভা, গছ কটা কাৰ্য ৰোধ সন্দৰ্ভত বিভিন্ন সময়ত জিলা উপায়ুক্ত আৰু বন বিভাগৰ উচ্চ পদস্থ বিষয়ালৈ পত্ৰ প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰে।

### বিশ্ব পৰিৱেশ দিৱসত অধ্যয়ন চক্ৰ-টীয়কৰ বিশাল পৰিৱেশ সজাগতা সভা

# পৰিৱেশ সংৰক্ষণ-সজাগতাত বেচৰকাৰী সংস্থাৰ ভূমিকা অপৰিসীম ঃ পদ্মশ্ৰী যাদৱ পায়েং

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৬ জুন ঃ** অগ্ৰণী শৈক্ষিক-সামাজিক, সাংস্কৃতিক অনুষ্ঠান অধ্যয়ন চক্ৰ-টীয়ক আৰু ইংলিছ ষ্টাডী এণ্ড লিটাৰেৰী ফ'ৰাম, কাকজান কলেজৰ যৌথ উদ্যোগত তথা কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্ব পৰিৱেশ দিৱসৰ সপ্তাহজোৰা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সহকাৰী অধ্যাপক ভৈৰৱানন্দ বৰাই আঁত ধৰা তথা কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ



ৰঞ্জিত দত্তৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ডঃ পংকজ গোস্বামী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। সভাত মুখ্য অতিথি হিচাপে অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েং উপস্থিত থাকি উপস্থিত থাকি পৃথিৱীৰ সেউজীয়াকৰণৰ ওপৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। লগতে দুয়োটা শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকল তথা উপস্থিত ৰাইজৰ স'তে সেউজ পৰিৱেশ গঢ়ি তোলাৰ অৰ্থে বাৰ্তালাপত মিলিত হয় আৰু কিদৰে তেওঁ এই স্থানত উপনীত হৈছে তাৰ আভাস দিয়ে। লগতে বিশ্বৰ প্ৰতিগৰাকী লোককে বছৰি এটাকৈ পুলি ৰোপণ কৰি পৰিৱেশ সংৰক্ষণত অৰিহণা যোগাবলৈ আহ্বান জনায় ডঃ পায়েঙে। ইপিনে, পৰিৱেশ সজাগতা সৃষ্টিৰ ক্ষেত্ৰত বেচৰকাৰী প্ৰতিষ্ঠান বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে সংবাদ মাধ্যমৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ বুলিও ভাষণ প্ৰসংগত অৰণ্য মানৱগৰাকীয়ে সদৰী কৰি এইদৰে সজাগতা সৃষ্টি কৰিবলৈ আয়োজন কৰা সভাৰ উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত কাকজান মহাবিদ্যালয়ৰ অধ্যাপক তুফেল জিলানী, শিক্ষক ৰমেন শৰ্মা, অধ্যয়ন চক্ৰ-টীয়কৰ হৈ দীপজ্যোতি শইকীয়া, চন্দনজ্যোতি ভূঞা, ৰেণুনি এটি আশাৰ বিজু কুমাৰ শৰ্মা, বিনীতা শইকীয়া, শিক্ষক দিগন্ত চাংমাই, ছাত্ৰনেতা ৰন্টু ভুঞা, প্ৰাঞ্জল দত্ত, যদুমণি বৰুৱাকে প্ৰমুখ্য কৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। উল্লেখযোগ্য যে সভাৰ আৰম্ভণিৰ প্ৰাক্মুহূৰ্তত বিদ্যালয় চৌহদত অৰণ্য মানৱ যাদৱ পায়েঙে এটি গছপুলি ৰোপণ কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানৰ শেষত গছপুলি বিতৰণ কৰাৰ লগতে কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ সংৰক্ষণৰ ওপৰত এখন বাটৰ নাট প্ৰদৰ্শন কৰি অনুষ্ঠানৰ সফল সমাপ্তি ঘটায়।

# বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ৬ জুন ঃ** দেশৰ আন আন প্ৰান্তৰ লগতে হোজাইৰ শংকৰদেৱ নগৰস্থিত উপায়ুক্তৰ কাৰ্যালয়তো জিলা নিৰ্বাচনী কাৰ্যালয়ৰ উদ্যোগত 'সেউজী ধৰণী' শীৰ্ষকেৰে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। এই উপলক্ষে ৫ জুন তাৰিখে পুৱা উপায়ুক্তৰ কাৰ্যালয়ৰ চৌহদত বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত জিলা উপায়ুক্ত অনুপম চৌধুৰীয়ে এটি গছপুলি ৰোপণ কৰি 'বিশ্ব পৰিৱেশ দিৱস' পালনৰ আৰম্ভণি কৰে। অনুষ্ঠানৰ আৰম্ভণিতে জিলা উপায়ুক্তই বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। গছপুলি ৰোপণৰ জৰিয়তে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ লগতে পৰিৱেশ সুন্দৰ আৰু সুস্থ কৰি ৰখাত গুৰুত্ব দি দায়িত্ব আৰু কৰ্তব্যবোধৰ কথা উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থকা অতিৰিক্ত উপায়ুক্তসকল, নিৰ্বাচনী বিষয়া আৰু আন বিষয়া-কৰ্মচাৰীসকলে একোটিকৈ গছপুলি ৰোপণ কৰি দিৱসটি পালন কৰে। এই দিৱসৰ লগত সংগতি ৰাখি জিলাখনৰ ভোট গ্ৰহণ কেন্দ্ৰসমূহতো গছপুলি ৰোপণ কৰা হয়। আনহাতে এই দিৱসৰ কাৰ্যসূচী হিচাপে শংকৰবস্তি প্ৰাথমিক বিদ্যালয়ত এখনি সভা অনুষ্ঠিত হয়। সভাত সভাপতি হিচাপে উপস্থিত থাকে জিলা নিৰ্বাচনী বিষয়া জাংমিৰ ৰংফাৰপীৰ লগতে অন্যান্য বিষয়া, বিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকি গছপুলি ৰোপণ কৰি বিশ্ব পৰিৱেশ দিৱস পালন কৰে।

# স্বেচ্ছাসেৱী সংস্থা সৃষ্টিৰ বৰ্ষজোৰা গছপুলি ৰোপণৰ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৬ জুন ঃ** অসমৰ আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা 'সৃষ্টি'ৰ উদ্যোগত আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয় । যুৱ সমাজকৰ্মী বিনোদ পেগুৰ নেতৃত্বত পৰিচালিত স্বেচ্ছাসেৱী সংস্থা সৃষ্টিয়ে গছপুলি ৰোপণৰ বৰ্ষজোৰা কাৰ্যসূচী হাতত লৈছে আৰু কালি ধেমাজি জিলাৰ গোগামুখ মহৰিকেম্পত গছপুলি ৰোপণৰ কাৰ্যসূচী শুভাৰম্ভ কৰা হয় ।



দুই শতাধিক পুৰুষ-মহিলা উপস্থিত থকা উক্ত গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লক্ষীপ্ৰসাদ শৰ্মাই। তেওঁক সহযোগিতা কৰে স্বেচ্ছাসেৱী সংস্থা ইক' ছ'চাইটীৰ সম্পাদক হীৰু দাসে । সৃষ্টিৰ কৰ্মকৰ্তাসকলে জনোৱা মতে প্ৰথম পৰ্যায়ত তেওঁলোকে ৫ হাজাৰ গছপুলি ৰোপণ কৰিব আৰু ধাৰাবাহিকভাৱে এই কাৰ্যসূচী আগুৱাই নিব । তেওঁলোকে গোগামুখ মহৰিকেম্পত ২০০ জোপা গছপুলি ৰোপণ কৰে । উল্লেখনীয় যে স্বেচ্ছাসেৱী সংস্থা সৃষ্টিয়ে জনসাধাৰণৰ বিভিন্ন দুৰ্যোগৰ সময়ত দুৰ্গতসকলক দীৰ্ঘদিনে সহায়ৰ হাত আগবঢ়াই অহাৰ লগতে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰতো কাম কৰি আহিছে । তদুপৰি সৃষ্টিয়ে গ্ৰামাঞ্চলৰ মহিলাসকলক একত্ৰিত কৰি থলুৱা বস্ত্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰা, থলুৱা কৃষকক উৎসাহিত কৰিবলৈ কৃষি সংস্কৃতি গঢ়ি তোলা, উৎপাদিত শস্যজাত সামগ্ৰী সংৰক্ষণ কৰিবলৈ বা জমা ৰাখিবলৈ নিজাববীয়াকৈ গুদাম নিৰ্মাণ কৰাৰ লগতে থলুৱা আচাৰ, ধূপকাঠী, মমবাতি বনোৱাৰ বাবেও কাম হাতত লৈছে।

# ভাৰতীয় টকাৰ পৰা আঁতৰিব নেকি গান্ধীৰ ছবি

## দেশজুৰি চৰ্চিত খবৰৰ পিছত প্ৰতিক্ৰিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকৰ

**নতুন দিল্লী, ৬ জুন ঃ** ভাৰতীয় ৰিজাৰ্ভ বেংক কৰ্তৃপক্ষৰ পলমকৈ হ'লেও প্ৰকাশ কৰিছে কাগজী নোটৰ পৰা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবি অপসাৰণ কৰা বিষয়ত। যোৱা কেইবাদিনো ধৰি দেশজুৰি খলকনি তুলিছে এই খবৰে। কোৱা হৈছে যে কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন এন ডি এ মৰ্চাৰ চৰকাৰে জাতিৰ পিতাৰ প্ৰতিচ্ছবি অপসাৰণ কৰিবলৈ সিদ্ধান্ত লৈছে কাগজী নোটৰ পৰা। জাতিৰ পিতাৰ পৰিৱৰ্তে বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু মিছাইলমেন তথা প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ প্ৰতিচ্ছবি সংলগ্ন কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। দেশত সাহিত্যৰ বাবে ন'বেল বঁটা লাভ কৰা ৰবীন্দ্ৰ নাথ ঠাকুৰেই হ'ল সকলোধৰণৰ নোবেল বঁটাৰ ভিতৰত প্ৰথমে অৰ্জন



কৰা ব্যক্তি। কবিগুৰু বা বিশ্বকবি হিচাপে খ্যাত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ সৃষ্টিৰ প্ৰভাৱ আৰু মৌলিকতা এতিয়াও ভাৰতীয় সাহিত্য, সমাজ আৰু সংস্কৃতিৰ সৈতে জড়িত হৈ আছে। একেদৰে দেশত প্ৰতিৰক্ষাৰ ক্ষেত্ৰত স্বাৱলম্বী আৰু শক্তিশালী কৰাৰ পথ প্ৰশস্ত কৰি তোলা বিজ্ঞানী তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ এ পি জে আব্দুল কালাম প্ৰকৃতাৰ্থত সকলোৰে শ্ৰদ্ধাৰ ব্যক্তি। গতিকে বিজেপিৰ একাংশই জাতিৰ পিতা মহাত্মা গান্ধীৰ সম্পৰ্কত যিদৰে সঘনে বিতৰ্ক আৰু অপমান কৰি অহা দেখা গৈছে, ইয়াৰ জৰিয়তে বিজেপিয়ে শেষত ভাৰতীয় টকাৰ বুকুৰ পৰা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবি অপসাৰণ কৰিবলৈ সুযোগ সৃষ্টি কৰিছে। আনহাতে ৰবীন্দ্ৰ নাথ ঠাকুৰ বা আব্দুল কালামৰ প্ৰসংগত বৰ্তমানলৈ কোনো পক্ষই কঠোৰতা অৱলম্বন কৰা নাই। সেয়েহে এনেধৰণৰ এক প্ৰস্তাৱ বিবেচনাধীন হৈ থকা বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। আই আই টি দিল্লীৰ এমেৰিটাছ প্ৰফেচাৰ দিলীপ টি সাহানীয়ে ইতিমধ্যে ভাৰতীয় টকাৰ নতুন আৰ্হি প্ৰস্তুত কৰিছে আৰু সেই আৰ্হিত পৃথকে পৃথকে কবিগুৰু আৰু মিছাইল মেনৰ ফটো সংস্থাপিত কৰি চৰকাৰৰ বিবেচনাৰ বাবে দাখিল কৰিছে। উল্লেখ্য যে ১৯৯৬ৰ পৰা ৰিজাৰ্ভ বেংক কৰ্তৃপক্ষই ভাৰতীয় টকাত গান্ধী ছিৰিজ আৰম্ভ কৰিছিল আৰু সেই অনুসৰি ৫,১০,২০,৫০,১০০, ৫০০ আৰু এহেজাৰ টকাৰ নোটত গান্ধীৰ প্ৰতিচ্ছবি সংলগ্ন আছিল। কেন্দ্ৰীয় চৰকাৰে বিমুদ্ৰাকৰণৰ জৰিয়তে এহেজাৰ টকীয়া নোট বিলুপ্তি ঘটাই এতিয়া অন্যান্য কাগজী নোটসমূহৰ আকাৰ আৰু আৰ্হি সলনি কৰিছে। নতুনকৈ ২০০০ টকীয়া কাগজী নোটৰ প্ৰচলন কৰা হৈছে। অৱশ্যে ৰিজাৰ্ভ বেংক কৰ্তৃপক্ষই এনেধৰণৰ কোনো পদক্ষেপ গ্ৰহণ কৰা নাই বুলি স্পষ্ট কৰি দিছে। বৰ্তমানলৈকে বাতৰিত চৰ্চিত হোৱা ধৰণে নতুন কাগজী নোটত কালাম নে কবিগুৰুৱে স্থান পাব, জাতিৰ পিতাক অপসাৰণ কৰা হ'ব নেকি ইত্যাদি বিষয়ত কোনো সিদ্ধান্ত লোৱা হোৱা নাই বুলি স্পষ্ট কৰি দিছে।



*কাৰ্গিল যুদ্ধ আৰু ছাৰ্জিকেল ষ্ট্ৰাইকত ব্যৱহাৰ কৰা মিৰাগ-২০০০ যুদ্ধ বিমান ভাৰতীয় বায়ুসেনাৰ অতি বিশ্বস্ত আৰু শক্তিশালী সংগী ১৯৮২ চনৰ পৰা*

### ক'ভিডৰ চতুৰ্থ জোৱাৰৰ ইংগিত

## দেশত এদিনতে ৪,৫১৮জন নতুনকৈ আক্ৰান্ত

**নতুন দিল্লী, ৬ জুন ঃ** দেশত ক'ভিড-১৯ ভাইৰাছৰ চতুৰ্থ জোৱাৰৰ ইংগিত দিয়া হৈছে। কিয়নো কিছুদিন ধৰি সংক্ৰমণ আৰু ক'ভিডত মৃত্যুৰ সংখ্যা একপ্ৰকাৰ শূন্যৰ ঘৰলৈ নামি আহিছিল যদিও দেওবাৰৰ দিনটোত হঠাতে সংক্ৰমণ উৰ্ধমুখী হোৱা পৰিলক্ষিত হৈছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে সোমবাৰে



পুৱা প্ৰকাশ কৰা তথ্যত এই বিষয়টো সন্নিবিষ্ট হৈছে। মন্ত্ৰালয়ৰ তথ্য অনুসৰি যোৱা ২৪ ঘণ্টাত ৯ জন ক'ভিড আক্ৰান্ত মৃত্যুমুখত পৰিছে। ইফালে এই সময়ছোৱাত নতুনকৈ সংক্ৰমিত হৈছে ৪,৫১৮ জন। মৃত্যু সংখ্যা বৃদ্ধি হৈছে ৫,২৪,৭০১ জনলৈ আৰু সক্ৰিয় সংক্ৰমিত হৈছেগৈ ২৫,৭৮২ জন। পূৰ্বৰ ২৪ ঘণ্টাৰ তুলনাত সক্ৰিয় সংক্ৰমিত বৃদ্ধি হৈছে ১৭৩০ জন। অৱশ্যে যোৱা এদিনতে আৰোগ্য হৈছে ২,৭৭৯ জন ক'ভিড আক্ৰান্ত। ইয়াকে লৈ আৰোগ্য লাভ কৰা মুঠ ক'ভিড আক্ৰান্তৰ সংখ্যা হ'ল ৪,২৬,৩০,৮৫২ জন। আৰোগ্যৰ হাৰ ৯৮.৭৩ শতাংশ বুলি কোৱা হৈছে। দৈনিক সংক্ৰমিতৰ হাৰ ১.৬২ শতাংশলৈ বৃদ্ধি হোৱা বুলিও স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। আনহাতে ক'ভিড ভেকচিন প্ৰদান কৰা হৈছে ১৯৪.১২ কোটি ড'জ। যোৱা ২৪ ঘণ্টাত ক'ভিড টেষ্টৰ পৰিসংখ্যা হ'ল ২,৭৮,০৫৯। আনহাতে মৃত্যু হোৱা ন জনৰ ভিতৰৰে কেৰালাৰ চাৰি, উত্তৰ প্ৰদেশৰ দুই, আৰু মহাৰাষ্ট্ৰ, কৰ্ণাটক, পশ্চিমবংগৰ এজনকৈ আছে। উল্লেখ্য যে দেশত ক'ভিডত মৃত্যুৰ পৰিসংখ্যা পূৰ্বে উল্লেখ কৰা অনুসৰি ৫,২৪,৭০১ যদিও ইয়াৰে সৰ্বাধিক সংখ্যক হ'ল মহাৰাষ্ট্ৰ প্ৰদেশৰ। এই পৰিসংখ্যা ১,৪৭,৮৬৬ বুলি কোৱা হৈছে। ইয়াৰ পিছতে কেৰালাত ৬৯,৭৯০ জন; কৰ্ণাটকত ৪০,১০৮ জন; তামিলনাডুত ৩৮.০২৫ জন, দিল্লীত ২৬,২১২ জন, উত্তৰ প্ৰদেশত ২৩,৫২২ জন আৰু পশ্চিমবংগত ২১,২০৫ জন আছে।

## উত্তৰাখণ্ডৰ বাছ দুৰ্ঘটনাত মৃতকৰ সংখ্যা ২৬লৈ বৃদ্ধি

**উত্তৰ কাশী, ৬ জুন ঃ** এক ভয়ংক বাছ দুৰ্ঘটনাই শোকৰ ছাঁ পেলাইছে উত্তৰাখণ্ডত। আনকি মধ্যপ্ৰদেশতো এই শোক বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।



কিয়নো মধ্যপ্ৰদেশৰ পান্না জিলাৰ পৰা তীৰ্থযাত্ৰী কঢ়িয়াই নিয়া এখন বাছ উত্তৰ কাশীলৈ গৈ আছিল। তীৰ্থ ভ্ৰমণৰ উদ্দেশ্যৰে যোৱা বাছ যাত্ৰীসকলে যমুনেত্ৰী ৰাষ্ট্ৰীয় ঘাইপথেৰে আগুৱাই গৈ থকাৰ সময়তে এই ভয়ংকৰ দুৰ্ঘটনাত পতিত হয়। মুঠ ২৮ জন যাত্ৰী আছিল বুলি ধাৰণা কৰা হৈছে আৰু ইয়াৰে ২৬ জনৰ ইতিমধ্যে কৰুণ মৃত্যু ঘটিছে। উত্তৰ কাশী জিলাৰ দামতা নামৰ অঞ্চলত নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলত কমেও ১৫০ মিটাৰ গভীৰ খাদত পৰি যায় যাত্ৰীবাহী বাছখন। দেওবাৰে বিয়লি সংঘটিত হোৱা এই দুৰ্ঘটনাৰ পিছতে উত্তৰাখণ্ড আৰু মধ্যপ্ৰদেশৰ চৰকাৰে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামী, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী আদিয়ে উদ্ধাৰ অভিযানৰ পদক্ষেপ গ্ৰহণ কৰা বুলি প্ৰকাশ পাইছে। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে আহতসকলৰ খবৰ লৈছে চিকিৎসালয়ত। ইফালে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা এই দুৰ্ঘটনাৰ বাবে এক শোকবাৰ্তা প্ৰকাশ কৰা হৈছে। নিহতসকলৰ পৰিয়ালৰ নিকটআত্মীয়ক দুই লাখ টকা আৰু আহতক ৫০ হাজাৰ টকাৰ আৰ্থিক ক্ষতিপূৰণ দিব বুলি ঘোষণা কৰিছে। সম্প্ৰতি উত্তৰাখণ্ডত ছাৰধাম যাত্ৰা অব্যাহত আছে আৰু পাহাৰৰ ওপৰৰ দুৰ্গম অঞ্চলত আৰু যাতায়াতৰ বাবে সুচল নোহোৱা চাৰিখন তীৰ্থস্থান দৰ্শনৰ বাবে যোৱা মে' মাহৰ পৰা এই তীৰ্থযাত্ৰা আৰম্ভ হৈছে। ইয়াৰ মাজতে তীৰ্থযাত্ৰী হিচাপে যোৱা মধ্যপ্ৰদেশৰ বাছ দুৰ্ঘটনাই অন্যান্যসকলকো শংকিত কৰি তোলা হৈছে। কি কাৰণত এনে এক ভয়ংকৰ দুৰ্ঘটনাৰ সূত্ৰপাত হ'ল ইয়াৰ বাবে মধ্যপ্ৰদেশ চৰকাৰে লগতে উত্তৰাখণ্ড চৰকাৰে তদন্ত ঘোষণা কৰিছে।

## নূপুৰ শৰ্মাৰ বিতৰ্কিত মন্তব্যৰ পিছত ছৌদী আৰব, বাহৰেইনসহ আৰব দেশসমূহৰ ব্যাপক ক্ষোভ

**নতুন দিল্লী, ৬ জুন ঃ** বিজেপিৰ মুখপাত্ৰ নুপুৰ শৰ্মাই ইছলাম ধৰ্মৰ পবিত্ৰ ধৰ্মগুৰু সম্পৰ্কত প্ৰকাশ কৰা বিতৰ্কিত আৰু অপমানজনক মন্তব্য দেশৰ বাহিৰতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিজেপি দলে এইগৰাকী কৰ্মকৰ্তাক নিলম্বিত কৰিছে যদিও ইছলাম বিশ্বৰ নাগৰিকে ভাৰতীয় জনতা পাৰ্টীৰ এই পদক্ষেপ সন্দেহজনক বুলি ব্যক্ত কৰিছে। সোমবাৰে চৌডি আৰব আৰু বাহৰেইনৰ প্ৰতিবাদৰ সৈতে যোগ দিছে আৰব ৰাষ্ট্ৰৰ অন্যান্য সৰু-বৰ দেশসমূহেও। প্ৰকাশিত তথ্য অনুসৰি চৌডি আৰবৰ বৈদেশিক মন্ত্ৰীয়ে ব্যক্ত কৰে



যে ইছলাম ধৰ্মৰ পবিত্ৰতা আৰু অন্যান্য আভ্যন্তৰীণ বিষয়ত বিজেপি কৰ্মকৰ্তাই কৰা মন্তব্য কোনো কাৰণতে গ্ৰহণীয় নহয়। আনহাতে অন্যান্য দেশসমূহেও নুপুৰ শৰ্মাৰ লগতে বিজেপিৰ বিৰুদ্ধে কঠোৰতা অৱলম্বন কৰিছে। গতিকে এইগৰাকী কৰ্মকৰ্তাক কেবল নিলম্বন কৰিলেই দায়িত্বৰ ওৰ নপৰে। ইয়াৰ বিপৰীতে তেওঁক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰিবৰ বাবে দাবী কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে নুপুৰ শৰ্মাৰ ক্ষেত্ৰত আৰব দেশসমূহে সন্তুষ্ট হ'ব পৰা নাই ভাৰত চৰকাৰৰ ভূমিকাত। সেয়েহে কাটাৰ, ইৰাণ, কুৱেইট আদি দেশসমূহে ভাৰতীয় দূতাবাসলৈ চমন জাৰি কৰিছে আৰু জবাবদিহি কৰিছে। দূতাবাসৰ ভাৰপ্ৰপ্ত বিষয়াক তলব কৰি নিজৰ অসন্তুষ্টি ব্যক্ত কৰিছে। কাটাৰৰ ভাৰতীয় ৰাষ্ট্ৰদূত দীপক মিট্টালে এই বিষয়ত ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰালয়ৰ সৈতে আলোচনা কৰিছে আৰু কাটাৰৰ মনোভাৱ অৱগত কৰিছে। ব্যক্তিগতভাৱে দীপক মিট্টালে নিজেও ধৰ্মীয় বিষয়ত আপত্তিজনক আৰু স্পৰ্শকাতৰ মন্তব্য প্ৰকাশ কৰা কাৰ্যত অসন্তুষ্টি প্ৰকাশ কৰিছে। এই বিষয়ত কংগ্ৰেছ নেতা শশী ঠাৰুৰে বিজেপিক সমালোচনা কৰা দেখা গৈছে। তেওঁ কয় যে ভাৰতে এক ঘৰুৱা বিষয় এতিয়া বিজেপিৰ মাধ্যমেৰে আন্তঃৰাষ্ট্ৰীয় কৰি তুলিছে। ফলত ভাৰত এতিয়া বেলেগ বেলেগ ৰাষ্ট্ৰৰ দৃষ্টিত নিন্দনীয় হৈ উঠিছে। এনেধৰণৰ আপত্তিজনক বক্তব্য যিসকলে প্ৰদান কৰিছে তেওঁলোকে ইয়াৰ মূল্য ভৰিব লাগিব বুলি আঙুলিয়াই দিছে। ব্যক্তিগতভাৱে বা এটা দলে কৰা ভুলৰ প্ৰায়শ্চিত্ত গোটেই দেশখনে নকৰে বুলি আঙুলিয়াই দিছে। সমান্তৰালভাৱে পাকিস্তানৰ প্ৰধানমন্তৰ শ্বেহবাজ শ্বৰীফেও ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সমালোচনা কৰা দেখা গৈছে। ধৰ্মীয় বিষয়ত স্পৰ্শকাতৰ মন্তব্য কৰা বিজেপি নেতাগৰাকীয়ে ভাৰতীয় প্ৰধানমন্ত্ৰীৰ মনোভাব প্ৰকট কৰা বুলি আঙুলিয়াই দিছে। দেশখনত প্ৰধানমন্ত্ৰী মোদীয়ে মুছলমানসকলৰ স্বাধীনতা বিঘ্নিত কৰিছে আৰু সকলো ক্ষেত্ৰতে বাধা প্ৰদান কৰি আহিছে। এইসকলৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী মোদীয়ে কোনো পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই বুলি তেওঁ ব্যক্ত কৰিছে। উল্লেখ্য যে এটা টেলিভিচনৰ চেনেলত হোৱা আলোচনাত ভাগ লৈ নুপুৰ শৰ্মাই জ্ঞানবাপী মছজিদৰ বিষয়টো দাঙি ধৰিছে। এই বিষয়টো ক'বলৈ গৈ তেওঁ মুছলমান লোকসকলে হিন্দু ধৰ্মৰ বিশ্বাস আৰু অস্তিত্ব ভূলুণ্ঠিত কৰা বুলি দাবী কৰিছে। কিন্তু এই বক্তব্য উত্থাপনৰ মাজতে ইছলামৰ পৱিত্ৰ ধৰ্ম গুৰুৰ বিৰুদ্ধেও আপত্তিজনক মন্তব্য প্ৰকাশ কৰিছে। ফলত ইছলাম বিশ্ব জাগ্ৰত আৰু ধৰ্মগুৰু তথা ধৰ্মীয় নীতিক অপমান কৰা বুলি বিশ্বজুৰি অভিযোগ উত্থাপন কৰা দেখা গৈছে। আনকি ইছলাম বিশ্বৰ একাংশ দেশে ভাৰতৰ বিৰুদ্ধে অৰ্থনৈতিক প্ৰতিবন্ধকতা আৰোপ কৰিবলৈ দাবী জনোৱা দেখা গৈছে। সমান্তৰালভাৱে ভাৰতত প্ৰস্তুত কৰা তথা ভাৰতৰ পৰা আমদানি কৰা সকলোধৰণৰ সামগ্ৰী ইছলাম ধৰ্মীয় লোকসকলে বৰ্জন কৰিব লাগে বুলি আহ্বান জনোৱা দেখা গৈছে। যাৰ বাবে দেশৰ চৰকাৰ তীব্ৰ হেঁচাত পৰিছে।



*ব্ৰহ্মাস্ত্ৰ ঃ শিৱ শীৰ্ষক আয়ান মুখাৰ্জীৰ আহিব লগা নতুন চলচ্চিত্ৰখনত ৰণবীৰ কাপুৰসহ অমিতাভ বচ্চন, আলিয়া ভাট, নাগাৰ্জুন, মৌনী ৰয় আদিক দেখা যাব।*

## ছাংৰুৰ লোকসভা উপ-নিৰ্বাচনত বিজেপিৰ কেৱল সিং ধিলন হ'ব প্ৰাৰ্থী

### আজমগৰত দীনেশ লাল যাদৱ, ৰামপুৰত ঘনশ্যাম লুধী

**নতুন দিল্লী, ৬ জুন ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মনে ছাংৰুৰ লোকসভা সমষ্টিৰ সাংসদ পদ ত্যাগ কৰাৰ ফলত সেই সমষ্টিত উপ-নিৰ্বাচন আৱশ্যকীয় হৈ পৰিছে। আজি অৰ্থাৎ ৬ জুন তাৰিখে উক্ত সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীয় প্ৰাৰ্থিত্ব প্ৰদান কৰিছে কেবল সিং ধিলন নামৰ নেতাজক। বিজেপিৰ ৰাষ্ট্ৰী মহাসচিব অৰুণ সিঙে এই কথা প্ৰকাশ কৰিছে। উল্লেখ্য যে কংগ্ৰেছ দলৰ পৰা দুবাৰকৈ বিধায়ক নিৰ্বাচিত হৈছি



কেবল সিং ধিলন। যোৱা বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ ত্যাগ কৰি ধিলনে যোগ দিছিল বিজেপি দলত। আনহাতে ২০১৪ আৰু ২০১৯ বৰ্ষৰ নিৰ্বাচনত ভগৱন্ত মনে ছাংৰুৰ সংসদীয় সমষ্টিৰ পৰা দুবাৰকৈ লোকসভালৈ নিৰ্বাচিত হৈছে। শনিবাৰে বিজেপিয়ে দুটাকৈ লোকসভা সমষ্টি আৰু সাতটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। ইফালে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সাহাই উপ-নিৰ্বাচনত ভাগ লৈছে আৰু ৰাজ্যখনৰ টাউন বৰদোৱালি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতাৰ বাবে মনোনয়ন দাখিল কৰিছে। ভোজপুৰী গায়ক দিনেশ লাল যাদৱে আজমগৰ আৰু ধনশ্যাম লুধিয়ে ৰামপুৰ সংসদীয় সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। ৬ জুন তাৰিখে মনোনয়ন দাখিল অন্তিম দিন আছিল আৰু অহা ২৩ জুন তাৰিখে ভোটগ্ৰহণ, ২৬ জুন তাৰিখে ভোট গণনা আছে। উত্তৰ প্ৰদেশৰ আজমগৰ আৰু ৰামপুৰ সংসদীয় সমষ্টি দুটাত উপ-নিৰ্বাচনৰ প্ৰতিদ্বন্দ্বিতা তীব্ৰতৰ হ'ব বুলি ধাৰণা কৰা হৈছে। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে আজমগৰ আৰু মহম্মদ আজম খানে ৰামপুৰ সমষ্টিৰ পৰা সংসদলৈ নিৰ্বাচিত হৈছিল। চলিত বৰ্ষৰ মাৰ্চ মাহত হোৱা বিধানসভাৰ নিৰ্বাচনত দুয়োজনে বিধানসভালৈ নিৰ্বাচিত হৈছে। গতিকে তেওঁলোকে লোকসভাৰ সমষ্টি দুটা ত্যাগ কৰিছে। আজমগড় মুছলমান ভোটৰ আধিক্য আছে আৰু যাদৱ জনপ্ৰিয় আছিল। এই সমষ্টিত বি এছ পি দলৰ প্ৰাৰ্থী হ'ল শ্বাহ আলম। আনহাতে ৰামপুৰত মহম্মদ আজম খানে বিধানসভালৈ নিৰ্বাচিত হোৱাৰ বাবে সাংসদ পদ ত্যাগ কৰিছে। এই সমষ্টিত বি এছ পি দলে প্ৰাৰ্থী প্ৰক্ষেপ নকৰে বুলি ঘোষণা কৰিছে। গতিকে বিজেপিৰ প্ৰাৰ্থী হ'ল ঘনশ্যাম লুধি। ইফালে আজমগৰ আৰু ৰামপুৰ দুয়োটা সমষ্টিতে সমাজবাদী পাৰ্টীয়ে পৰাজয়ৰ আশংকাত ভুগিছে। চৰকাৰ গঠন কৰিব নোৱাৰা বাবে সমাজবাদী পাৰ্টীৰ নেতা-কৰ্মীসকলে গেৰুৱা দলত যোগদান কৰা বুলি প্ৰকাশ পাইছে।

## এ আই এ ডি এম কে দল একত্ৰীকৰণৰ আহ্বান শশীকলাৰ



**চেন্নাই, ৬ জুন ঃ** তামিলনাডুত শেহতীয়াকৈ এ আই এ ডি এম কে আৰু বিজেপিৰ মাজত দেখা দিয়া সংঘাতৰ বাবে মুখ খুলিছে দলৰ এসময়ৰ মহা সচিব ভি কে শশীকলাই। নিজকে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্যখনৰ আম্মাখ্যাত জে জয়ললিতাৰ উত্তৰাধিকাৰী হিচাপে দাবী কৰা শশীকলাই সোমবাৰে কয় যে এআই এ ডি এম কেৰ যিবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ বিভাজন ঘটিছে সেই আটাইবোৰ নোহোৱা কৰিব লাগিব। দলৰ পৰা আঁতৰি যোৱা আৰু পৃথক দল গঠন কৰাসকলক পুনৰ সন্মানসহকাৰে দলৰ মজিয়ালৈ ঘূৰাই আনিব লাগিব। তেতিয়াহে এআইএডিএমকে দল শক্তিশালী হ'ব। এই দলটো শক্তিশালী হ'লে তামিলনাডুৰ ৰাইজে বিকল্পৰ কথা চিন্তা নকৰিব। উল্লেখ্য যে বিগত বিধানসভা নিৰ্বাচনত এ আই এ ডি এমকেৰ সৈতে বিজেপিয়ে আসনৰ ভাগ বটোৱাৰা কৰিছিল। কিন্তু দুয়োটা দল কাৰ্যতঃ ব্যৰ্থ হ'ল। ফলত ইটোৱে সিটো দলৰ গাত দোষ জাপি দি নিজে দায় সাৰিব খোজা দেখা গ'ল। আনহাতে ক্ষমতা হেৰুওৱাৰ পিছত এ আই এ ডি এম কেৰ একাংশই শশীকলাক পুনৰ দলৰ মজিয়ালৈ ঘূৰাই অনাৰ পোষকতা কৰিছে। কিয়নো শশীকলাৰ অবিহনে দলটো একত্ৰিত কৰি ৰখা আৰু ভৱিষ্যতে ক্ষমতা দখল কৰাটো সম্ভৱ নহ'ব বুলি ব্যক্ত কৰা হৈছে। ইয়াৰ বিপৰীতে ই কে পালানাস্বামীয়ে শশীকলাৰ পুনৰ ঘূৰি অহা কাৰ্য সমৰ্থন কৰা নাই। আনহাতে অ' পনিৰছেলভাম গোটটোৱে শশীকলাৰ পুনৰ অন্তৰ্ভুক্তিক আদৰণি জনাইছে। উল্লেখ্য যে এই দুই খণ্ডৰ উপৰিও এ আই ডি এম কে দলৰ জয় কুমাৰ আৰু চি ভি ছানমুগামৰ অন্য দুটা উপ-গোট আছে। গতিকে কমেও চাৰিটা খণ্ডত বিভক্ত হৈ আছে এ আই এ ডি এম কে। ইফালে বিজেপিয়ে বিগত নিৰ্বাচনৰ ব্যৰ্থতাৰ বাবে এ আই এ ডি এম কে দলৰ দোষাৰোপ কৰিছে। বিধানসভাৰ মজিয়াতো বিজেপি আৰু এ আই এ ডি এম কেৰ পাৰ্থক্য ওলাই পৰিছে। চৰকাৰৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণৰ সময়ত দুয়োটা দলৰ দূৰত্ব বৃদ্ধি পোৱা দেখা গৈছে। সেয়েহে শশীকলাই এতিয়া এ আই এ ডি এম কে দলৰ আটাইকেইটা ভোটৰ একত্ৰিকৰণ কৰি শক্তিশালী ৰূপত আত্মপ্ৰকাশৰ আৱশ্যকতা দোহাৰিছে।

### কানপুৰ সংঘৰ্ষৰ ৪০ অভিযুক্তৰ ফটো ৰাজহুৱা কৰিলে উত্তৰ প্ৰদেশ আৰক্ষীয়ে

## শুকুৰবাৰে পেৰেড চৌকত শিল নিক্ষেপ, আক্ৰমণ কৰিছিল সামান্য অজুহাতত

**কানপুৰ, ৬ জুন ঃ** উত্তৰ প্ৰদেশৰ কানপুৰ পেৰেড মাৰ্কেট চৌকত শুকুৰবাৰে সামান্য অজুহাততে একাংশ দুষ্কৃতিকাৰীয়ে ৰাজপথত চৰম উদ্ভণ্ডালি আৰু হিংসাত্মক আক্ৰমণ সংঘটিত কৰিছিল। হাতে হাতে লাঠী, চোকা অস্ত্ৰ, শিল, ইটা আদি লৈ পথচাৰীক আক্ৰমণ কৰিছিল। যাৰ বাবে বহুতো লোক জখম হৈছিল। সমান্তৰালভাৱে দোকান-পোহাৰ আদিও ধ্বংস কৰি দিয়া দেখা গৈছিল। এই ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু ইয়াৰ আঁৰত মুছলমান মৌলবাদী সংগঠন জড়িত থকা বুলি অভিযোগ উঠিছে। ইফালে আৰক্ষীয়ে ক্ষীপ্ৰতাৰে তদন্ত আগুৱাই নিছে। কানপুৰ জিলা আৰক্ষীয়ে সোমবাৰে ৪০টা সন্দেহযুক্ত আক্ৰমণকাৰীৰ ফটো ৰাজহুৱা কৰিছে। চহৰখনৰ বিভিন্ন স্থানত হৰ্ডিং আঁৰি দিয়া হৈছে। এই ফটোসমূহ চিনাক্ত কৰিব পাৰিলে আৰক্ষীক জনাবলৈ মোবাইল নম্বৰ সংলগ্ন কৰি দিছে। খবৰ প্ৰদান কৰা সকলৰ পৰিচয় গোপনে ৰখা হ'ব বুলি আৰক্ষীয়ে নিৰ্ভয় প্ৰদান কৰিছে। চি চি টিভি ফুটেজ,







ভিডিঅ' ফুটেজ আৰু অন্যান্য ফটো, ৱাটছআপ, ফেচবুক, মেছেঞ্জাৰ আদিত উপলব্ধ হোৱা ফটোৰ জৰিয়তে এই অভিযুক্ত অপৰাধীসকলক আঙুলিয়াই দিয়া হৈছে। আনকি এই লোকসকলে স্থানীয় লোকক উচটনি দিয়া বুলিও অভিযোগ উঠিছে। উত্তৰ প্ৰদেশ আৰক্ষীয়ে ইতিমধ্যে ৰে'ল আস্থান, বাছ আস্থান, বজাৰ আদি বিভিন্ন ৰাজহুৱা স্থানত এই ফটোসমূহ হৰ্ডিঙৰ জৰিয়তে ৰাজহুৱা কৰিছে। ইয়াত স্থানপ্ৰাপ্ত ২০জন অতি দাগী অপৰাধীও বুলিও কোৱা হৈছে। মুঠ ২৫ খন বৃহদাকাৰৰ হৰ্ডিং ৰাজহুৱা স্থানত আঁৰি দিয়া হৈছে। ইফালে আৰক্ষীয়ে কমেও ১০০জন লোকক চিনাক্ত কৰিছে। আৰক্ষীৰ অতিৰিক্ত আয়ুক্ত আনন্দ প্ৰকাশ তিৱাৰীয়ে প্ৰকাশ কৰিছে যে অঞ্চলটোৰ আইন-শৃংখলা সম্প্ৰতি নিয়ন্ত্ৰণৰ অধীনত আছে। বৰ্তমানলৈকে ৩৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। প্ৰণিধানযোগ্য এয়ে যে বিজেপিৰ মুখপাত্ৰ নুপুৰ শৰ্মাৰ এক স্পৰ্শকাতৰ মন্তব্যৰ পিছতে বিভিন্ন স্থানত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। তাৰ অংশ হিচাপেই উৰা বাতৰি বিয়পি পৰে। কানপুৰ চহৰতো এনেধৰণৰ উৰা বাতৰিৰ ফলত জটিল পৰিস্থিতিৰ সৃষ্টি হোৱা দেখা যায়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অৰ্ধসামৰিক বাহিনী নিয়োগ কৰিব লগা হৈছে।

# মহিলাৰ ডাবলছ খিতাপ লাভ কেৰ'লিনা-কৃষ্টিনাৰ



**পেৰিছ, ৬ জুন ঃ** ২৪ ঘণ্টাৰ ভিতৰত চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনত দ্বিতীয়খন ফাইনেলত ব্যৰ্থতাৰ সন্মুখীন হ'ল আমেৰিকাৰ কিশোৰী কোকো গাউফ। উল্লেখ্য যে ফ্ৰান্সৰ যুটি কেৰ'লিন গাৰ্চিয়া আৰু কৃষ্টিনা মালডেনভিচে আমেৰিকান ক'কো গাউফ আৰু জেচিকা পেগুলাক ২-৬, ৬-৩, ৬-২ ৰ ব্যৱধানত পৰাস্ত কৰি দ্বিতীয়বাৰৰ বাবে গ্ৰণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ মহিলা ডাবলছৰ খিতাপ দখল কৰিছে। ইয়াৰপূৰ্বে ২০১৬ ত কেৰ'লিন গাৰ্চিয়া আৰু কৃষ্টিনা মালডেনভিচে এই খিতাপ দখল কৰিছিল। গাৰ্চিয়াই ২০১৯ আৰু ২০২০ তো টিমিয়া বাবছৰ স'তে খিতাপ জয় কৰাৰ পাছত ফ্ৰেন্স অপেনত চতুৰ্থটো মহিলা ডাবলছ মুকুট লাভ কৰিলে। ২০১৮ আৰু ২০২০ ৰ অষ্ট্ৰেলিয়ান অ'পেনকে ধৰি এতিয়া তেওঁ ছটা গ্ৰেণ্ডশ্লাম ডাবলছ খিতাপ দখল কৰিলে। ইফালে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ মহিলাৰ একক শাখাৰ ফাইনেলত পোলেণ্ডৰ ইগা ছিয়াটেকৰ মুখামুখি হৈছিল আমেৰিকাৰ কিশোৰী কোকো গাউফ। ৬৮ মিনিটৰ একপক্ষীয় যুঁজত অভিজ্ঞ ইগাই ৬-১, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে কোকোক। কেৰিয়াৰৰ প্ৰথমখন গ্ৰেণ্ড শ্লেমৰ ফাইনেল খেলিছিল ১৮ বছৰীয়া গাউফে।

# পুৰুষৰ ডাবল্‌ছ খিতাপ লাভ মাৰ্চেলো আৰেভালে-জুলিয়েন ৰ'জাৰ যুটিৰ

**পেৰিছ, ৬ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ পুৰুষৰ ডাবলছ খিতাপ দখল কৰিছে মাৰ্চেলো আৰেভালো আৰু জিন-জুলিয়েন ৰ'জাৰৰ যুটিয়ে। যোৱানিশাৰ ফাইনেলত নেদাৰলেণ্ডৰ জিন জুলিয়েন ৰ'জাৰ আৰু আমেৰিকাৰ এল ছালভাডৰৰ মাৰ্চেলো আৰেভালোই পুৰুষৰ ডাবলছ ফাইনেলত পৰাস্ত কৰে ক্ৰ'ৱেচিয়াৰ ইভান ডডিগ আৰু আমেৰিকান অষ্টিন ক্ৰাজিচেকক। ব্যৱধান হ'ল ৬-৭, ৭-৬, ৬-৩ । উল্লেখ্য যে ছেমিফাইনেলত মাৰ্চেলো আৰেভালো আৰু জিন-জুলিয়েন ৰ'জাৰৰ হাততে পৰাজয় বৰণ কৰিছিল ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ সংগী মিডেলকুপ। উল্লেখ্য যে ১৬ নং বাছনিপ্ৰাপ্ত বপান্না আৰু মিডেলকুপে এল ছালভাডৰ আৰু নেদাৰলেণ্ডৰ ১২ নং বাছনিপ্ৰাপ্ত যুটিৰ হাতত ৬-৪, ৩-৬, ৬-৭ ত পৰাস্ত হয়। পুৰুষৰ ডাবলছ শাখাৰ ছেমিফাইনেল মেচখন দুঘণ্টা সাত মিনিট ধৰি চলিছিল। উল্লেখ্য যে ২০১৩ ত লিয়েণ্ডাৰ পেছে ইউ এছ অ'পেনত জয়লাভ কৰাৰ পিছত কোনো ভাৰতীয়ই গ্ৰেণ্ড শ্লেম পুৰুষৰ ডাবলছ ফাইনেলত খেলা নাছিল। এইবাৰ বোপান্নাই ন বছৰৰ পাছত এই কৃতিত্ব অৰ্জন কৰা প্ৰথমজন ভাৰতীয় হোৱাৰ দিশে অগ্ৰসৰ হৈছিল যদিও সপোন অপূৰ্ণ হৈ থাকিল।



# আন্তঃজিলা কিক্ বক্সিঙত নগাঁৱৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ৬ জুন ঃ** গোলাঘাট ৱাক' কিক্ বক্সিং সন্থাৰ উদ্যোগত গোলাঘাটৰ মহেশ্বৰী ভৱনত যোৱা ৩ৰ পৰা ৫ জুনলৈ অনুষ্ঠিত হৈ যোৱা তৃতীয় সদৌ অসম আন্তঃ জিলা ৱাক' কিক্ বক্সিং প্ৰতিযোগিতাত নগাঁও জিলাৰ চাৰিগৰাকী খেলুৱৈয়ে স্বৰ্ণ আৰু দুগৰাকীয়ে ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ ন গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত স্বৰ্ণ পদক অৰ্জন কৰা খেলুৱৈ কেইগৰাকী হ'ল— হৃদয় হাজৰিকা (কে-১ শাখা), ধৃতিশা চমুৱা (লাইট কণ্টেক্ট), স্মিতা বৰা (কিক লাইট) আৰু জিতুমণি হাজৰিকা (পইণ্ট ফাইট)। আনহাতে, ৰূপৰ পদক অৰ্জন কৰে অভিজ্ঞান শইকীয়া (পইণ্ট ফাইট) আৰু অৰূপ ৰাজখোৱাই (লাইট কণ্টে)। উল্লেখ্য যে, উক্ত পদকপ্ৰাপকসকলে কলকতাত ২১ৰ পৰা ২৫ জুনলৈ অনুষ্ঠিত হ'ব লগা ৱাক' ইণ্ডিয়া ৰাষ্ট্ৰীয় কিক্ বক্সিং প্ৰতিযোগিতাত অসম দলত স্থান লাভ কৰা বুলি নগাঁও জিলা এমেছাৰ কিক্ বক্সিং সন্থাৰ সভাপতি জ্যোতিৰ্ময় বড়োৱে জনাইছে। নগাঁও দলটোৰ মুখ্য প্ৰশিক্ষকৰ দায়িত্বত নীলাক্ষী শইকীয়া আৰু মেনেজাৰৰ দায়িত্বত আছিল জ্যোতিকা হাজৰিকা।



# 'ৱৰ্ল্ড ছেম্পিয়নশ্বিপ-২০২২'লৈ মনোনীত কানৈৰ ছাত্ৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিব্ৰুগড়, ৬ জুন ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক কলা শাখাৰ ছাত্ৰ আব্দুল ৰজকে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পাঞ্জা প্ৰতিযোগিতাত ৬৩ কেজি ইউথ শাখাত সোণৰ পদক আৰু ৬৩ কেজি জুনিয়ৰ শাখাত ৰূপৰ পদক লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। 'ব'ৰ্ড অৱ কণ্ট্ৰল ফৰ আৰ্মৰেষ্টলিং ইন ইণ্ডিয়া'ই ১৮ মে'ৰ পৰা ২০ মে', ২০২২লৈ গোৱাত আয়োজন কৰা এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাখনত অংশ গ্ৰহণ কৰি ছাত্ৰ আব্দুল ৰজকে দুটিকৈ পদক কঢ়িয়াই অনাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰগৰাকীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে ভৱিষ্যতে আৰু অধিক আগবাঢ়ি যাবৰ বাবে প্ৰেৰণা যোগায়। উল্লেখ যে ছাত্ৰ আব্দুল ৰজকে চলিত মাহত ফ্ৰান্স আৰু মালয়েছিয়াত অনুষ্ঠিত হ'বলগীয়া 'ৱৰ্ল্ড ছেম্পিয়নশ্বিপ ২০২২' আৰু এছিয়ান ছেম্পিয়নশ্বিপ ২০২২ৰ আৰ্মৰেষ্টলিং প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰিবৰ বাবে মনোনীত হৈছে।

# খেলো ইণ্ডিয়াৰ দ্বিতীয় দিনা অসমৰ চমকপ্ৰদ প্ৰদৰ্শন

**গুৱাহাটী, ৬ জুন ঃ** হাৰিয়ানাত চলি থকা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ খেলুৱৈয়ে পদক জয়ৰ চমকপ্ৰদ যাত্ৰা অব্যাহত ৰাখি আজি দ্বিতীয় দিনা এটা সোণসহ মুঠ ১০টা পদক লাভ কৰি তালিকাত নৱম স্থানত উপনিত হৈছে। উল্লেখ্য যে আজি অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিন্‌হাই। ইফালে, থাংটাত আজি ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা আৰু ম'নালী গগৈয়ে। আনহাতে, থাংটাত দিনটোৰ তৃতীয়টো পদক অসমক দিয়ে সুৰজ সিঙে ব্ৰঞ্জ লাভ কৰি। ইফালে, আজি অসমৰ হৈ এটা ৰূপৰ পদক লাভ কৰে যোগাসনত সুমিত দে। ইয়াৰপূৰ্বে প্ৰথমদিনা অসমৰ থাংটাৰ তিনি খেলুৱৈ ৰাহুল চৌহান, য়াইখ'স্বা আৰু ইলিনাই ৰূপৰ পদক অৰ্জন কৰাৰ লগতে এম সান্তামনিয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ইফালে, প্ৰথম দিনা ভাৰোত্তোলনত ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হৈছিল। ছোৱালীৰ ৪০ কেলোগ্ৰাম শাখাত অসমৰ ৰেখামণিয়ে স্নেচত ৫২ আৰু ক্লিন এণ্ড জাৰ্কত ৫৭ মুঠ ১০৯ কেজি উত্তোলন কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে ২০১৮ ৰ পৰা আৰম্ভ হোৱা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ প্ৰথম সংস্কৰণত অসমে এটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰি মুঠ চাৰিটা পদকৰে তালিকাৰ ২৩ নম্বৰ স্থানত আছিল। পৰৱৰ্তী ২০১৯ ৰ দ্বিতীয় খেলো ইণ্ডিয়া যুৱ গেমছত অসমে তিনিটা সোণ, এটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জ লাভ কৰি মুঠ আঠটা পদকৰে তালিকাৰ ২০ নম্বৰ স্থানত থাকে। তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অনুষ্ঠিত হৈছিল গুৱাহাটীত। আয়োজক ৰাজ্য হিচাপে অসমে সকলো ইভেণ্টত খেলাৰ সুযোগ লাভ কৰি মুঠ ৭৬ টা পদক অৰ্জন কৰে আৰু তালিকাৰ সপ্তম স্থানত থাকিবলৈ সক্ষম হয়। উল্লেখ্য যে গৃহভূমিত হোৱা তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অসমে ২০ টা সোণ, ২২ টা ৰূপ আৰু ৩৪ টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।




## সাত-১১ বছৰ অনূৰ্ধ্ব দবা প্ৰতিযোগিতা

# ধান্যতা গোস্বামী-অথৰ্ব মহন্ত চেম্পিয়ন

**গুৱাহাটী, ৬ জুন ঃ** গুৱাহাটী দবা একাডেমীয়ে আয়োজন কৰা সাত আৰু ১১ বছৰ অনূৰ্ধ্ব দবা প্ৰতিযোগিতাৰ সাত বছৰ শাখাত ধান্যতা গোস্বামীয়ে ছয় ৰাউণ্ডৰ পৰা ছয় পইণ্ট সংগ্ৰহ কৰি খিতাপ অৰ্জন কৰে। পাৰ্থিৱ শংকৰ ছানাই ৪.৫ পইণ্ট সংগ্ৰহ কৰি দ্বিতীয় স্থান লাভ কৰে। আনহাতে, প্ৰহৰ্ষ চৌধুৰীয়ে ৩.৫ অৰ্জন কৰি তৃতীয় স্থান লাভ কৰে। শ্বানায়া ভৌমিক আৰু আৰাধ্যা বক্সীয়ে তিনি পইণ্টকৈ সংগ্ৰহ কৰে যদিও টাই-ব্ৰেক স্ক'ৰৰ ভিত্তিত শ্বানায়াক চতুৰ্থ আৰু আৰধ্যাক পঞ্চম ঘোষণা কৰা হয়। ইফালে, ১১ বছৰ অনূৰ্ধ্ব শাখাত অথৰ্ব মহন্তই ছয় ৰাউণ্ডৰ পৰা ৫.৫ অৰ্জন কৰি প্ৰথম স্থান অধিকাৰ কৰে। নীহাৰ দাসে সমসংখ্যক ৰাউণ্ডৰ পৰা পাঁচ পইণ্ট সংগ্ৰহ কৰি দ্বিতীয় স্থান লাভ কৰে। স্বপ্নীল কৰে ৪.৫ অৰ্জন কৰি তৃতীয় স্থান লাভ কৰে। হৃয়ান কৌশিক ঠাকুৰীয়া আৰু ভিভান আৰিজ ঠাকুৰীয়াই চাৰি পইণ্টকৈ সংগ্ৰহ কৰে যদিও টাই-ব্ৰেক স্ক'ৰৰ ভিত্তিত হৃয়ানক পঞ্চম আৰু ভিভানক ষষ্ঠ ঘোষণা কৰা হয়। প্ৰতিযোগিতাখন আৰ জি বৰুৱা পথত অৱস্থিত গুৱাহাটী দবা একাডেমীত অনুষ্ঠিত হৈছিল। সাত আৰু ১১ বছৰ অনূৰ্ধ্ব দুয়োটা শাখাত মুঠ ২২জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। ৰাস্ত্ৰীয় আৰ্বিটাৰ প্ৰণৱ কুমাৰ নাথে মুখ্য পৰিচালক হিচাপে প্ৰতিযোগিতাখন পৰিচালনা কৰিছিল।

# কাৰাটে প্ৰশিক্ষণ শিবিৰত সতীৰ্থৰ সন্মিলন

**গুৱাহাটী, ৬ জুন ঃ** মৰিগাঁও জিলা হেপকিড'অ সমিতিৰ উদ্যোগত মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা সদৌ অসম হেপকিড'অ প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি মৰিগাঁও কাৰাটে প্ৰশিক্ষণ শিবিৰত এখন ন-পুৰণি সতীৰ্থ সন্মিলন অনুষ্ঠিত হৈ যায়। মৰিগাঁও জিলা সমিতিৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক তথা কাৰাটে প্ৰশিক্ষক মানস কুমাৰ নাথে আঁত ধৰা ন-পুৰণি সতীৰ্থ সন্মিলনত অভিনন্দন আৰু উৎসাহ মূলক বক্তব্য আগবঢ়াই মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যাপক মহেন্দ্ৰ নাথ হাজৰিকা, প্ৰাক্তন পৌৰপতি অৰ্চনা বৰদলৈ, জিলা বিজেপিৰ সভাপতি তথা প্ৰাক্তন ছাত্ৰ প্ৰবীণ মেধী, বৰ্তমানৰ ছাত্ৰ জিতুমণি দাস আদিয়ে। তদুপৰি ন-পুৰণি সতীৰ্থ সন্মিলনত কাৰাটে প্ৰশিক্ষণ শিবিৰৰ প্ৰাক্তন ছাত্ৰ তথা মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমনি নাথ,প্ৰাক্তন ছাত্ৰ বসন্ত হীৰা, কমেন্দ্ৰ দাস, মনোজ ডেকাৰজা, বিজয় দাস, হিৰণ্য কুমাৰ নাথ, ত্ৰিব্যজিৎ নাথ, অজিত নাথ, ঘ্যানেন্দ্ৰ নাথ, পৰাগ শৰ্মা, নিধন কলিতা, ভদ্ৰেশ্বৰ মেধী, ধৰণীধৰ ৰাজবংশী আদি কৰি অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

# জিয়াউৰ ৰহমান মৰাণ আন্তঃবিদ্যালয় ফুটবল

**গুৱাহাটী, ৬ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্তঃ বিদ্যালয় ফুটবলত ৰাইদঙীয়া উচ্চ মাধ্যমিক বিদ্যালয় আৰু ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰৱৰ্তী ৰাউণ্ডলৈ উন্নীত হৈছে । আজি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ শেষৰখন খেলত ৰাইদঙীয়া উচ্চ মাধ্যমিক বিদ্যালয়ে বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ক সামগ্ৰিকভাৱে ৬-৫ গ'লৰ ব্যৱধানত পৰাজিত কৰে । নিৰ্ধাৰিত সময়ত ২-২ গ'লত খেলখন ড্ৰ হোৱাত টাইব্ৰেকাৰ পদ্ধতিৰে ফলাফল নিৰ্ণয় কৰা হয়। ইফালে, ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয় মাজত অনুষ্ঠিত দ্বিতীয় ৰাউণ্ডৰ প্ৰথমখন খেলত ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ক সামগ্ৰিকভাৱে ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে । নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত অমিমাংসিত হোৱাত টাইব্ৰেকাৰত ধমনে তিনি গ'ল দিয়াৰ বিপৰীতে বিবেকানন্দই এটাও গ'ল দিব নোৱাৰিলে। উল্লেখ্য যে, শলগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ে প্ৰতিযোগিতাৰ উদ্বোধনী খেলত স্বামী বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়ক পৰাজিত কৰিছিল যদিও বিদ্যালয়ৰ বাহিৰৰ খেলুৱৈক দলত অন্তৰ্ভুক্ত কৰাত অনুশাসনমূলক ব্যৱস্থাৰে প্ৰতিযোগিতাৰ পৰা বাহিৰ কৰা হয়। ইফালে, চলিত মৰাণ আন্তঃ বিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ পৰা আদৰ্শ ছিনিয়ৰ ছেকেণ্ডেৰী বিদ্যালয় দলটোৰ অনুশাসন ভংগৰ অপৰাধত নিলম্বন কৰা হৈছে । মৰাণ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ বৰুৱাই জনোৱা মতে, বিদ্যালয়ৰ দলটোৱে যোৱা ৪ জুনত চেপন উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিৰুদ্ধে খেলা খেলখনত বিদ্যালয়ৰ বাহিৰৰ খেলুৱৈক দলত অন্তৰ্ভুক্ত কৰিছিল। ইফালে, এই মেচত পৰাস্ত হোৱা দল চেপন উচ্চ মাধ্যমিক বিদ্যালয়ক পৰৱৰ্তী খেলত খেলাৰ সুবিধা প্ৰদান কৰা হৈছে।



# দুবছৰৰ পাছত নতুন ফুটবল ছিজনৰ বাবে সাজু হৈছে নগাঁও ক্ৰীড়া সন্থা

**গুৱাহাটী, ৬ জুন ঃ** ৰাজ্যখনৰ ভিতৰতে অন্যতম অগ্ৰণী ক্ৰীড়া সংগঠন নগাঁও ক্ৰীড়া সংস্থাৰ কাৰ্যনিৰ্বাহক সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তগ্ৰহণ কৰা হৈছে । সংস্থাটোৰ সাধাৰণ সম্পাদক প্লাৱণ বৰুৱাই জনোৱা মতে আজি সংস্থাৰ অন্তৰ্গত নগাঁও জিলাৰ ফুটবল ৰেফাৰীসকলৰ শাৰীৰিক সক্ষমতাৰ পৰীক্ষা লোৱা হয় আৰু শাৰীৰিক সক্ষমতাত উত্তীৰ্ণ হোৱা ৰেফাৰীসকলেই আগন্তুক ফুটবল লীগৰ খেলসমূহ পৰিচালনা কৰিব পাৰিব । তেওঁ লগতে উল্লেখ কৰে যে অহা ১১ জুনত সংস্থাৰ ৮২ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হ'ব । ইপিনে, ক্ৰিকেট খেলুৱৈৰ বাহিৰে অহা ১১ আৰু ১২ জুনত সংস্থাৰ বাকী আন এঘাৰটা শাখাৰ খেলুৱৈসকলৰ বাবে ক্লাব সাল-সলনি কৰাৰ দিন ধাৰ্য কৰা হৈছে । তদুপৰি অহা ২৪ জুনৰ পৰা প্ৰথম ডিভিজন আন্তঃ ক্লাব ফুটবল লীগৰ খেলসমূহ অনুষ্ঠিত হ'ব । ইয়াৰ পিছতে পৰ্যায়ক্ৰমে অন্যান্য ডিভিজনৰ ফুটবল লীগসমূহো অনুষ্ঠিত কৰা হ'ব বুলি সাধাৰণ সম্পাদকগৰাকীয়ে লগতে জনাইছে । উল্লেখ্য যে , যোৱা দুটা বছৰ কৰ'না অতিমাৰীৰ বাবে ফুটবল লীগৰ কোনো খেল অনুষ্ঠিত কৰিব পৰা নাই । এইবাৰ ফুটবল লীগৰ খেলসমূহ সুচাৰুৰূপে আয়োজন কৰাৰ বাবে সংস্থাই ইতিমধ্যে ব্যাপক যো-জা চলাইছে ।


**ADVERTISEMENT**
**Dated 03.06.2022**

Applications are invited in the prescribed Standard Form of application published in part-IX of Assam Gazette, from intending and eliqible candidates, who are citizens of India as defined in articles 5 & 6 of the Constitution of India and having registration number in an Employment Exchange in the State of Assam, for filling up the following vacant posts under the establishment of the undersigned in the Pay Band & Grade Pay with other allowances as admissible under Govt, rules as shown below :

| Sl. No | Name of Post | No. of Vacant posts | Requisite Qualification | Scale of Pay | Reservation Category |
|---|---|---|---|---|---|
| 1 | Peon | 1 | Class VIII passed and up to Class-XII and those who have passed HSSLC (Class XII) of above shall be ineligible to apply for these posts. | PB-1 Rs. 12000-52000/- + G.P. Rs. 3900/- | O.B.C/M.O.B.C |
| 2 | Chowkidar | 1 | | PB-1 Rs. 12000-52000/- + G.P. Rs. 3900/- | E.W.S. |
| 3 | Sweeper **(Anticipated Vacancy)** | 1 | | PB-1 Rs.12000-52000/- +G.P.RS. 3900/ | UR |

**NOTE: This is to inform everyone that the advertisement issued on 07.10.21 vide Memo No.CJM/BAR/2021/2069-77, dated 07/10/2021 by the office of the undersigned stands cancelled. The candidates who have applied previously may apply in response to this advertisement if they fulfill the eligibility criteria.**

**Terms and Conditions :-**

1. The candidate must be an Indian Citizen as defined in Article 5 St 6 of the Constitution of India.
2. The candidate must not be less than 18 years and more than 40 years of age as on 01.01.2022. The upper age limit is relaxable by 3 years for OBC/ MOBC Candidates as per Govt, of Assam Office Memorandum ABP. 6/2016/51 dated 02.09.20.
3. Minimum educational qualification is class VIII passed, and those who have passed HSSLC or above shall be Ineligible to apply. Preference will be given to candidate having professional skills, related to requirement of this establishment,
4. Filled up "Application Form" In standard form of Assam along with self-attested copy of Age certificate, certificates and mark sheets regarding educational qualifications, Caste Certificate from competent authority, Employment Exchange registration certificate, copy of E.W.S. certificate (applicable for those candidate applying for the post in the reserved category for Economically weaker sections of the society as per govt of Assam memorandum No.ABP.07/2019/4 dated Dispur, the 10th April 2019) along with 3 (three) recent passport sized photographs must be sent by POST to the O/o the CJM, Barpeta, PIN - 781301 Assam, or, may be dropped in the Drop Box for Application to be kept at the O/o the CJM, Barpeta and all documents furnished with the application must be self-attested by the candidates. Application shall be filled up in BLOCK LETTERS.
5. If any candidate is found to have suppressed his educational qualification or given any wrong information at the time of applying for the post or later on, his candidature shall be liable to be rejected without any information with immediate effect and may be liable for Criminal prosecution of as per law.
6. The last date of receipt of application is **21.06.2022 up to 05.00 PM.** No application will be entertained after the last date. The appointing authority shall not be responsible under any circumstances for any postal delay.
7. Candidates serving in any Government department may apply through proper channel or can apply directly and those applying directly have to submit N.O.C. from their department at the time of appointment if selected.
8. Contact nos. and E-mail ID must be provided in the application.
9. The eligible candidate shall have to appear Interview/ Viva-Voce.
10. The list of eligible candidates along with interview/viva voce dates/venue etc. will be uploaded in the official website District Judiciary-**(www.barpetajudiciary.gov.in)** in due course. No separate call-letters will be issued from this office. The Candidates are requested to refer to website for further details.
11. The list of rejected candidates will be uploaded in the official website of District Judiciary, Barpeta **(barpetajudiciary.gov.in)** along with the date of interview.
12. All the applicants are advised to visit the official website frequently.
13. No TA/DA will be admissible to the candidates for attending the viva-voce.
14. Canvassing directly or indirectly shall disqualify a candidate.
15. The duly filled up application should be addressed to:

**The Chief Judicial Magistrate, Barpeta**
**P.O., P.S. & Dist. :- Barpeta**
**Pin :- 781301 (Assam)**

16. The Selection Board reserves the right to cancel, alter or modify the advertisement or other terms and conditions of the advertisement without any prior notice.
17. The candidature of the applicants for the above posts shall be summarily rejected if the Terms and Conditions mentioned hereto are not fulfilled.
18. Envelope containing the application should indicate the name of the post applied for in Block letters as -" **APPLICATION FOR THE POST OF PEON /CHOWKIDAR/SWEEPER (ANTICIPATED VACANCY).**

**Sd/-**

Janasanyog /D/4901/22 **Chief Judicial Magistrate, Barpeta**

# সাধনীৰ জীৱনক লৈ আধাৰিত নাট মঞ্চায়ন



## ৰবীন্দ্ৰ ভৱনত দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিলে 'বীৰাংগনা'ই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জুন ঃ** অসমীয়া নাৰী সমাজৰ স্বাভিমানৰ প্ৰতীকস্বৰূপ তথা এছিয়া মহাদেশৰ ভিতৰত প্ৰথম নাৰী বাহিনী গঠন কৰি যুদ্ধক্ষেত্ৰত জঁপিয়াই পৰা বীৰাঙ্গনা সতী সাধনীৰ জীৱনক লৈ আধাৰিত নাট বীৰাংগনাই দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। গুৱাহাটী মহানগৰীত বসবাস কৰা চুতীয়া সমাজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত যোৰা দেওবাৰে মঞ্চায়ন হোৱা 'বীৰাংগনা' শীৰ্ষক নাটখনেই ৰবীন্দ্ৰ ভৱনত মঞ্চস্থ হোৱা চুতীয়া ৰাজশাসনৰ ওপৰত আধাৰিত প্ৰথমখন নাট। ফলত মৃত্যুঞ্জয়ী আদৰ্শ আৰু বীৰত্বৰে মহীয়ান চুতীয়া ৰাজশাসনৰ শেষৰগৰাকী ৰাণী তথা বীৰাংগনা সাধনীৰ জীৱন আধাৰিত নাটখন প্ৰায় চাৰি শতাধিক লোকে উপভোগ কৰাৰ লগতে নাটখনৰ কলা-কৌশলীসকলে দুৰ্দান্ত অভিনয়ৰ মাজেৰে দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হয়। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক ডঃ দেৱজিৎ খনিকৰে উদ্বোধন কৰা তথা শস্য উদ্যান বিভাগৰ সঞ্চালক তৰংগ ভাৰতী বৰা, প্ৰযোজক গৰিমা শইকীয়া গাৰ্গ, চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়াৰ সাধনীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনে আৰম্ভ হোৱা এই অনুষ্ঠানত নাট মঞ্চস্থৰ পূৰ্বে অসমীয়া সমাজ-জীৱনলৈ সেৱা আগবঢ়োৱা তথা চুতীয়া জনগোষ্ঠীৰ সু-সন্তানৰ বতাহঘুলিৰ অৱসৰপ্ৰাপ্ত অবৰ সচিব গগন চন্দ্ৰ চুতীয়া, সৰুমটৰীয়াৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, সমাজ কল্যাণ বিভাগৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক গিৰীন ভূঞা, বিশিষ্ট বৈজ্ঞানিক ডঃ জয়ন্তী চুতীয়া, হাতীগাঁৱৰ বোপাৰাম ভাজনী, এবিচিৰ ভৰত শইকীয়া আৰু কাহিলিপাৰাৰ অনন্ত নেওগক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য, মঞ্চস্থ হোৱা নাটখনৰ নাট্যদলটো মৰাণ লেঙেৰীৰ তথা বহুকেইগৰাকী প্ৰতিভাৱান অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰা নাটকখনৰ সংগীত সুভাষ গগৈ, নাট্যকাৰ লীলা চুতীয়া আৰু পৰিচালনা ভৈৰৱ কুমাৰ ফুকনৰ। বীৰাংগনা সতী সাধনীৰ জীৱন আধাৰিত নাট 'বীৰাংগনা'ত মূল চৰিত্ৰ ধৰ্মধ্বজপালৰ অভিনয় কৰে পবিত্ৰ বুঢ়াগোহাঁয়ে, সাধনীৰ চৰিত্ৰত অভিনয় কৰে পাহাৰী গগৈয়ে, নীতিপালৰ চৰিত্ৰত হীৰকজ্যোতি গগৈয়ে আৰু কনচেং বৰপাত্ৰগোঁহাইৰ চৰিত্ৰত অভিনয় কৰে যতীন বুঢ়াগোহাঁয়ে। নাটখনৰ সুন্দৰ দৃশ্যৰূপ আৰু প্ৰতিগৰাকী অভিনেতা-অভিনেত্ৰীৰ সুন্দৰ অভিনয়েৰে প্ৰতিগৰাকী দৰ্শকক আপ্লুত কৰাৰ লগতে উদ্যোক্তাসকল ক্ৰমে যুৱ সাংবাদিক ৰন্টু নেওগ, অগপ নেতা দিব্য ৰাজখোৱা, জ্ঞানেন চুতীয়া আৰু কুণ্ডিল চুতীয়াৰ প্ৰচেষ্টাক সকলোৱে শলাগ লয়। লগতে বীৰাংগনা সাধনীৰ ত্যাগ আৰু পৰাক্ৰমী ইতিহাসৰ বহু নজনা কথা নাটকখনৰ জৰিয়তে সফলভাৱে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে নাট্যদলটো।



## গোৱালপাৰাৰ ৰম্ভুদাৰাত মিছন বিৰুবালাৰ মুখ্য কাৰ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন

# গছ নাকাটিব, গছ ৰুই ধৰণী সেউজীয়া কৰক ঃ বিৰুবালা ৰাভা




**দৈনন্দিন বাৰ্তা সেৱা, বকো, ৬ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে কালি গোৱালপাৰা জিলাৰ ৰম্ভুদাৰাস্থ মিছন বিৰুবালাৰ মুখ্য কাৰ্যালয়ত বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱস। কাৰ্যসূচীৰ পাতনিতে পদ্মশ্ৰী ডঃ বিৰুবালা ৰাভাই গছপুলি ৰোপণ কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অন্ধবিশ্বাস; কুসংস্কাৰ আৰু সামাজিক ন্যায়ৰ ওপৰত যুদ্ধ ঘোষণা কৰা সামাজিক সংস্থা 'মিছন বিৰুবালা'ৰ ক'ৰ কমিটীৰ লগতে ৰম্ভুদাৰা অঞ্চলটোৰ মহিলা সমিতিকে ধৰি কিছুসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানে অংশ গ্ৰহণ কৰে এই কাৰ্যসূচীত। দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা, 'গছ থাকিলেহে মানুহ থাকিব' শীৰ্ষক আলোচনাচক্ৰ, আকস্মিক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকে হেলেন ৰাভা বসুমতাৰী, উপদেষ্টা মিছন বিৰুবালা, দীনেশ দাস, উপসভাপতি মামণি শইকীয়া, সম্পাদক মুকুট ৰাভা পাম, সহ-সম্পাদক ক্ৰমে অঞ্জলি হাজং, ইন্দিৰা ব্ৰহ্ম, কণিকা ৰাভা, বিত্ত সম্পাদক মৃদুল ৰাভা, প্ৰচাৰ সম্পাদিকা অনামিকা বৰুৱা, সদস্য-সদস্যাসকল ৰম্ভুদ্বাৰা গাঁৱৰ পুৰুষ-মহিলা আৰু ছাত্ৰ-ছাত্ৰীসকলে।

# বৰদৌলগুৰিত মহাপুৰুষীয়া সমাজৰ কাৰ্যালয়ৰ শুভ উদ্বোধন বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ৬ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এক শৰণ নাম ধৰ্মৰ আদৰ্শেৰে গঢ়ি উঠা ধৰ্মীয় অনুষ্ঠান 'মহাপুৰুষীয়া সমাজ'ৰ দৰং জিলা সমিতিৰ দ্বাদশ বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন উপলক্ষে স্থাপন কৰা স্থায়ী কাৰ্যালয়ৰ আজি শুভ উদ্বোধন কৰে ছিপাঝাৰ সমষ্টিৰ বিধায়ক তথা উদ্‌যাপন সমিতিৰ মুখ্য উপদেষ্টা ড° পৰমানন্দ ৰাজবংশীয়ে। ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ বৰদৌলগুৰি সাহিত্য সভা ভৱনৰ সমীপতে স্থাপন কৰা কাৰ্যালয়ৰ দ্বাৰা আই-মাতৃৰ নাম প্ৰসংগৰ এক আধ্যাত্মিক পৰিৱেশৰ মাজত উদ্‌ঘাটন কৰি বিধায়কগৰাকীয়ে গুৰুজনাই নিজৰ দৰ্শনৰ জৰিয়তে কেনেদৰে সকলো জাতি-জনগোষ্ঠীকে একতাৰ ডোলেৰে বান্ধিছিল সেয়া ব্যাখ্যা কৰাৰ লগতে বৰদৌলগুৰিৰ ককাইতোলা 'চণ্ডীৰাম ভকত ক্ষেত্ৰ'ত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনখনি সুচাৰুৰূপে পৰিচালনা হোৱাৰ আশা প্ৰকাশ কৰে। বিশেষকৈ ছিপাঝাৰবাসী ৰাইজৰ আতিথ্যত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনখনি সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত বিধায়কগৰাকীয়ে সকলো ধৰণৰ সহায় কৰাৰো আশ্বাস ৰাখে। অনুষ্ঠানত মহাপুৰুষীয়া সমাজৰ দৰং জিলা সমিতিৰ সম্পাদক ভবেন্দ্ৰ ডেকাও উপস্থিত থাকি ৰাইজৰ সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে মণিকাঞ্চন শাখা আৰু শংকৰ-মাধৱ শাখাৰ উদ্যোগত ২০২৩ বৰ্ষৰ ২১, ২২ আৰু ২৩ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া মহাপুৰুষীয়া সমাজৰ দৰং জিলা সমিতিৰ অধিৱেশনখনি সুচাৰুৰূপে পৰিচালনাৰ বাবে ইতিমধ্যে অৱসৰী শিক্ষক ৰাজেন্দ্ৰ চন্দ্ৰ নাথক সভাপতি, দোলন কুমাৰ নাথক কাৰ্যকৰী সভাপতি, বিনয় কুমাৰ নাথক প্ৰধান সম্পাদক, দ্ৰোণ কুমাৰ নাথ আৰু তাৰিণী নাথক সহকাৰী সম্পাদক হিচাপে লৈ মূল উদ্‌যাপন সমিতিখন গঠন কৰাৰ লগতে খাদ্য, সাংস্কৃতিক, পোহৰ, আই মাতৃ, বেজ-গামোচা, পতাকা উত্তোলন, স্মৃতিগ্ৰন্থ, চিকিৎসা, পতাকা উত্তোলন আদিকে ধৰি কুৰিখনৰো অধিক উপ-সমিতি গঠন কৰি অধিৱেশনৰ প্ৰস্তুতি পূৰ্ণগতিত অব্যাহত ৰাখিছে। ইতিমধ্যে উপ-সমিতিসমূহে বিভাগীয় কাম-কাজ আগবঢ়াই নিয়াৰ লগতে অধিৱেশনৰ বাবে পঁচিশ লাখ টকাৰ এখন বাজেটো গ্ৰহণ কৰা হৈছে।



## মন্ত্ৰী বিমল বৰাৰ মহানুভৱতাৰ চৰ্চা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৬ জুন ঃ** যোৱানিশা ৫২নং বি ৰাষ্ট্ৰীয় ঘাইপথৰ লেঙেৰী নখাটৰ সমীপত পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা এজন যুৱকক ততাতৈয়াকৈ ১০৮ এম্বুলেন্সৰ ব্যৱস্থা কৰি মন্ত্ৰী বিমল বৰাই নিজেও এম্বুলেন্সত উঠি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ লৈ যায় যুৱকজনক। দুৰ্ঘটনা সংঘটিত হোৱা স্থানৰ সমীপতে মন্ত্ৰী বিমল বৰাই বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী সমাপন কৰি একাংশ ৰাইজৰ স'তে মত বিনিময়ত ব্যস্ত আছিল আৰু দুৰ্ঘটনাৰ সম্পৰ্কে অৱগত হোৱাৰ লগে লগে ঘটনাস্থলীত উপস্থিত নিজেই যুৱকজনক চিকিৎসালয়লৈ লৈ যায়। ইতিমধ্যে সামাজিক মাধ্যমত ব্যাপক চৰ্চা হৈছে এই সন্দৰ্ভত। এই ঘটনাৰ পিছতে সকলোৱে একমুখে শলাগিছে মন্ত্ৰী বিমল বৰাক। ১০৮ কৰ্মচাৰী সন্থা ডিব্ৰুগড় জিলা সমিতিয়ে মন্ত্ৰীগৰাকীৰ এনে কৰ্মক প্ৰশংসা কৰিছে। ১০৮ কৰ্মচাৰীসকলৰ সৈতে একেলগে গৈ ১০৮ কৰ্মচাৰীসকলক সহযোগ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে ১০৮ কৰ্মচাৰী সন্থাই।

## আক্ৰাছুৰ সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ৬ জুন ঃ** নগাঁও জিলাৰ ৰহাৰ ডিমৌ চাৰিআলিৰ চৰ্দাৰ বল্লভভাই পেটেল মজলীয়া বিদ্যালয়ত আজি আক্ৰাছুৰ নগাঁও জিলা সমিতিৰ উদ্যোগত এখনি সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে জিলা সভাপতি শিৱ প্ৰসাদ বৰাই। উপ-সভাপতি পংকজ কুমাৰ বৰা, সাধাৰণ সম্পাদক অসীম বৰা, জয়ন্ত মাধৱ ডেকা, জিলা সদস্য ৰাজুমণি বৰা আৰু কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰাতুল কুমাৰ ৰাজবংশীৰ উপস্থিতিত নগাঁও জিলাত আক্ৰাছুৰ আদৰ্শক গাঁৱে-ভূঞে প্ৰচাৰ কৰি কিদৰে শক্তিশালী কৰিব পাৰি তাৰ বিষয়ে আলোচনা কৰা হয়। সভাতেই জিতু ডেকাক সভাপতি, চানু ডেকা, অৰূপ ডেকাক সম্পাদক, গৌৰৱ কুমাৰ ডেকা, ধ্ৰুৱ কুমাৰ ৰাজা (মান্না), পৰেশ ডেকাক সহ-সম্পাদক হিচাপে নিৰ্বাচন কৰি এখন শক্তিশালী আহ্বায়ক সমিতি গঠন কৰা হয়। সভাৰ শেষত সভাপতি শিৱপ্ৰসাদ বৰাই কোঁচ-ৰাজবংশী সম্প্ৰদায়ক জনজাতিকৰণৰ বাবে চৰকাৰৰ ওচৰত দাবী জনোৱাৰ লগতে অন্যান্য দাবীসমূহো নিষ্পত্তি কৰিবৰ বাবে দাবী জনায়।

## উপায়ুক্তৰ অধ্যক্ষতাত পথ সুৰক্ষা সমিতিৰ গুৰুত্বপূৰ্ণ সভা ঃ বিশ্বনাথত পথ সুৰক্ষা সম্পৰ্কীয় একাধিক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ

# বেচৰকাৰী বাছ পাৰ্কিঙৰ বাবে ভূমি আবণ্টনৰ প্ৰস্তাৱ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৬ জুন ঃ** পথ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বনাথ নগৰৰ ক্লক টাৱাৰ পইন্টৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে পেভাৰ ব্লকৰ জৰিয়তে পকীকৰণ কৰা সম্প্ৰসাৰিত অংশত থকা বিদ্যুতৰ খুঁটাসমূহ শক্তি বিতৰণ কোম্পানীক দুটা সপ্তাহৰ ভিতৰত উঠাই দিবৰ বাবে আহ্বান জনাই গ্ৰহণ কৰা হৈছে এক প্ৰস্তাৱ। বিশ্বনাথ জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত হোৱা জিলা পথ সুৰক্ষা সমিতি চমুকৈ ডি আৰ এছ চিৰ সভাত পথ সুৰক্ষাৰ হেতু গ্ৰহণ কৰা হৈছে এই প্ৰস্তাৱ। বিশ্বনাথ জিলাৰ উপায়ুক্ত তথা জিলা পথ সুৰক্ষা সমিতিৰ অধ্যক্ষ মুনীন্দ্ৰ নাথ ঙাটেৰ অধ্যক্ষতাত ৩ জুনত অনুষ্ঠিত দ্বিতীয় ত্ৰিমাসিক পথ সুৰক্ষা সমিতিৰ বৈঠকত গ্ৰহণ কৰা হয় আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ। জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব তথা জিলা পৰিবহণ বিষয়া উমেশ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা পথ সুৰক্ষা সমিতিৰ এই সভাত গ্ৰহণ কৰা আন আন গুৰুত্বপূৰ্ণ প্ৰস্তাৱকেইটা হৈছে ৰাষ্ট্ৰীয় ঘাইপথৰ বুঢ়ীগাং আৰু বৰগাং নদীৰ সংযোগ অংশ(এপ্ৰোচ)ত সৃষ্টি হোৱা দ গাঁতসমূহ পুতি যাতায়াত সুচল কৰি তুলিবৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড কৰ্তৃপক্ষক অৱগত কৰোৱা, পথৰ কাষৰ সঠিক ট্ৰেফিক সংকেত ফলকৰ লগতে চাৰি শৰণীয়া পথ নিৰ্মাণকাৰী সংস্থাৰ পথ বিভাজক ফলকসমূহ সুচল যাতায়াতৰ হেতু ভালকৈ লগাবলৈ কৰ্তৃপক্ষক আহ্বান জনোৱা, বিশ্বনাথ চাৰিআলিৰ বেচৰকাৰী বাছসমূহ সঠিকভাৱে পাৰ্কিঙৰ বাবে ভূমিৰ আবন্টন বিচাৰি সংশ্লিষ্ট কৰ্তৃপক্ষলৈ এক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ উপৰি এই বৈঠকত আলোচিত আন এটি গুৰুত্বপূৰ্ণ বিষয় হ'ল পথ দুৰ্ঘটনাৰ 'সোণালী সময়' (Golden hour)ৰ ভিতৰত দুৰ্ঘটনাগ্ৰস্ত লোকক সহায়ৰ হাত আগবঢ়াই সম্ভাব্য মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰা ব্যক্তিক কেন্দ্ৰীয় চৰকাৰৰ ঘোষণা অনুযায়ী নগদ ধনেৰে পুৰস্কৃত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰাৰ বাবে আলোচনা কৰা। উল্লেখ্য যে পথ দুৰ্ঘটনাৰ সময়ত কেতিয়াবা চিকিৎসাৰ অভাৱত বা চিকিৎসালয়লৈ নিয়াত পলম হোৱাৰ বাবেও একো একোজন ব্যক্তি মৃত্যুমুখত পৰে। দুৰ্ঘটনা এটা সংঘটিত হোৱাৰ পৰা এক ঘন্টাৰ সময়ছোৱাকে 'সোণালী সময়' (Golden hour) বুলি কোৱা হয়। গুৰুতৰভাৱে আহত ব্যক্তি এজনক তৎপৰতাৰে এই বিশেষ সময়ছোৱাত চিকিৎসাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰি জীৱন ৰক্ষা কৰা ব্যক্তিক কেন্দ্ৰীয় চৰকাৰে পাঁচ হাজাৰৰ পৰা এক লাখ টকা পৰ্যন্ত নগদ ধনেৰে পুৰস্কৃত কৰাৰ কথা ইতিমধ্যে ঘোষণা কৰিছে। বিশ্বনাথ জিলাৰ পৰাও এনে সহায়শীল ব্যক্তিৰ প্ৰস্তাৱ প্ৰেৰণৰ বাবে সভাত আলোচনা কৰা হয়। পূৰ্বে জিলা পৰিবহণ বিষয়াগৰাকীয়ে জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব ৰূপে দায়িত্ব পালন কৰিছিল যদিও উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি এতিয়াৰে পৰা লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাগৰাকীয়ে সদস্য সচিব হিচাপে কৰ্তব্য পালন কৰিব। সেই অনুসৰি বিশ্বনাথ জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব ৰূপে লোক নিৰ্মাণ বিভাগ, বিশ্বনাথ জিলা ক্ষেত্ৰীয় পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাগৰাকীক সদস্য সচিবৰ দায়িত্ব ন্যস্ত কৰা হয়। ইয়াৰোপৰি বিশ্বনাথৰ ই-ৰিক্সাসমূহৰ পাৰ্কিঙৰ ব্যৱস্থা আৰু পথ নিৰ্বাচন সম্পৰ্কেও এই সভাত আলোচনা কৰা হয়। সভাত জিলাখনৰ আৰক্ষী অধীক্ষক নবীন সিং, অতিৰিক্ত উপায়ুক্ত বিশ্বজিৎ শইকীয়া, অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকা, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ অভিযন্তা ৰাহুল পাজোৱানৰ লগতে শক্তি বিতৰণ কোম্পানীৰ বিষয়া, যান-বাহন শাখাৰ বিষয়া প্ৰমুখ্যে বিভিন্ন বিভাগৰ বিষয়া আৰু জিলা পথ সুৰক্ষা সমিতিৰ সদস্যসকল উপস্থিত আছিল।

## হাতত প্লেকাৰ্ড লৈ বিহালীত ছাত্ৰ-ছাত্ৰীৰ সজাগতা ৰেলী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৬ জুন ঃ** পৰিৱেশ সুৰক্ষিত, প্লাষ্টিল বৰ্জন, গছ ৰোপণ আদি সজাগতা সৃষ্টিৰ উদ্দেশ্যে সোমবাৰে বিহালী সমষ্টি বৰগাঙৰ শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে হাতত প্লেকাৰ্ড লৈ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে পৰিৱেশ সুৰক্ষা কৰক, প্লাষ্টিক বৰ্জন কৰক আদি বিভিন্ন শ্ল'গান দি ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত এক ৰেলী উলিয়াই সজাগতা সৃষ্টি কৰে। ছাত্ৰ-ছাত্ৰীসকলে এই ৰেলীৰ মাজেৰে বৰগাং গাঁও পঞ্চায়ত, বৰগাং চেন্টাৰ, বৰগাং আদৰ্শ চিকিৎসালয়, বিহালী খণ্ড উন্নয়ন কাৰ্যালয়, বৰগাং আৰক্ষী চকী আৰু বৰগাং শংকৰদেৱ শিশু নিকেতনত বিভিন্ন প্ৰকাৰৰ গছ ৰোপণ কৰাও দেখা যায়।

## লাহৰীঘাটত শূন্য হোৱাৰ দিশে অগপ

### ২৫-৩০জন কৰ্মকৰ্তাক লৈ ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৬ জুন ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বিধানসভা সমষ্টিত অসম গণ পৰিষদ দল একপ্ৰকাৰ নিঃশেষ হোৱাৰ দিশে গতি কৰা পৰিলক্ষিত হৈছে । আজি লাউভূৰুংগা পঞ্চায়তৰ লেলাইবড়ি ৰাস মণ্ডপত অনুষ্ঠিত হোৱা দলীয় সাংগঠনিক সভাই লাহৰীঘাট অগপৰ দুৰ্বল স্থিতি উদঙাই দিলে। আজি সমষ্টিভিত্তিত অগপৰ দলীয় সাংগঠনিক সভা আহ্বান কৰিছিল বিধান পৰিষদ সমিতিয়ে। এই সাংগঠনিক সভাত উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, উপ-সভাপতি বিষ্ণু দাস আৰু জিলাৰ সভাপতিকে ধৰি আন বিষয়ববীয়াসকল। কিন্তু এই সাংগঠনিক সভাখনত সমষ্টিটোৰ মাত্ৰ ২৫-৩০জন কৰ্মকৰ্তাহে উপস্থিত থাকে। আনকি সভাখনৰ এখন বেনাৰ বনাবলৈ সামৰ্থ্য নাই বিধান পৰিষদ সমিতিৰ। এনেকৈয়ে সাংগঠনিক সভা কৰি যাব লগা হয় কেন্দ্ৰীয় সমিতিৰ দুই শীৰ্ষ বিষয়ববীয়াই। উল্লেখ্য যে এবছৰ পূৰ্বে অগপই লাহৰীঘাট সমষ্টিত এক শক্তিশালী বিৰোধীৰ ভূমিকা পালন কৰি আহিছিল। কিন্তু চৰকাৰৰ মিত্ৰ দল হোৱাৰ পিছতো এক বছৰতেই লাহৰীঘাটত অগপই হেৰুৱালে পূৰ্বৰ গৰিমা । ২০২১ চনৰ বিধান সভা নিৰ্বাচনৰ পিছত কেন্দ্ৰীয় সমিতিয়ে লাহৰীঘাট বিধান পৰিষদ সমিতিখন নতুনকৈ গঠন কৰিছিল। নতুনকৈ গঠন হোৱা বিধান পৰিষদৰ মূল বিষয়ববীয়াসকল অপৰিপক্ক নেতা বুলি পূৰ্বৰে পৰা তৃণমূলৰ কৰ্মীসকলে অভিযোগ কৰি আহিছে। ফলত বহু দলীয় কৰ্মীয়ে দল এৰাৰ পৰিকল্পনা কৰাৰ লগতে আন একাংশই দলীয় কাম-কাজত অংশগ্ৰহণ কৰাত অনীহা প্ৰকাশ কৰা পৰিলক্ষিত হৈছে । এইদৰে চলি থাকিলে লাহৰীঘাটত অগপ নিশ্চিহ্ন হোৱাটো নিশ্চিত বুলি দলীয় একাংশ কৰ্মীয়ে আশংকা কৰিছে।

# বোকাখাতত সম্পন্ন ১৪৮ যোৰা বৰ-কইনাৰ সমূহীয়া বিবাহ




**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ৬ জুন ঃ** বোকাখাত আজি সাক্ষী হৈ ৰ'ল এক ঐতিহাসিক ক্ষণৰ। বোকাখাতত সম্পন্ন হ'ল ১৪৮ যোৰা বৰ-কইনাৰ সমূহীয়া বিবাহ। বোকাখাত নাট্যমন্দিৰ, বোকাখাত বাৰোৱাৰী পূজা সমিতি আৰু লতাবাৰীৰ শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু বোকাখাতৰ বিশিষ্ট ব্যৱসায়ী কমলা আগৰৱালা আৰু পৰিয়ালৰ পৃষ্ঠপোষকতাত আজি বোকাখাত নাট্যমন্দিৰত সম্পন্ন হ'ল এই সমূহীয়া বিবাহ অনুষ্ঠান। পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণ, আয়তীৰ উৰুলি, বিয়ানাম আৰু এই বিৰল ক্ষণৰ সাক্ষী হৈ ৰোৱা অজস্ৰজনৰ উপস্থিতিত উদুলি-মুদুলি হৈ পৰিল বোকাখাত নাট্যমন্দিৰ প্ৰাংগণ। পুৱাই ইচ্ছুক দৰা-কইনাৰ নাম উদ্যোক্তা সমিতিয়ে পঞ্জীয়নভুক্ত কৰেহি। প্ৰতিযোৰা দৰা-কইনাৰ সৈতে কেৱল দহগৰাকী লোকৰহে উপস্থিতিৰ অনুমতি দিয়া হৈছিল যদিও এই বিৰল সমূহীয়া বিবাহ চোৱাৰ হেঁপাহতে ঢপলিয়াই অহা অজস্ৰজনেৰে বিবাহথলী ভৰি পৰা দেখা গ'ল। উল্লেখ্য, প্ৰতিটো দম্পতীলৈ প্ৰয়োজনীয় বিবাহৰ পোছাক উপহাৰ হিচাপে আগবঢ়াইছে কমলা আগৰৱালাই আৰু প্ৰতিটো দম্পতীলৈ একোটিকৈ সেন্দুৰৰ টেমা আগবঢ়াইছে বোকাখাতৰ মহকুমাধিপতি ডাঃ নেহা যাদৱে। অনুষ্ঠানৰ আন এক উল্লেখনীয় কথা যে মুখ্য পৃষ্ঠপোষক কমলা আগৰৱালাৰ দুই পুত্ৰ, কেইবাগৰাকী নাতিৰ লগতে পৰিয়ালৰ আন লোকে বিবাহ অনুষ্ঠানটোৰ আদিৰ পৰা অন্তলৈ প্ৰতিগৰাকী অতিথিক আপ্যায়নকে আদি কৰি সকলো কাৰ্যকে সুচাৰুৰূপে সম্পন্ন কৰাত সহায়ক হৈ গৃহস্থৰ ভূমিকা সুন্দৰকৈ পালন কৰাৰ বিষয়টোৱে উপস্থিত প্ৰতিগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে সম্প্ৰতি চৰ্চাৰ বিষয় হৈছে। উল্লেখ্য যে কমলা আগৰৱালাৰ সুপুত্ৰ মহাবীৰ আগৰৱালা এগৰাকী বিশিষ্ট ব্যৱসায়ী হোৱাৰ লগতে বোকাখাতৰ সামাজিক, সাংস্কৃতিক সকলো ক্ষেত্ৰতে সংপৃক্ত হৈ আহিছে। লগতে সমাজৰ নিপীড়িত ৰাইজক মহাবীৰ আগৰৱালাই সকলো দিশে সাহায্য আগবঢ়াই আহিছে।




### গোৱালপাৰাৰ গৰুচটকাত দেশী জনগোষ্ঠীয় মঞ্চ অসমৰ গৰুচটকা আঞ্চলিকৰ ২য় বাৰ্ষিক অধিৱেশন

# সংস্কৃতি অবিহনে কোনো এটা জাতি-জনগোষ্ঠীৰ উত্থান হ'ব নোৱাৰে ঃ নুৰবকত সেখ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৬ জুন ঃ** অসমৰ ভূমিপুত্ৰ পশ্চিম অসমৰ দেশী লোকসকলৰ স্ব-অধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ বাবে দীৰ্ঘদিন ধৰি সংগ্ৰাম অব্যাহত ৰাখি আহিছে দেশী জনগোষ্ঠীয় মঞ্চ আৰু দেশী জনগোষ্ঠীয় যুৱ-ছাত্ৰ মঞ্চ। গোৱালপাৰা জিলাৰ গৰুচটকাত দেশী জনগোষ্ঠীয় মঞ্চ আৰু যুৱ-ছাত্ৰ মঞ্চৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। গোৱালপাৰা জিলাৰ পাণবড়ী প্ৰাথমিক বিদ্যালয় খেলপথাৰত দিনজোৱা বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হ'ব এই বাৰ্ষিক অধিৱেশন। অধিৱেশনৰ কাৰ্যসূচী অনুসৰি পুৱা ক্ষীৰোদ দাসে পতাকা উত্তোলন কৰি বাৰ্ষিক অধিৱেশনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। পতাকা উত্তোলনৰ পাছত শ্বহীদ তৰ্পণ, বৃক্ষ ৰোপণ, বিষয় বাছনি সভা অনুষ্ঠিত হয়। ইয়াৰ পিছতে সভাপতি জিয়াউল হকৰ পৌৰোহিত্যত অনুষ্ঠিত হয় প্ৰতিনিধি সভা। সভাত পুৰণি সমিতি ভংগ কৰি আগন্তুক ২০২২-২৩ বৰ্ষৰ বাবে দেশী জনগোষ্ঠীয় মঞ্চৰ চুলেইমান খাঁক সভাপতি আৰু সাধাৰণ সম্পাদক হিচাপে লৈ মুঠ ৩০ জনীয়া সমিতি, লগতে যুৱ-ছাত্ৰ মঞ্চৰ বাবে নছিউৰ ৰহমানক সভাপতি আৰু ৰবিউল ইছলামক সাধাৰণ সম্পাদক হিচাপে লৈ মুঠ ২৫জনীয়া দুখন শক্তিশালী সমিতি গঠন কৰা হয়। বিয়লি ১ বজাত গোৱালপাৰা জিলা সমিতিৰ সভাপতি তথা দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক নুৰবকত সেখৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভাৰ প্ৰাক্‌মুহূৰ্তত জাতিৰ উত্তৰণৰ স্বাৰ্থত মঞ্চৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত আলোকপাত; চা-চিনাকি পৰ্ব ও সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত দেশী শিল্পীসকলৰ দ্বাৰা পৰম্পৰাগত নৃত্য-গীত পৰিৱেশন কৰা হয়। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে দেশী জনগোষ্ঠীয় মঞ্চ অসমৰ কেন্দ্ৰীয় সভাপতি শ্বেইখ হেদহেদোয়তুল্লাহ, ইয়াৰ উপৰি সভাত কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা ইছলামুল হক মণ্ডল, কেন্দ্ৰীয় সমিতিৰ সম্পাদক সহিদুল ইছলাম, যুৱ-ছাত্ৰ মঞ্চৰ গোৱালপাৰা জিলা সমিতিৰ সভাপতি মফিয়াল ৰহমানৰ উপৰি মঞ্চৰ বিভিন্ন স্তৰৰ নেতা-কৰ্মীসকলে।

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি